www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সংসাৰত গাৰ বলেৰে বা শক্তিৰে সংগ্ৰহ কৰিব। নোৱৰা বস্তু হ'ল জ্ঞান। জ্ঞান আৰ্জিবলৈ একমাত্ৰ লাগে অধ্যয়ন। - জনচন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ❐ সংখ্যা- ২৮০ ❐ বুধবাৰ ❐ ১৯ আগষ্ট, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 280 ❐ Wednesday ❐ 19th August, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আৰক্ষীক প্ৰশংসা; ড্ৰাগছৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰখাৰ ঘোষণা

## কাছাৰ, ওদালগুৰিত ১০ কোটিৰো অধিক মূল্যৰ নিচাজাতীয় সামগ্ৰী জব্দ ঃ সাত সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** অসমত ড্ৰাগছ তথা নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে চলি থকা অভিযানত এক ডাঙৰ সফলতা লাভ কৰিছে ৰাজ্যৰ আৰক্ষী বাহিনীয়ে। বিগত ২৪ ঘণ্টাত অসমৰ দুটা পৃথক স্থানত চলোৱা তৎপৰ অভিযানত প্ৰায় ১০ কোটি টকাতকৈও অধিক মূল্যৰ ড্ৰাগছ জব্দ কৰাৰ লগতে সাতজন সন্দেহযুক্ত সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। মঙলবাৰে ছ'চিয়েল মিডিয়া এক্স প্লেটফৰ্মত প্ৰকাশ কৰা পোষ্ট ❐ ৬ পৃষ্ঠাত

শিলচৰৰ পৰা ৩২টা বিভাগ পৰিচালনা কৰাৰ সিদ্ধান্ত

# ৮খন নতুন সম-জিলা গঠনত অনুমোদন কেবিনেটৰ

■ বৰাকৰ মিনি সচিবালয়ৰ নতুন নাম 'অসম সচিবালয়, বৰাক উপত্যকা' ■

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** মঙলবাৰে দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকত ৰাজ্যৰ উদ্যোগ, নিয়োগ, সমবায়, শিশু সুৰক্ষা, ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্য আৰু প্ৰশাসনিক পুনৰ্গঠনৰ ক্ষেত্ৰত একাধিক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সিদ্ধান্তসমূহ ঘোষণা কৰাৰ লগতে কাজিৰঙাৰ ইক' ছেনছিটিভ জ'নক লৈ চলি থকা বিতৰ্ক সন্দৰ্ভতো তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। উদ্যোগ স্থাপন আৰু নিয়োগৰ সুযোগ বৃদ্ধি কৰাৰ লক্ষ্যৰে অসম কেবিনেটে নতুন উদ্যোগ নীতিত অনুমোদন জনায়। লগতে অসম ঔদ্যোগিক বিধিটোও কেবিনেটে অনুমোদন কৰে। তেল ❐ ৬ পৃষ্ঠাত



## কুংকি চৌধুৰীৰ নামত ভুৱা ধন সংগ্ৰহ; প্ৰৱঞ্চক চক্ৰৰ চক্ৰান্ত উন্মোচন

বানপীড়িত শিশুৰ নামত আৱেগিক আবেদন ইনষ্টাগ্ৰামত ভুৱা একাউণ্ট খুলি জালিয়াতি



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** অসম জাতীয় পৰিষদৰ যুৱ নেত্ৰী কুংকি চৌধুৰীৰ নাম ব্যৱহাৰ কৰি বানপীড়িতসকলক সহায় কৰাৰ ছলেৰে একাংশ দুষ্ট চক্ৰই ৰাইজৰ পৰা ধন সংগ্ৰহ কৰি এক ভয়ংকৰ প্ৰৱঞ্চনা চলোৱাৰ ঘটনা পোহৰলৈ আহিছে। এই জালিয়াতিৰ শিকলি সূত্ৰ ধৰি কুংকি চৌধুৰী নিজেই সতৰ্কবাণী জাৰি কৰি ৰাইজক সজাগ কৰিবলৈ বাধ্য হৈছে। জানিব পৰা মতে, আৰিফুল হক নামৰ এজন ❐ ৬ পৃষ্ঠাত

## নাজিৰাৰ বন্যাৰ্তৰ কাষত আপৰ ৰাষ্ট্ৰীয় নেতা তথা ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিং

অসমৰ বানপানীৰ সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ আহ্বান কেন্দ্ৰীয় চৰকাৰক



**অসম বাৰ্তা, নামতি, ১৮ আগষ্ট ঃ** ১৯ জুলাই ২০২৬ ৰ দিনটো অসমৰ বাবে এক অভিশপ্ত দিন হিচাপে পৰিগণিত হৈ ৰ'ব। এই দিনটোত অসমৰ ইতিহাসত প্ৰথমবাৰৰ বাবে সৃষ্টি হোৱা দিখৌ নদীৰ প্ৰলয়ংকাৰী জলপ্ৰলয়ৰ ফলত সৰ্বস্বান্ত হ'ল শত সহস্ৰজনৰ পৰিয়াল আৰু শ শ পৰিয়ালৰ পশুধন অকালতে মৃত্যু হ'ল, ধ্বংসস্তূপত পৰিণত হ'ল উজনি অসমৰ বহু এলেকা। এনে জলপ্ৰলয়ত সৰ্বস্বান্ত হোৱা ❐ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰীৰ মাটি নীতিৰ প্ৰতিক্ৰিয়াত সাংসদ ৰকিবুল হুছেইনৰ তীব্ৰ সমালোচনা

## আদানীক মাটি দিবলৈ নিয়ম উলংঘা মুখ্যমন্ত্ৰীৰ ঃ হুছেইন



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খিলঞ্জীয়াসকলক ধুবুৰী, গোৱালপাৰা আৰু বৰপেটাত মাটি কিনা-বেচা কৰিব পাৰিব বুলি দিয়া মন্তব্যক লৈ ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে আজি এক তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ মুখ্যমন্ত্ৰীক আইনী প্ৰক্ৰিয়াৰে নিৰ্বাচিত মুখ্যমন্ত্ৰী বুলি স্বীকৃতি দিলেও অসম চুক্তিৰ ভিত্তিত মাটি নীতি গঢ়ি তুলিলে কোনো আপত্তি নথকা ❐ ৬ পৃষ্ঠাত

কোচিং ইনষ্টিটিউটসমূহৰ বাবে ৰাজ্য চৰকাৰৰ কঠোৰ আইন

## ৫০ৰ অধিক শিক্ষাৰ্থী থকা কোচিং কেন্দ্ৰৰ পঞ্জীয়ন বাধ্যতামূলকভাৱে



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ আগষ্ট ঃ** অসম চৰকাৰে আজি অনুষ্ঠিত কেবিনেট বৈঠকত ৰাজ্যখনৰ বেচৰকাৰী কোচিং ইনষ্টিটিউটসমূহ নিয়ন্ত্ৰণ আৰু বিদ্যাৰ্থীৰ মানসিক স্বাস্থ্য সুৰক্ষিত কৰিবলৈ এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰে। 'দ্যা আছাম প্ৰাইভেট কোচিং ইনষ্টিটিউট কণ্ট্ৰ'ল এণ্ড ষ্টুডেণ্ট মেণ্টেল হেলথ ছেভগাৰ্ড-২০২৬' শীৰ্ষক এই অভিনৱ ❐ ৬ পৃষ্ঠাত

আমেৰিকাত কঠোৰ নিৰ্বাচনী আইন প্ৰণয়নৰ পোষকতা, ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্তৰ প্ৰশ্নক উদাহৰণ হিচাপে উল্লেখ

## ভাৰতীয় নিৰ্বাচন ব্যৱস্থাৰ প্ৰশংসাত মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্প

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰতীয় নিৰ্বাচন ব্যৱস্থাৰ ভূয়সী প্ৰশংসা কৰি আমেৰিকাত অধিক কঠোৰ নিৰ্বাচনী আইন প্ৰণয়নৰ পোষকতা কৰিছে। সোমবাৰে ট্ৰুথ ছ'চিয়েল প্লেটফৰ্মত দিয়া এখন পোষ্টত ট্ৰাম্পে ভাৰতীয় নিৰ্বাচন ব্যৱস্থাৰ সৈতে ❐ ৭ পৃষ্ঠাত

কাজিৰঙা ইক'-চেনছিটিভ জ'ন পুনৰ নিৰ্ধাৰণৰ প্ৰস্তাৱ সন্দৰ্ভত মন্ত্ৰী পীযুষ হাজৰীকাৰ স্পষ্টীকৰণ

## উদ্যানৰ সীমা অক্ষত, কেৱল সংৰক্ষণ আৰু উন্নয়নৰ মাজত সমন্বয় স্থাপনেই উদ্দেশ্য ঃ হাজৰীকা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ইক'-চেনছিটিভ জ'ন (ESZ) পুনৰ নিৰ্ধাৰণৰ প্ৰস্তাৱক লৈ ৰাজ্যৰ বিভিন্ন মহলত চলি থকা বিতৰ্কৰ মাজতে আজি ৰাজ্যৰ কৃষি মন্ত্ৰী পীযুষ হাজৰীকাই সামাজিক মাধ্যমযোগে এক স্পষ্টীকৰণ প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনৰ সীমাত কোনো ধৰণৰ পৰিৱৰ্তন কৰা নহয় বুলি স্পষ্টভাৱে উল্লেখ কৰে। মন্ত্ৰী পীযুষ হাজৰীকাই কয় যে প্ৰস্তাৱিত পৰিৱৰ্তনসমূহ কেৱল কাজিৰঙাৰ বাহিৰৰ অঞ্চলসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব, মূল উদ্যানখনলৈ এই পৰিৱৰ্তনৰ কোনো প্ৰভাৱ নপৰে। তেওঁ লগতে কয় যে ইক'-চেনছিটিভ জ'ন ৰাষ্ট্ৰীয় উদ্যানৰ মূল এলেকাৰ পৰা নহয়, উদ্যানৰ সীমাৰ ❐ ৬ পৃষ্ঠাত

পুনৰ আৰম্ভ বিধায়ক অখিল গগৈ আৰু সাংসদ গৌৰৱ গগৈৰ মাজৰ বাকযুদ্ধ

## অখিল গগৈ-মুখ্যমন্ত্ৰীৰ মাজত সু-সম্পৰ্কৰ অভিযোগ গৌৰৱ গগৈৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ আগষ্ট ঃ** শিৱসাগৰত বানপানীয়ে তাণ্ডৱ চলাই থকাৰ সময়ত বিধায়ক অখিল গগৈয়ে কংগ্ৰেছ সভাপতি তথা সাংসদ গৌৰৱ গগৈক ফোন কৰি পৰিস্থিতিৰ খবৰ নোলোৱাৰ অভিযোগ উত্থাপন কৰাৰ প্ৰেক্ষাপটত আজি গৌৰৱ গগৈয়ে এক কঠোৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অখিল গগৈক তীব্ৰ কটাক্ষ কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে সাংবাদিকসকলৰ সৈতে মত বিনিময় কৰি কয়, "অখিল ❐ ৬ পৃষ্ঠাত

হাজাৰ হাজাৰ লোক সমাগম হোৱা সত্ত্বেও কাৰো হাড় এডালো ভঙা নাই ঃ ৰিজিজু

## ছাত্ৰ সমাজে আন্দোলন দমনৰ বাবে দিল্লী আৰু বিহাৰ চৰকাৰক প্ৰশংসা কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** নীট (NEET) পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল আৰু অন্যান্য গুৰুত্বপূৰ্ণ পৰীক্ষাত অনিয়মৰ বিৰুদ্ধে দেশৰ বিভিন্ন প্ৰান্তত ছাত্ৰ সমাজে চলাই থকা প্ৰতিবাদ আন্দোলনৰ প্ৰেক্ষাপটত অৱশেষত কেন্দ্ৰীয় ❐ ৭ পৃষ্ঠাত

## ১৯ আগষ্টত লোক ভৱনলৈ পদযাত্ৰাৰ আহ্বান লালু প্ৰসাদ যাদৱৰ

চৰকাৰৰ "স্বৈৰাচাৰী মনোভাৱ"ৰ বিৰুদ্ধে একত্ৰিত হোৱাৰ আহ্বান



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু ৰাষ্ট্ৰীয় জনতা দল (আৰজেডি)ৰ সৰ্বোচ্চ নেতা লালু প্ৰসাদ যাদৱে ১৯ আগষ্টত ৰাজধানী পাটনাৰ লোক ভৱনলৈ এখন বৃহৎ পদযাত্ৰাৰ আহ্বান জনাইছে। বিহাৰৰ বৰ্তমান চৰকাৰৰ "স্বৈৰাচাৰী আৰু একনায়কত্ববাদী মনোভাৱ"ৰ বিৰুদ্ধে এই পদযাত্ৰা অনুষ্ঠিত কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে। ৰাজ্যখনৰ ছিৱান জিলাত জুলাই মাহত ছাত্ৰ প্ৰতিবাদকাৰীৰ বিৰুদ্ধে আৰক্ষীয়ে AK-47 ৰাইফল চলাই গুলীচালনা কৰাৰ ঘটনাক কেন্দ্ৰ কৰি এই পদযাত্ৰা অনুষ্ঠিত কৰা হৈছে। লালু প্ৰসাদ যাদৱে কয় যে ❐ ৬ পৃষ্ঠাত

ইক' ছেনছিটিভ জ'ন শূন্য কৰাৰ দাবী ঃ 'গৌৰৱ গগৈ মূৰ্দাবাদ' ধ্বনি

## কাজিৰঙাৰ ইক' ছেনছিটিভ জ'নৰ পৰিসৰৰ বিৰুদ্ধে উত্তাল কাজিৰঙা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰস্তাৱিত পৰিৱেশ সংবেদনশীল অঞ্চল (ইক'-চেনছিটিভ জ'নৰ বিৰোধিতা কৰা যোৰহাটৰ সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ বিৰুদ্ধে আজি কলিয়াবৰত ব্যাপক প্ৰতিবাদ প্ৰকাশ পাইছে। স্থানীয় কেইবাটাও সংগঠন আৰু শ শ প্ৰতিবাদকাৰীয়ে ৰাজপথলৈ ওলাই আহি সাংসদগৰাকীৰ এই স্থিতিৰ বিৰুদ্ধে তীব্ৰ অসন্তুষ্টি প্ৰকাশ ❐ ৬ পৃষ্ঠাত




হৃদস্পন্দন বৃদ্ধি আৰু উচ্চ ৰক্তচাপৰ বাবে উদ্বিগ্ন প্ৰাক্তন ৰাষ্ট্ৰপতি আৰিফ আলভী

## ইমৰাণ খানৰ স্বাস্থ্যৰ অৱনতি; কাৰাগাৰৰ পৰা চিকিৎসালয়লৈ নিবলৈ পাকিস্তান উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ

**ইণ্টাৰনেচনেল ডেস্ক, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ খানলৈ ডাঙৰ সকাহ দি মঙলবাৰে পাকিস্তানৰ উচ্চতম ন্যায়ালয়ে তেওঁক কাৰাগাৰৰ পৰা চিকিৎসালয়লৈ স্থানান্তৰিত কৰাৰ নিৰ্দেশ প্ৰদান কৰে। প্ৰাক্তন ৰাষ্ট্ৰপতি আৰিফ ❐ ৬ পৃষ্ঠাত



কাজিৰঙাৰ ইক'-চেনছিটিভ জ'নৰ সীমা পুনৰ নিৰ্ধাৰণক লৈ আছুৰ চৰকাৰক শ্বেতপত্ৰ প্ৰকাশৰ দাবী

## "সুৰক্ষা আৰু বিকাশৰ মাজত সমন্বয় স্থাপন কৰিব লাগে, পুঁজিপতিৰ স্বাৰ্থত পৰিৱেশৰ বলি নহওক বিশ্ব ঐতিহ্যক্ষেত্ৰখন"

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জৈৱ সংবেদনশীল অঞ্চল (ইক'-চেনছিটিভ জ'ন)ৰ পৰিসৰ হ্ৰাস কৰিবলৈ অসম চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তক লৈ সদৌ অসম ছাত্ৰ সন্থাই (আছু) আজি এক গুৰুত্বপূৰ্ণ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি চৰকাৰক এখন শ্বেতপত্ৰ প্ৰকাশ কৰিবলৈ দাবী জনাইছে। ছাত্ৰ সন্থাই স্পষ্টভাৱে কৈছে যে কাজিৰঙাৰ সুৰক্ষা আৰু জৈৱ বৈচিত্ৰ্যৰ সৈতে কোনো ধৰণৰ আপোচ গ্ৰহণযোগ্য নহয়। কাজিৰঙাৰ নিকটৱৰ্তী অঞ্চলসমূহৰ উন্নয়ন আৰু আন্তঃগাঁথনিৰ প্ৰয়োজনীয়তা সম্পৰ্কে জনসাধাৰণ আৰু বিভিন্ন সংগঠনে দীৰ্ঘদিন ধৰি দাবী জনাই অহাৰ কথা স্বীকাৰ কৰিও আছুৱে কয় যে সেই উন্নয়ন কাজিৰঙাৰ গৌৰৱময় ঐতিহ্য আৰু অনন্য জৈৱ বৈচিত্ৰ্যক অক্ষুণ্ণ ৰাখিহে আগবঢ়াব লাগিব। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে যুটীয়াভাৱে প্ৰকাশ কৰা এক বিবৃতিত এই মন্তব্য আগবঢ়ায়। ছাত্ৰ সন্থাই উল্লেখ কৰে যে শেহতীয়াকৈ অসম চৰকাৰে কাজিৰঙাৰ ইক'-চেনছিটিভ জ'নৰ পৰিসৰ এক কিলোমিটাৰলৈ হ্ৰাস কৰিবলৈ লোৱা সিদ্ধান্তই ৰাজ্যখনৰ লগতে সমগ্ৰ দেশৰ প্ৰকৃতিপ্ৰেমী ❐ ৬ পৃষ্ঠাত


সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781014

কাজিৰঙা Eco-Sensitive Zone প্ৰসংগ
শ্বেতপত্ৰ প্ৰকাশ কৰক চৰকাৰে; কাজিৰঙাৰ সুৰক্ষাৰে আপোচ নচলিব ঃ ছাত্ৰ সন্থা

(শ্ৰীউৎপল শৰ্মা) সভাপতি সদৌ অসম ছাত্ৰ সন্থা
(শ্ৰীসমীৰণ ফুকন) সাধাৰণ সম্পাদক সদৌ অসম ছাত্ৰ সন্থা

প্ৰসংগঃ যোৰহাটত যুৱতীৰ ৰহস্যজনক মৃত্যুৰ ঘটনা ঃ গ্ৰেপ্তাৰ দুই বান্ধৱীক

## পলাতক মূল অভিযুক্ত আৰিয়ন গোস্বামীৰ সন্ধানত আৰক্ষীৰ তৎপৰতা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** যোৰহাটৰ দহাবৰা গাঁৱৰ গৌৰী এনক্লেভ নামৰ এপাৰ্টমেণ্ট কমপ্লেক্সত ঘটা যুৱতীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত আৰক্ষীয়ে গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। এই ঘটনাত ❐ ৬ পৃষ্ঠাত



## যন্তৰ-মন্তৰৰ ছাত্ৰ প্ৰতিবাদৰ আৰক্ষীৰ ভূমিকা তদন্ত কৰিব উচ্চতম ন্যায়ালয়ৰ উচ্চক্ষমতাসম্পন্ন সমিতিয়ে

নিৰীহ প্ৰতিবাদকাৰীৰ বিৰুদ্ধে তৰা গোচৰ বাতিলৰ সংকেত

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮আগষ্ট ঃ** মঙলবাৰে উচ্চতম ন্যায়ালয়ে জুলাই মাহত দিল্লীৰচ যন্তৰ মন্তৰত অনুষ্ঠিত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে গ্ৰহণ কৰা ভূমিকা আৰু উত্থাপিত ❐ ৬ পৃষ্ঠাত



বন সংৰক্ষণত অসমৰ অভিলেখ ঃ ভাৰতৰ ভিতৰতে সৰ্ববৃহৎ সম্প্ৰসাৰণ

## ৰাজ্যজুৰি ৪০৩.৬২ বৰ্গ কিলোমিটাৰ সংৰক্ষিত বনাঞ্চল বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** অসমৰ বন সংৰক্ষণ ইতিহাসত এক অভূতপূৰ্ব সাফল্য লাভ কৰি ৰাজ্যখনৰ সংৰক্ষিত বনাঞ্চলৰ পৰিসৰ ৪০৩.৬২ বৰ্গ কিলোমিটাৰ বৃদ্ধি কৰা হৈছে। মঙলবাৰে সামাজিক মাধ্যম এক্সত প্ৰকাশ কৰা এখন পোষ্টত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই গুৰুত্বপূৰ্ণ তথ্য ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই পদক্ষেপক সংৰক্ষণৰ ক্ষেত্ৰত এক অভূতপূৰ্ব সম্প্ৰসাৰণ বুলি অভিহিত কৰে। তেওঁ কয় যে নতুনকৈ সংযোজিত বনাঞ্চলটোৰ আয়তন প্ৰায় জয়পুৰ চহৰৰ সমান। ভাৰতৰ ভিতৰত সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰত এইটোৱেই আটাইতকৈ ❐ ৬পৃষ্ঠাত



# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পুৰুযোত্তম আঞ্চলিকৰ মূল কাৰ্যালয়ৰ (উত্তৰ পেটবঢ়া) নামঘৰৰ গুৰু আসন প্ৰতিষ্ঠা

## হৰি-নামৰ ধ্বনিৰে মুখৰ সমগ্ৰ অঞ্চল

**অসম বাৰ্তা, বেৰেজীয়া, ১৮ আগষ্ট ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পুৰুযোত্তম আঞ্চলিক শাখাৰ উত্তৰ পেটবঢ়াত স্থিত মূল কাৰ্যালয়ৰ স্থায়ী আসন ভাগ দেওবাৰে অৰ্থাৎ ১৬ আগষ্টত মাংগলিক ৰীতি নীতিৰে প্ৰতিষ্ঠা কৰা হয়। এই উপলক্ষে পুৰা পৰিবেশ নিকাৰণৰ পিছত নামঘৰৰ চৌহদত বৃক্ষ ৰোপণ কৰা হয়। তাৰ পিছতে উখল-মাখল পৰিৱেশত নামঘৰৰ স্থায়ী গুৰু আসন ভাগ পুনৰ প্ৰতিষ্ঠা কৰা হয়। নগাঁও জিলাৰ নামঘৰ পৰিচালনা সমিতিৰ সভাপতি খগেন পাতৰ বাপে গুৰু আসনখন পুনৰ প্ৰতিষ্ঠা কৰে। উক্ত অনুষ্ঠানত জেষ্ঠ নামাচাৰ্য বকুল ডেকা, আঞ্চলিকৰ প্ৰাক্তন সভাপতি যোগেন বৰা, পুৰুযোত্তম আঞ্চলিকৰ উপ সভাপতি ললিত ভেকা, পাঠাচাৰ্য বুলেশ্বৰ হাজৰিকা, জেষ্ঠ সংগী ঘন ডেকা আৰু নামাচাৰ্য হৰিনাথ বৰুৱাই আসনভাগ পুনৰ প্ৰতিষ্ঠা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। উল্লেখ যে ঘাঁহী ভাটিকুৰি প্ৰাথমিক শাখা আৰু ঘাঁহী মাধৱদেৱ প্ৰাথমিক শাখাৰ ভকত বৈষ্ণৱ সকলে নাম প্ৰসংগ কৰে। স্থায়ী গুৰু আসন পুনৰ প্ৰতিষ্ঠা অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰা, বিশিষ্ট সমাজসেৱক ৰূপন হাজৰিকা, পুৰুযোত্তম আঞ্চলিকৰ সভাপতি ৰাজেন শইকীয়া, সম্পাদক প্ৰদীপ ডেকা, আই মাতৃ কল্যাণ সমিতিৰ বিষয়ববীয়া সকল, সেৱাবাহিনীৰ সদস্য বৃন্দ আৰু বিভিন্ন প্ৰান্তৰ ভকত বৈষ্ণৱ সকল উপস্থিত থাকে। উল্লেখযোগ্য যে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত গুৰু আসন প্ৰতিষ্ঠা অনুষ্ঠানত হৰিনামৰ ধ্বনিৰে সমগ্ৰ অঞ্চলটো মুখৰিত হৈ পৰে।

# অইলৰ আৱাসিক মুখ্য বিষয়া হিচাপে কাৰ্যবাহী সঞ্চালক সঞ্জয় বাৰ্মা নিৰ্বাচিত



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৮ আগষ্ট ঃ** অইল ইণ্ডিয়া লিমিটেডৰ আৱাসিক মুখ্য বিষয়া হিচাপে কাৰ্যবাহী সঞ্চালক সঞ্জয় বাৰ্মা নিৰ্বাচিত হৈছে। অহা ৩০ ছেপ্টেম্বৰত বৰ্তমানৰ অইলৰ আৱাসিক মুখ্য বিষয়া বিনয়ানন্দ ভৰালীয়ে অৱসৰ গ্ৰহণ কৰাৰ পাছত অহা ১ অক্টোবৰৰ পৰা অইল ইণ্ডিয়া লিমিটেডৰ দুলীয়াজানস্থিত মুখ্য কাৰ্যালয়ত মুখ্য আৱাসিক বিষয়া তথা আৱাসিক মুখ্য কাৰ্যবাহী (আৰ চি ই) হিচাপে দায়িত্ব গ্ৰহণ কৰিব বৰ্তমানে অইল ইণ্ডিয়া লিমিটেডৰ ৰাজস্থানৰ যোধপুৰস্থিত ক্ষেত্ৰত কাৰ্যবাহী সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সঞ্জয় বাৰ্মাই। উল্লেখ্য যে, ২০২৫ বৰ্ষৰ ১ নৱেম্বৰত অইলৰ আৱাসিক মুখ্য কাৰ্যবাহী হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল বিনয়ানন্দ ভৰালীয়ে। ১৯৯০ চনত অইলত যোগদান কৰা সঞ্জয় বাৰ্মাই প্ৰতিষ্ঠানটোৰ বিভিন্ন পদত দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি আহিছে।

## ৩৮টা সোণৰ পদকৰে হাজো বহ্নিমান কাৰাটে একাডেমী শ্ৰেষ্ঠ দল

# ষষ্ঠ বাৰ্ষিক কামৰূপ জিলা কাৰাটে প্ৰতিযোগিতাৰ সামৰণি

**অসম বাৰ্তা, হাজো, ১৮ আগষ্ট ঃ** অসম অলিম্পিক সন্থাৰ অধীনৰ অসম কাৰাটে সন্থাৰ তত্ত্বাৱধানত আৰু কামৰূপ জিলা কাৰাটে সন্থাৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয় ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ষষ্ঠ বাৰ্ষিক কামৰূপ জিলা কাৰাটে প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। কামৰূপ জিলাৰ ১৬টা কাৰাটে ক্লাবে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত ৩২৫ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। কাটা, কুমিটে আৰু দলীয় শাখাত অনুষ্ঠিত হোৱা কাৰাটে প্ৰতিযোগিতাখনিত হাজো বহ্নিমান কাৰাটে একাডেমীয়ে ৩৮টা সোণৰ পদক লাভ কৰি শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছে। আনহাতে ২৮টা সোণৰ পদকৰে দমদমা কাৰাটে একাডেমী দ্বিতীয় আৰু ১৬টা সোণৰ পদকৰে পলাশবাৰী ছটোকান কাৰাটে একাডেমীয়ে তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হয়। কামৰূপ জিলাৰ পদক বিজয়ী সকলো খেলুৱৈৰ লগতে হাজো-শুৱালকুছি সমষ্টিৰ অন্তৰ্গত দুটাকৈ আগশাৰীৰ কাৰাটে ক্লাব বহ্নিমান কাৰাটে একাডেমী আৰু দমদমা কাৰাটে একাডেমীৰ খেলুৱৈসকলে চমকপ্ৰদ প্ৰদৰ্শন আগবঢ়াই প্ৰথম স্থান আৰু দ্বিতীয় স্থান দখল কৰাত হাজো শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে অভিনন্দন জ্ঞাপন কৰে। আনহাতে কামৰূপ জিলা কাৰাটে সন্থাৰ সভাপতি খগেন কলিতা আৰু সাধাৰণ সম্পাদক ৰূপক ৰাজবংশীয়ে পদক বিজয়ী খেলুৱৈসকলক মণ্ডল কাৰাটে প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত হোৱা সকলো খেলুৱৈকে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।

# কাৰ্বি আংলং জিলা স্বায়ত্তশাসিত পৰিষদে ভৈয়ামত বসবাস কৰা কাৰ্বিসকলক অনুসূচিত জনজাতি (পাহাৰীয়া)ৰ প্ৰমাণ পত্ৰ প্ৰদানত নিশ্চয়তা

**অসম বাৰ্তা, বিহালী, ১৮ আগষ্ট ঃ** কাৰ্বি আংলং আৰু ডিমা-হাছাও জিলাৰ বাহিৰেও অসমৰ ভৈয়াম জিলাত বসবাস কৰা প্ৰায় ৫ লাখৰো অধিক কাৰ্বি লোকসকলৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে কাৰ্বি আংলং জিলা স্বায়ত্তশাসিত পৰিষদে। যোৱা ১৬ আগষ্টত সদৌ অসম কাৰ্বি যুৱ ছাত্ৰ সন্থা আৰু কাৰ্বি কল্যাণ স্বায়ত্বশাসিত পৰিষদৰ সহযোগত ডিফুস্থিত KAAC ৰ মুখ্য কাৰ্যবাহী সদস্যৰ বাসভৱনত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা বিধায়ক ড° তুলিৰাম ৰংহাঙৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা সমাৰেশত কাৰ্বি আংলং আৰু ডিমা হাছাও জিলা স্বায়ত্তশাসিত পৰিষদীয় এলেকাৰ বাহিৰত বসবাস কৰা কাৰ্বিসকলৰ বাবে "অনুসূচিত জনজাতি (পাহাৰীয়া)" ৰ মৰ্যাদা প্ৰাপ্ত প্ৰমাণপত্ৰ লাভৰ বাবে এক সংহত প্ৰচেষ্টাৰ আশ্বাস প্ৰদান কৰে। ড° ৰংহাঙে ইয়াক ঐতিহাসিক পদক্ষেপ বুলি অভিহিত কৰি কয় যে কাৰ্বি আংলঙৰ কাৰ্বি সকলে ষষ্ঠ অনুসূচীৰ সুৰক্ষা লাভ কৰিলেও সমতল জিলাত বাস কৰা কাৰ্বি সকল দীৰ্ঘদিন ধৰি সম্প্ৰদায়টোৰ সমান সুবিধাৰ পৰা বঞ্চিত হৈ আছে। মুখ্য কাৰ্যবাহী সদস্য গৰাকীয়ে আশ্বাস প্ৰদান কৰি জিলা স্বায়ত্তশাসিত পৰিষদ আৰু কাৰ্বি কল্যাণ স্বায়ত্তশাসিত পৰিষদক লগত লৈ যৌথভাৱে অসম চৰকাৰৰ সৈতে বিষয়টোৰ সন্দৰ্ভত আলোচনা কৰি অতি সোনকালে ভৈয়ামৰ কাৰ্বিসকলক সম মৰ্যাদা প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে। আনহাতে সমাৰেশত উপস্থিত থাকি কাৰ্বি কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডঃ চাৰছিং ইংতি কাথাৰে (সংবিজিত) কয় যে ভৈয়ামত বাস কৰা কাৰ্বি সকলৰ বাবে পাহাৰীয়া জনজাতিৰ স্বীকৃতি প্ৰদান, সাংবিধানিক সুৰক্ষা আৰু কল্যাণমূলক সুৰক্ষাৰ বাবে সম্প্ৰদায়টোৰ বহুদিনীয়া দাবীৰ ওপৰত আলোকপাত কৰে। সদৌ অসম কাৰ্বি যুৱ ছাত্ৰ সন্থা (AAKYSU) ৰ সভাপতি চন্দ্ৰছিং ৰংপিয়ে আতধৰা সমাৰেশত অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ হাবে' তেৰণ, পৰিষদ সদস্য জনি তিমুং প্ৰমুখ্যে কাৰ্বি সাংস্কৃতিক সমাজ, কাৰ্বি লাম্মেত আমেইৰ লগতে বিশ্বনাথ, কামৰূপ, মৰিগাঁও, হোজাই, নগাঁও, লখিমপুৰ, গোলাঘাট, আৰু কাছাৰ জিলাৰ প্ৰতিনিধি বৰ্গই অংশগ্ৰহণ কৰে। কাৰ্বি আংলং জিলা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গৰাকীৰ এনে গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ প্ৰতি ভৈয়ামৰ কাৰ্বিসকলে একমুখে প্ৰশংসা কৰে।

## পূব মাজুলী অঞ্চলত প্ৰতিষ্ঠা হ'ব শিৰোমণি ভকত সেৱা আশ্ৰম

**অসম বাৰ্তা, মাজুলী, ১৮ আগষ্ট ঃ** মাজুলীৰ দক্ষিণ পাট কৈৱৰ্ত গাঁৱৰ নিবাসী, বিশিষ্ট লেখক, বিশিষ্ট ভাগৱত ব্যাখ্যাকাৰ তথা ধৰ্মপৰায়ণ ব্যক্তি লক্ষ্মীৰাম দুৱৰা দাসৰ ঐকান্তিক প্ৰচেষ্টাত মাজুলীৰ দক্ষিণ পাট কৈৱৰ্ত গাঁৱত ব্ৰহ্মপুত্ৰৰ নাতিদূৰৈত এক নিৰিবিলি পৰিৱেশত প্ৰতিষ্ঠা হ'ব "শিৰোমণি ভকত সেৱা আশ্ৰম নামেৰে এখনি আশ্ৰম। নিৰ্দিষ্ট সময়ত নাম-কীৰ্তন, গীতা-ভাগৱত চৰ্চা, মানৱ সেৱাৰ জৰিয়তে ঈশ্বৰ সেৱা মূলমন্ত্ৰ হিচাপে লৈ লক্ষ্মীৰাম দুৱৰাই এখনি আশ্ৰম নিৰ্মাণ কৰিবলৈ বহু দিনৰ পৰা মানস কৰি প্ৰচেষ্টা ৰাখিছিল। শিৰোমণি ভকতসেৱা আশ্ৰমৰ গুৰু আসন প্ৰতিষ্ঠাৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱৰ পবিত্ৰ চৰণৰ ধূলি সিঁচৰিত হৈ থকা শ্ৰীশ্ৰীমধুপুৰ ধাম সত্ৰ, শ্ৰীশ্ৰীকাকতকুটা সত্ৰ, শ্ৰীশ্ৰীচূণপোৰা সত্ৰ, শ্ৰীশ্ৰীগণককুছি সত্ৰ, শ্ৰীশ্ৰীপাটবাউসী সত্ৰ, শ্ৰীশ্ৰী বৰপেটা সত্ৰ, শ্ৰীশ্ৰীবৰদোৱা সত্ৰ এই পবিত্ৰ সপ্তধামৰ ভূমি, আৰু টোৰোছা নদী, আকাশী গংগা আৰু ব্ৰহ্মপুত্ৰৰ জল শ্ৰদ্ধাৰে আনি সপ্তধামৰ ভূমি সপ্ত বৈকুণ্ঠ জ্ঞান কৰি গুৰুআসন প্ৰতিষ্ঠাৰ বাবে প্ৰস্তুতি কৰিছে। সেই উদ্দেশ্যে লক্ষ্মীৰামে দক্ষিণ পাট আঞ্চলিক ৰাইজক ৰাজহুৱা সভাৰ জৰিয়তে বিষয়টো অৱগত কৰে। ৰাইজেও লক্ষ্মীৰামৰ এনে মহৎ প্ৰচেষ্টাত শলাগ লৈ সৰ্বোতপ্ৰকাৰে সহায়-সহযোগিতাৰ আশ্বাস দিয়ে। লক্ষ্মীৰামেও সকলো ৰাইজৰ শুভাশিস, সহায়-সহযোগিতা, দিহা-পৰামৰ্শ কামনা কৰিছে।

## গোলাঘাটত উদণ্ড বাইক চালকৰ খুন্দাত নিহত চাইকেল আৰোহী

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৮ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ দিনাই গোলাঘাটৰ গণকপুখুৰীত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত ফণীধৰ হাজৰিকা নামৰ এজন চাইকেল আৰোহীৰ থিতাতে নিহত হয়। জানিব পৰা মতে, মৃত ফণীধৰ হাজৰিকা নামৰ লোকজনে চাইকেলেৰে ফাৰ্মাচীলৈ দৰৱ আনিবলৈ গৈ থকা অৱস্থাত তীব্ৰ বেগত অহা এখন বাইকে প্ৰচণ্ড জোৰেৰে খুন্দা মৰাত চাইকেল আৰোহী হাজৰিকাৰ ঘটনাস্থলীতে মৃত্যু হয়। ইফালে, দুৰ্ঘটনাটোত বাইক আৰোহী যুৱক দুজন ক্ৰমে চুটু ভূঞা আৰু যদু ভূঞা গুৰুত্বৰভাৱে আহত হয়। আহত দুয়োজনকে ততাতৈয়াকৈ গোলাঘাটৰ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়।

## আৰক্ষী বিষয়া বিশ্বজিত ডেকালৈ সেৱাৰত্ন আৰু ডাঃ হিতেন্দ্ৰ কলিতালৈ স্বাস্থ্য সেৱাৰত্ন বঁটা

# অসম কবি মঞ্চ আৰু প্ৰয়াত সন্দীপ কলিতা ন্যাসৰ বঁটা প্ৰদান অনুষ্ঠান; তপন চন্দ্ৰ কলিতালৈ প্ৰজ্ঞাৰত্ন

**অসম বাৰ্তা, ৰঙিয়া, ১৮ আগষ্ট ঃ** ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অসমৰ আগশাৰীৰ সাহিত্য চৰ্চাৰ অনুষ্ঠান সদৌ অসম কবি মঞ্চ আৰু প্ৰয়াত সন্দীপ কলিতা ন্যাসৰ উদ্যোগত সোমবাৰে এক বৰ্ণাঢ্য অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ আৰম্ভণিতে সদৌ অসম কবি মঞ্চৰ পতাকা উত্তোলন কৰে সভাপতি জাভেদ জামানে। ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশন কৰা গীত, নৃত্য, কবিতাৰ দিনযোৰা বৰ্ণাঢ্য অনুষ্ঠানত অসমৰ সাহিত্য-সংস্কৃতি, সংবাদ, স্বাস্থ্য, আৰু সমাজ সেৱাৰ জৰিয়তে জাতি, ভাষা আৰু সমাজ জীৱনৰ বাবে আগবঢ়োৱা অৱদানৰ বাবে কেইবাগৰাকী বিশিষ্ট ব্যক্তিক এই বঁটাসমূহ প্ৰদান কৰা হয় লগতে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰ উত্তীৰ্ণ হৈ বৃহত্তৰ ৰঙিয়া অঞ্চললৈ সুনাম কঢ়িয়াই অনা মুঠ ছয়গৰাকী শিক্ষাৰ্থীক সন্দীপ কলিতা মেধা বঁটা প্ৰদান কৰা হয়। অসমীয়া সাহিত্য আৰু অসমৰ সংবাদ মাধ্যমৰ লগতে অসমীয়া জাতীয় জীৱনলৈ উল্লেখনীয় অৱদান আগবঢ়োৱা বিশিষ্ট লেখক, সমালোচক তথা বিশিষ্ট সাংবাদিক অসমীয়া প্ৰতিদিনৰ সহকাৰী সম্পাদক তপন চন্দ্ৰ কলিতালৈ সদৌ অসম কবি মঞ্চৰ সৰ্বোচ্চ সন্মান ২০২৬ বৰ্ষৰ প্ৰজ্ঞাৰত্ন বঁটা প্ৰদান কৰা হয়। আৰক্ষী সেৱাৰ জৰিয়তে অসমীয়া সমাজ জীৱনলৈ আগবঢ়োৱা ত্যাগ আৰু সেৱাৰ বাবে ৰঙিয়া সমজিলাৰ আৰক্ষী অধীক্ষক বিশ্বজিত ডেকা, দিশপুৰ আৰক্ষী থানাৰ অতিৰিক্ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৃষ্ণ কান্ত লস্কৰ আৰু বিশিষ্ট সমাজসেৱক, তথা সদৌ অসম গৰীয়া মৰীয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপসভাপতি চহীদ আলী আহমেদক ২০২৬ বৰ্ষৰ সেৱাৰত্ন বঁটা প্ৰদান কৰা হয়। আনহাতে চিকিৎসা সেৱাৰ জৰিয়তে অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা নীৰৱচ্ছিন্ন সেৱাৰ বাবে বিশিষ্ট চিকিৎসক ডাঃ হিতেন্দ্ৰ কলিতা আৰু ডাঃ নৱ কুমাৰ ডেকালৈ আগবঢ়োৱা হয় ২০২৬ বৰ্ষৰ স্বাস্থ্য সেৱাৰত্ন বঁটা। আন্তঃ ৰাষ্ট্ৰীয় মেণ্ডোলিন বাদল কুন্তল চক্ৰৱৰ্তীলৈ আগবঢ়োৱা হয় ২০২৬ বৰ্ষৰ কলাৰত্ন বঁটা। অসমৰ সংবাদ জগতলৈ নিষ্ঠা ত্যাগ আৰু সততাৰে সেৱা আগবঢ়াই অহা জ্যেষ্ঠ সাংবাদিক, তথা অসম বাৰ্তাজীৱি সংঘৰ সাধাৰণ সম্পাদক অঞ্জন কুমাৰ শৰ্মালৈ ২০২৬ বৰ্ষৰ সংবাদ বৈভৱ বঁটা আগবঢ়োৱাৰ লগতে Dy365 ৰঙিয়াৰ সাংবাদিক হানিফ আলী আৰু Dy365 গুৱাহাটীৰ সাংবাদিক জয়ন্ত শৰ্মালৈ ২০২৬ বৰ্ষৰ সংবাদৰত্ন বঁটা আগবঢ়োৱা হয়। বিশিষ্ট শিক্ষাবিদ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী অধ্যাপক প্ৰশান্ত শৰ্মালৈ ২০২৬ বৰ্ষৰ শিক্ষাৰত্ন বঁটা আগবঢ়োৱা হয়। বিশিষ্ট সাহিত্যিক তথা শিক্ষাবিদ ব্ৰজেন্দ্ৰ দেৱ মোহন শৰ্মাৰ লগতে বিশিষ্ট লেখিকা অঞ্জলি বৰদলৈ আৰু দিপলু শৰ্মালৈ ২০২৬ বৰ্ষৰ প্ৰজ্ঞাশ্ৰী বঁটা প্ৰদান কৰা হয়। যুৱ আবৃত্তিকাৰ যৱনিকা বৰুৱা আৰু লতাশ্ৰী দত্তক ২০২৬ বৰ্ষৰ কাব্যকণ্ঠ বঁটা প্ৰদান কৰা হয় আৰু লেখিকা দীপামণি মহন্ত, গীতা পগাগ দলে, কল্পিতা দত্ত, বুলবুল শৰ্মা আৰু জলি গোস্বামী সভাপণ্ডিতলৈ আগবঢ়োৱা হয় ২০২৬ বৰ্ষৰ প্ৰজ্ঞাৰ সাধনা বঁটা। ইয়াৰোপৰি ৰঙিয়াৰ যুৱ সমাজকৰ্মী চুভিত কুমাৰ কলিতা, ৰুহুল আলী আহমেদ ধ্ৰুৱজ্যোতি কলিতা আৰু ক্ৰীড়া উদ্যোগী নাৰায়ন দত্তলৈ যুৱ উদ্যমী বঁটা ২০২৬ আগবঢ়োৱা হয়। আনুষ্ঠানত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মুঠ ছয়গৰাকী শিক্ষাৰ্থীলৈ সন্দীপ কলিতা মেধা বঁটা প্ৰদান হয়। এই বঁটাত প্ৰতিবছৰৰ দৰে প্ৰয়াত সন্দীপ কলিতা ন্যাসৰ তৰফৰ পৰা প্ৰতিজন শিক্ষাৰ্থীলৈ দহ হাজাৰকৈ টকা আগবঢ়ায় ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ ভুবনেশ্বৰ কলিতাই। ২০২৬ বৰ্ষৰ সন্দীপ কলিতা মেধা বঁটা লাভ কৰিবলৈ সক্ষম হৈছে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পাৰ্থপ্ৰতীম লহকৰ, ধিমান কলিতা, গীতাৰ্থ দাস আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অৰ্জুন ৰাজ বড়ো (কলা শাখা), কৃযুব নন্দী (বাণিজ্য শাখা)। বিশিষ্ট সমাজসেৱক তথা ৰঙিয়া পৌৰসভাৰ কাৰ্যবাহী অভিযন্তা বসন্ত কুমাৰ ডেকা, সমাজসেৱিকা মঞ্জু কলিতাৰ লগতে বিশিষ্ট সমাজসেৱক সুনীল জৈন, কৈলাস জৈন আৰু দেৱাশিস সাহাই বন্তী প্ৰজ্জ্বলন কৰা গাম্ভীৰ্যপূৰ্ণ এই অনুষ্ঠানৰ উদ্বোধন কৰে শিক্ষাবিদ শিক্ষাবিদ ড° হীৰেণ ডেকাই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰাজ্যসভাৰ সাংসদ ভুবনেশ্বৰ কলিতা। এমন্ত্ৰণৰ উপ-প্ৰবন্ধক তথা দাপোণ সাংস্কৃতিক কাকতৰ মুখ্য সম্পাদক দিনমণি ভাণ্ডাৰ কায়স্থ। শিক্ষাবিদ মোহন মাধৱ বৰ্মনৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত সদৌ অসম কবি মঞ্চৰ মুখপত্ৰ প্ৰজ্ঞাৰ সন্ধানত একবিংশতিতম সংখ্যা উন্মোচন কৰাৰ লগতে শতাধিক কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। ৰঙিয়া মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে চাৰি শতাধিক ছাত্ৰ-ছাত্ৰী অনুষ্ঠানত উপস্থিত থকে। অনুষ্ঠানত ৰঙিয়া মহাবিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশন কৰা গীত নৃত্য আৰু কবিতা পাঠে অনুষ্ঠানটো জীপাল কৰি তোলে। সদৌ অসম কবি মঞ্চৰ প্ৰধান সম্পাদক জিতু কাঞ্চনে আত ধৰা অনুষ্ঠানৰ আদৰণি ভাষণ ৰাখে সদৌ অসম কবি মঞ্চৰ সভাপতি জাভেদ জামানে। অনুষ্ঠানটোত কাৰ্যকৰী সভাপতি সৰোজিনী বসুমতাৰী, হীৰামণি লাহন, উপসভাপতি ভাস্কৰ কলিতা, যুটীয়া সম্পাদক চাকিল আহমেদ, সহঃ সম্পাদক কুলদীপ গৌতম শৰ্মা, ফাৰুক আলী আহমেদৰ লগতে সদৌ অসম কবি মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সকলো বিষয় ববীয়া আৰু শতাধিক কবি অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানৰ শেষত অনুষ্ঠানত উপস্থিত থাকি অনুষ্ঠানটি সাফল্য মণ্ডিত কৰি তোলা বাবে মঞ্চৰ প্ৰধান সম্পাদক জিতু কাঞ্চনে সকলোকে ধন্যবাদ জনায়।

# বৰপেটাৰ উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা

**অসম বাৰ্তা, বৰপেটাসদৰ, ১৮ আগষ্ট ঃ** বৰপেটাৰ জিলা আয়ুক্ত নৱদীপ পাঠকৰ পৌৰোহিত্যত আজি বৰপেটা আৱৰ্ত ভৱনৰ সন্মিলন কক্ষত আগষ্ট মাহৰ জিলা উন্নয়ন কমিটি ডিডিচিৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনৰ বিভিন্ন উন্নয়নমূলক আঁচনি আৰু প্ৰকল্পসমূহৰ ৰূপায়ণৰ অগ্ৰগতি আৰু বৰ্তমানৰ স্থিতি পৰ্যালোচনা কৰা হয়। বিভিন্ন বিভাগৰ কাম-কাজৰ প্ৰদৰ্শন, চলি থকা কামৰ অগ্ৰগতি আৰু মূল উন্নয়নমূলক সূচকসমূহৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়। ইয়াৰ উপৰি নীতি আয়োগ (NITI Aayog) আৰু মুখ্যমন্ত্ৰীৰ ডেশ্বৰ্বৰ্ডৰ সূচকসমূহৰ শেহতীয়া স্থিতি পৰ্যালোচনা কৰি দক্ষতা বৃদ্ধি আৰু সময়মতে কামসমূহ সম্পন্ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। জিলা আয়ুক্ত গৰাকীয়ে বিভিন্ন বিভাগৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয় আৰু ৰাইজক সঠিক সময়ত সুবিধাসমূহ প্ৰদান কৰাৰ বাবে আন্তঃবিভাগীয় সমন্বয়, নিয়মীয়া পৰ্যবেক্ষণ আৰু উন্নয়নমূলক প্ৰকল্পসমূহ সময়মতে সম্পূৰ্ণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত সকল, খণ্ড উন্নয়ন বিষয়াসকল, জিলাৰ জ্যেষ্ঠ বিষয়াসকল আৰু সংশ্লিষ্ট বিভাগ সমূহৰ মুৰব্বী বিষয়া সকল উপস্থিত থাকে। বিভাগীয় বিষয়াসকলক আঁচনি আৰু প্ৰকল্পসমূহৰ ওপৰত চোকা নজৰ ৰাখিবলৈ আৰু বাকী থকা কামসমূহ ক্ষিপ্ৰতাৰে সমাধান কৰিবলৈ জিলা আয়ুক্তয়ে নিৰ্দেশ দিয়ে।

NAME CORRECTION

My true and correct name is JAMIDA BIBI which is recorded in my PAN Card vide no. DKHPB3606P and Aadhar card vide no. 9538 2334 8400 and other relevant documents. That due to bonafide mistake my name has been wrongly recorded in my Assam Gramin Vikash Bank pass book vide A/No. 7150010036412 ?s JAMIDA BEWA in place of JAMIDA BIBI. That, both the names Jamida Bewa and Jamida Bibi are the same and one identical person i.e. myself.

S/d
JAMIDA BIBI
W/O- Rabial Islam
Vill: Barshi pt 1
P.O.- Lakhiganj, Pin- 783345
P.S.- Bilasipara,
Dist.- Dhubri, Assam

AB-122/2026

# অৱসৰী অধ্যাপক পৰাগজ্যোতি বৰাৰ দেহাৱসান

**অসম বাৰ্তা, চেলেংহাট, ১৮ আগষ্ট ঃ** মৰিজাঁজী চেঁচা সত্ৰ নিবাসী, গড়গাঁও মহাবিদ্যালয়ৰ ভূ-তত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট সমাজকৰ্মী, বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ অন্যতম গুৰি ধৰোঁতা পৰাগ জ্যোতি বৰাৰ আজি দিনৰ প্ৰায় ১১-৪০ বজাত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৮ বছৰ। উচ্চ ৰক্তচাপজনিত জটিলতাৰ ফলত তেওঁৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। অত্যন্ত অমায়িক, সৰল আৰু সমাজমুখী ব্যক্তিত্বৰ অধিকাৰী পৰাগ জ্যোতি বৰাই নিজৰ কৰ্ম আৰু সামাজিক দায়বদ্ধতাৰ জৰিয়তে অঞ্চলটোত এক সুকীয়া পৰিচয় গঢ়ি তুলিছিল। শিক্ষা আৰু অধ্যাপনা ক্ষেত্ৰৰ লগতে সামাজিক, সাংস্কৃতিক আৰু জনকল্যাণমূলক কাম-কাজৰ সৈতে তেওঁ ওতপ্ৰোতভাৱে জড়িত আছিল। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ তেওঁ বহু ইতিবাচক কামৰ নেতৃত্ব দিছিল। বিশেষকৈ মৰিজাঁজী কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ এগৰাকী অন্যতম মূল উদ্যোক্তা আৰু গুৰি ধৰোঁতা হিচাপে পৰাগ জ্যোতি বৰাৰ অৱদান স্মৰণীয় হৈ থাকিব। বিহু আৰু অসমীয়া লোক-সংস্কৃতিৰ প্ৰতি তেওঁৰ গভীৰ অনুৰাগ আৰু সাংস্কৃতিক অনুষ্ঠানসমূহক সুসংগঠিত ৰূপত আগবঢ়াই নিয়াৰ প্ৰচেষ্টাই অঞ্চলটোৰ সাংস্কৃতিক পৰিৱেশ সমৃদ্ধ কৰিছিল। মৰিজাঁজী এম.ভি. বিদ্যালয়ৰ পৰা প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাৰ পিছত মৰিজাঁজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক শিক্ষা সম্পূৰ্ণ কৰি পৰৱৰ্তী সময়ত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি গড়গাঁও মহাবিদ্যালয়ৰ ভূ-তত্ত্ব বিভাগত অধ্যাপনা জীৱন আৰম্ভ কৰে। সুদীৰ্ঘ শিক্ষকতা জীৱনৰ অন্তত তেওঁ মহাবিদ্যালয়খনৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁৰ মৃত্যুৰ খবৰে মৰিজাঁজী তথা সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। এগৰাকী দক্ষ শিক্ষাবিদ, সমাজ সংগঠক, সাংস্কৃতিক কৰ্মী আৰু অমায়িক সমাজহিতৈষী হিচাপে পৰাগ জ্যোতি বৰাই আগবঢ়াই যোৱা অৱদান তেওঁৰ অনুপস্থিতিতো সমাজে স্মৰণ কৰি থাকিব। মৃত্যুৰ সময়ত তেওঁ পৰিয়ালত একমাত্ৰ পুত্ৰৰ লগতে আত্মীয়-স্বজন, ইষ্ট-কুটুম্ব আৰু অসংখ্য গুণমুগ্ধক শোকসাগৰত এৰি থৈ যায়। তেওঁৰ বিয়োগত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, সামাজিক আৰু সাংস্কৃতিক সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। পৰাগ জ্যোতি বৰাৰ মৃত্যু কেৱল এটা পৰিয়ালৰ বাবেই নহয়, সমগ্ৰ মৰিজাঁজী অঞ্চলৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ বাবেও এক অপূৰণীয় ক্ষতি।

## চিকিৎসাৰ গাফিলতিত মাতৃ-পোৱালি দুয়োটাৰে মৃত্যুত, স্থানীয় ৰাইজৰ তীব্ৰ ক্ষোভ

# নুমলীগড়ত গৰ্ভৱতী বনৰীয়া হাতীৰ কৰুণ মৃত্যু

**অসম বাৰ্তা, নুমলীগড়, ১৮ আগষ্ট ঃ** বৃহত্তৰ নুমলীগড়ৰ অন্তৰ্গত বকিয়াল খণ্ড বন বিভাগৰ কাৰ্যালয়ৰ অন্তৰ্গত লেটেকুজান চাহ বাগিছাৰ দৈগ্ৰোং শাখাৰ বাঁহ বাৰীত সোমবাৰে এজনী বনৰীয়া হাতীৰ মৃত্যু হয়। দুৰ্গা নামেৰে জনাজাত এই হাতীজনী খুমটাই সমষ্টিৰ বকিয়াল বন খণ্ডৰ অধীনস্থ চাহ বাগিচাৰ মাজৰ নলাত পৰি থকা মৃত অৱস্থাত পোৱা যায়। স্থানীয় লোক আৰু সংৰক্ষণবাদী সকলৰ মতে, হাতীজনী গৰ্ভৱতী আছিল আৰু গৰ্ভত এটা পূৰ্ণবয়স্ক পোৱালি লৈয়ে হাতীজনীয়ে কৰুণ মৃত্যুক সাবতি ল'ব লগা হয়। মৰণোত্তৰ পৰীক্ষাত এই তথ্য নিশ্চিত হোৱাৰ পাছত স্থানীয়সকলে এই মৃত্যুৰ বাবে বিভাগৰ চিকিৎসা গাফিলতি বুলি অভিযোগ কৰিছে। দুৰ্গা কেইবাদিন ধৰি গুৰুতৰভাৱে অসুস্থ হৈ আছিল। শেষৰ কেইদিনমানত যোনিপথ বা প্ৰস্ৰাৱৰ জৰিয়তে ৰক্তস্ৰাৱ হৈ আছিল বুলি স্থানীয়সকলে জনাইছে। তথাপিও বন বিভাগৰ পৰা সময়মতে উপযুক্ত চিকিৎসা প্ৰদান নকৰাৰ অভিযোগ উত্থাপন হৈছে। জানিব পৰা মতে এজন চিকিৎসকে হাতীজনী পৰীক্ষা কৰি 'বিশেষ সমস্যা নাই' বুলি মন্তব্য কৰাৰ কেইঘণ্টামানৰ ভিতৰতেই হাতীজনীৰ মৃত্যু হয়। মৰণোত্তৰ পৰীক্ষাৰ অন্তত হাতীজনীৰ মৃতদেহ চাহ বাগিচাৰ ভিতৰতে সমাধিস্থ কৰা হয়। দীৰ্ঘদিনীয়া যন্ত্ৰণা ভোগ কৰি থকা হাতীজনীৰ ক্ষেত্ৰত কিছু অন্য আনুষংগিক কথা পোহৰলৈ আহিছে। হাতীজনীৰ দেহত স্থাপন কৰা ৰেডিঅ' কলাৰ ইতিমধ্যে নষ্ট হৈছিল বুলি জনোৱা হৈছিল। বনৰীয়া হাতীৰ জাকটোৰ এই বিশেষ হাতীজনীক দেখা আৰু চিনি পোৱা সকলে দুৰ্গা নামেৰে পৰিচিত। দুৰ্গাৰ মৃত্যু কেৱল এটা বিশেষ ঘটনা নহয়। প্ৰায় তিনি বছৰ ধৰি হাতীজনীৰ ডিঙিত এটা নষ্ট আৰু গধুৰ (প্ৰায় ১৯-২০ কিলোগ্ৰাম ওজনৰ) ৰেডিঅ' কলাৰ লাগি আছিল। ২০২৩ চনত বন বিভাগ আৰু বাংগালুৰুস্থিত এছিয়ান নেচাৰ কনজাৰ্ভেচন ফাউণ্ডেশ্যনৰ সহযোগত এই ৰেডডিঅ কলাৰ লগোৱা হৈছিল। বনৰীয়া হাতীৰ জাকটো কেনি গৈছে তাৰ অৱস্থান সম্পৰ্কেবনবিভাগে জানি থাকিবৰ বাবে এই ৰেডডিঅ কলাৰ লগোৱা হৈছিল। বেটাৰী শেষ হোৱাৰ পাছতো কলাৰটো নিজে নিজে নোলোৱা হ'ল আৰু হাতীজনীৰ গতিবিধিত বাধাৰ সৃষ্টি কৰিলে। এলিফেণ্ট মনিটৰছ অসম নামৰ সংগঠনটোৱে মাৰ্চ ২০২৬ৰ পৰাই এই কলাৰ আঁতৰোৱাৰ বাবে আৰু চিকিৎসাৰ বাবে বন বিভাগ, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় পৰ্যায়ত আবেদন জনাই আহিছিল বুলি জানিব পৰা গৈছে। কিন্তু কোনো কাৰ্যকৰী পদক্ষেপ লোৱা ইতিমধ্যে গ্ৰহণ কৰা নহ'ল। চিকিৎসকৰ পৰীক্ষাত দুৰ্গাৰ দুয়োটা চকুৰ ভিট্ৰিয়াছ হিউমৰ হেৰাই যোৱা (প্ৰায় অন্ধত্ব) আৰু বাওঁফালৰ আগৰ ভৰিত খোৱা ওলোৱাৰ কথা উল্লেখ আছিল। কলাৰটোৱে হাতীজনীৰ শাৰীৰিক অৱস্থা আৰু অধিক শোচনীয় কৰি তুলিছিল। মৰণোত্তৰ পৰীক্ষাৰ স্থলীত উপস্থিত স্থানীয় ৰাইজে বন বিভাগ আৰু চিকিৎসকসকলৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। তেওঁলোকৰ মতে, হাতীজনী কেইবাদিন ধৰি চাহ বাগিচাৰ মাজত অসুস্থ অৱস্থাত পৰি আছিল। স্থানীয়সকলে বাৰে বাৰে সহায় বিচাৰিলেও কোনো বিষয়া বা চিকিৎসক দল উপস্থিত নহ'ল। সময়মতে চিকিৎসা লাভ কৰা হ'লে মাতৃ আৰু পোৱালি দুয়োটাকে ৰক্ষা কৰিব পৰা গ'লহেঁতেন, এই কথা স্থানীয় এগৰাকী নাগৰিকে অতি ক্ষোভেৰে প্ৰকাশ কৰে। এলিফেণ্ট মনিটৰছ অসমৰ পক্ষৰ পৰা জাননী দিয়া হৈছে যে, দুৰ্গাৰ মৃত্যু, প্ৰজাতিটোৰ প্ৰতি চৰকাৰী উদাসীনতাৰ এক জ্বলন্ত উদাহৰণ। তেওঁলোকে পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ক বনৰীয়া হাতীত ৰেডিঅ' কলাৰ লগোৱা আৰু নিৰীক্ষণৰ বাবে কঠোৰ নিয়মাৱলী প্ৰণয়ন কৰিবলৈ আহ্বান জনাইছে। লগতে দায়িত্বত থকা বিষয়াসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। নুমলীগড় অঞ্চলত হাতী-মানুহ সংঘাত আৰু বনৰীয়া হাতীৰ মৃত্যুৰ ঘটনা ইতিমধ্যেই উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। দুৰ্গাৰ এই কৰুণ মৃত্যুৱে পুনৰ এবাৰ বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত সময়মতে বিভাগৰ উপযুক্ত হস্তক্ষেপ আৰু দায়িত্বশীলতা, আৰু বন্যপ্ৰাণী সংৰক্ষণ আইনৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাটো অতি প্ৰয়োজন বুলি বিবেচিত হৈছে।

NAME CORRECTION

My true and correct name is DHUPESHWARI DEVI which is recorded in my PAN Card vide no. FXGPD5826R and Aadhar card vide no. 7843 5325 9898 and other relevant documents. That due to bonafide mistake my name has been wrongly recorded in my Assam Gramin Vikash Bank pass book vide A/No. 7150010002716 ?s Dhupeswari Nath in place of Dhupeshwari Devi. That, both the names Dhupeshwari Devi and Dhupeswari Nath are the same and one identical person i.e. myself.

S/d
DHUPESHWARI DEVI
W/O Tiren Chandra Nath,
Vill- Singimari,
P.O.- Lakhiganj, Pin- 783345
P.S.- Bilasipara,
Dist.- Dhubri, Assam

AB-121/2026

# ৰহা পূৱ সৰাগাঁৱত বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন

## ৬০গৰাকী কৃতীমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন



**অসম বাৰ্তা, ৰহা, ১৮ আগষ্ট ঃ** ৰহা সম জিলাৰ অন্তৰ্গত পূৱ সৰাগাঁও ৰাজহুৱা মঞ্চত ৰহা পূৱ সৰাগাঁও ববৰাআটি মধুপুৰ ৰঙালী বিহু উৎসৱ উদযাপন সমিতি আৰু পূৱ সৰাগাঁও সেউজ সাধনা শিল্পী সমাজে ৬০ গৰাকী কৃতী মান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। ৰহা পূব সৰাগাঁও ৰাজহুৱা মঞ্চত বিয়লি ৪ বজাত ৰহা পূৱ সৰাগাঁও ববৰাআটি মধুপুৰ ৰঙালী বিহু উৎসৱ উদযাপন সমিতি আৰু পূৱ সৰাগাঁও সেউজ সাধনা শিল্পী সমাজৰ উদ্যোগত অনুষ্ঠিত বিশেষ অভিনন্দন অনুষ্ঠান টি অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক কিনাৰাম বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত হয়। মৃণ্ময় বৰদলৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত আদৰণি ভাষণ আৰু অভিনন্দন অনুষ্ঠানটো আঁত ধৰে কবি, সু-লেখক শিক্ষক লক্ষ্মীপ্ৰসাদ ডেকা সহযোগী হিচাপে অভিনন্দন অনুষ্ঠানটো আঁত ধৰে শৈলেন্দ্ৰ সেনাপতিয়ে। অভিনন্দন অনুষ্ঠানত ঐতিহ্য মণ্ডিত ৰহা মহাবিদ্যালয়ৰ পৰা সদ্য ঘোষিত স্নাতক বৰ্ষৰ শিক্ষান্ত পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি সুনাম কঢ়িয়াই অনা জবামণি মেধিক ফুলাম গামোচা, চেলেং, জাপি, আৰু লক্ষ্মী প্ৰসাদ ডেকা আৰু ৰুটিলা দেউৰীয়ে মাননি প্ৰদান কৰে। হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ গাঁৱলৈ গৌৰৱ কঢ়িয়াই অনা ৬০গৰাকী কৃতী মান ছাত্ৰ-ছাত্ৰীক এখন এখন ফুলাম গামোচা, মানপত্ৰ প্ৰদান কৰি অভিনন্দন জনোৱা উপৰিও পূৱ সৰাগাঁৱৰ নিবাসী মহেন্দ্ৰ বৰদলৈ আৰু জুৰি বৰদলৈ সন্তান জিষ্ণু বৰদলৈয়ে যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা ইলেট্ৰিকেলত অভিযন্তা হিচাপে সুখ্যাতিৰে উত্তীৰ্ণ হোৱা, নগাঁও বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাত সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰা পূৰ্বীশ্ৰী কুমকুম বৰদলৈ ২০২৫ বৰ্ষত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত গাঁৱখনৰ ভিতৰত কলা শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰা কস্তুৰীমা ডেকাক বিশেষ ভাৱে অভিনন্দন জনোৱা হয়। সকলো কৃতী মান ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। অভিনন্দন অনুষ্ঠানৰ আৰম্ভণিতেই সুধাকণ্ঠ ড° ভুপেন হাজৰিকা আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত সৰাৰজা সমৰ সিং ডেকা, বুঢ়া মেধি কণপাই মেধিৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু তনুশ্ৰী বৰদলৈয়ে মাটি আখৰা পৰিবেশনেৰে শুভাৰম্ভ কৰাৰ লগতে বিশেষ অভিনন্দন অনুষ্ঠানত ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, ৰহা সমজিলা আৰক্ষী অধীক্ষক সোণমনি শইকীয়া, তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য সৰোজ কোঁৱৰ সদৌ তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰহ্লাদ কুমাৰ মছৰং, ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জয় কুমাৰ কাকতি, ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক ভাৰত বৰুৱা, ৰহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা ড° নন্দিতা গোস্বামী, শিক্ষাবিদ শ্বেত মাধৱ মহন্ত, ৰহা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি তথা অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক হেমকান্ত শইকীয়া, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নগাঁও জিলা সহকাৰী সম্পাদক নিলোৎপল হাজৰিকা, ৰহা আঞ্চলিক সমিতিৰ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উপদেষ্টা হৰি ৰাজখোৱা, হিমেন্দ্ৰ নাথ, গাঁও প্ৰধান খৰ্গ কান্ত ডেকা, ৰহা আঞ্চলিক সাংবাদিক সংস্থাৰ সম্পাদক দিব্যজ্যোতি বৰঠাকুৰ, জ্যেষ্ঠ সাংবাদিক দীপক দাস, ফুনু শৰ্মা, পলাশ হাজৰিকা, চয়েল খেতান, অসীম চেত্ৰী, ইন্দ্ৰ নাথ, নৱজ্যোতি ভূঞা, সঞ্জীৱ দাস, সমাজ কৰ্মী উত্তম ডেকা, লক্ষ্মীধৰ নাথ, প্ৰদীপ হীৰা, মনেশ্বৰ বৰদলৈ, হৰি বৰদলৈ, গিৰিশ নাথ, সমাজ সেৱিকা হিমাক্ষী বৰদলৈ, জোনটি বৰদলৈ শিক্ষয়িত্ৰী ৰুটিলা দেউৰী, অৱসৰ প্ৰাপ্ত কৰ্মচাৰী সৰ্বেশ্বৰ বৰদলৈ সহ ৰহা পূৱ সৰাগাঁও ববৰাআটি মধুপুৰ ৰঙালী বিহু উৎসৱ উদযাপন সমিতি আৰু পূৱ সৰাগাঁও সেউজ সাধনা শিল্পী সমাজৰ সদস্য-সদস্যা, ছাত্ৰ-ছাত্ৰী, স্থানীয় ৰাইজ আৰু বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# লীলাবাৰীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, বিদ্যালয়ত স্বাধীনতা দিৱস পালন

**অসম বাৰ্তা, লীলাবাৰী, ১৮ আগষ্ট ঃ** ৮০ সংখ্যক স্বাধীনতা দিৱস সমগ্ৰ দেশৰ সমান্তৰালকৈ লখিমপুৰৰ লীলাবাৰী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠানতো স্বাধীনতাৰ উৎসৱ পালন কৰা হয়। অঞ্চলটোৰ প্ৰতিখন বিদ্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলিত হ'ল। লীলাবাৰীৰ জুনুবস্তি যুৱ সংঘৰ উদ্যোগত অনুষ্ঠিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত গৱেষক, সাংবাদিক মিণ্টু মিঞ্জুৱে পতাকা উত্তোলন কৰে। যুৱ সংঘৰ সম্পাদক বিপিন ৰৌতিয়াই আঁত ধৰা কাৰ্যসূচীটিত পতাকা উত্তোলনৰ পাছতে কণ-কণ ল'ৰা-ছোৱালীৰ লগতে পুৰুষ-মহিলাই বিভিন্ন প্ৰতিযোগিতাত অংশ লয়। সমান্তৰালকৈ বালিজান গাঁৱতো স্বাধীনতা দিৱস উপলক্ষে উখলমাখল পৰিৱেশে বিৰাজ কৰে। দৌৰ, উঠা-বহা, টেকেলি ভঙা, কলগছত উঠা, ঘূৰণীয়া চকী আদি বিভিন্ন খেল-ধেমালীৰে দিৱসটি উদ্‌যাপন কৰে। লীলাবাৰীৰ নৱোজ্জ্বল হাইস্কুল, উজ্জ্বলপুৰ হাইস্কুল, কাকৈ ৰাজগড় হাইস্কুল, আদিবাসী জুনুবস্তি হাইস্কুল, বালিজান এমই স্কুল, বালিজান এলপি স্কুল, আঙ্গণবাড়ী কেন্দ্ৰ আদি বিদ্যালয়ৰ লগতে জুনুবস্তি যুৱ সংঘ, বালিজান মিলনজ্যোতি যুৱ সংঘৰ উদ্যোগত দিৱসটিৰ পতাকা উত্তোলিত হোৱাৰ লগতে বিভিন্ন খেল-ধেমালী অনুষ্ঠিত হয়।

# কাকৈ ৰাজগড় যুৱ মঞ্চৰ উদ্যোগত মাৰাথান দৌৰ প্ৰতিযোগিতা




**অসম বাৰ্তা, লীলাবাৰী, ১৮ আগষ্ট ঃ** ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত আৰু স্বাস্থ্য সচেতনতাৰ লক্ষ্যৰে ৮০ সংখ্যক স্বাধীনতা দিৱসৰ দিনা কাকৈ ৰাজগড় যুৱমঞ্চৰ উদ্যোগত মাৰাথান দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। লীলাবাৰী বিমান বন্দৰ সমীপৰ পৰা কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰলৈ ১৫ আগষ্টৰ পুৱা ৫ বজাত মাৰাথান দৌৰৰ আৰম্ভণি হয়। কাকৈ ৰাজগড় যুৱ মঞ্চৰ বিষয়ববীয়া বিতোপন শৰ্মা সহিতে স্থানীয় সমাজ সচেতকে প্ৰতিযোগিতাটিৰ উদ্বোধন কৰে। অৰ্ধশতাধিক যুৱকে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত ধীৰাজ শৰ্ম্মাই প্ৰথম, কল্যাণ বৰাই দ্বিতীয়, ৰিজুল আলিয়ে তৃতীয় আৰু দিব্যজ্যোতি বড়াই চতুৰ্থ স্থান লাভ কৰে। উদ্যোক্তা বিতোপন শৰ্ম্মাই কয়, স্বাস্থ্য আমাৰ পৰম সম্পদ। দৌৰ একপ্ৰকাৰৰ ব্যায়াম। মোবাইলৰ ভিডিঅ' গেমৰ প্ৰতি থকা আসক্তি আঁতৰোৱাটো যুৱ মঞ্চৰ লক্ষ্য।

# স্বাধীনতা দিৱসৰ পৱিত্ৰ দিনাই মেৰাপানীত নতুন নামঘৰ প্ৰতিষ্ঠা

**অসম বাৰ্তা, মেৰাপানী, ১৮ আগষ্ট ঃ** দেশজুৰি ৮০সংখ্যক স্বাধীনতা দিৱস উদযাপনৰ আনন্দ-উৎসাহৰ মাজতে মেৰাপানীৰ ১নং কৃষ্ণাশ্ৰমী গাঁৱত এক আধ্যাত্মিক আৰু ভক্তিমূলক পৰিৱেশৰ মাজেৰে নতুন নামঘৰ প্ৰতিষ্ঠা কৰা হয়। এক শৰণ ভাগৱতী সমাজৰ অন্তৰ্গত গাঁওখনৰ ৩০টা পৰিয়ালৰ উদ্যোগত নিৰ্মাণ কৰা এই নামঘৰটোৱে অঞ্চলটোৰ ধৰ্মীয় আৰু সামাজিক জীৱনত এক নতুন সংযোজন ঘটালে। নতুন নামঘৰ নিৰ্মাণৰ বাবে মূল্যৱান ভূমি দান কৰা বুঢ়া ভকত জীৱন দাসক নামঘৰ সমিতি আৰু স্থানীয় ৰাইজে বিশেষভাৱে সন্মান জনায়। গায়ন-বায়নৰ মাংগলিক ধ্বনিৰে প্ৰায় এক কিলোমিটাৰ পথ আদৰণি জনাই তেওঁক নামঘৰ প্ৰাংগণলৈ লৈ অহা হয়। ভক্তিৰসত মুখৰিত পৰিৱেশৰ মাজতে ফিতা কাটি নতুন নামঘৰৰ শুভ উদ্বোধন কৰা হয়। উদ্বোধনী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি পুৱাৰ ভাগত পাট-প্ৰসংগ অনুষ্ঠিত হয়। ইয়াৰ পিছতে উপস্থিত ভকত-বৈষ্ণৱসকলক আদৰণি জনোৱাৰ লগতে ধৰ্মীয় ৰীতি-নীতিৰে বিভিন্ন কাৰ্যসূচী সম্পন্ন কৰা হয়। দুপৰীয়াৰ ভাগত অনুষ্ঠিত হয় নাম-প্ৰসংগ। নাম-প্ৰসংগৰ সময়ত গায়ন-বায়নৰ সুৰ আৰু হৰিনামৰ ধ্বনিয়ে সমগ্ৰ পৰিৱেশ ভক্তিময় কৰি তোলে। অনুষ্ঠানত দৈয়াং অঞ্চলৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। বক্তাসকলে নতুন নামঘৰটো কেৱল ধৰ্মীয় উপাসনাৰ স্থান হিচাপেই নহয়, সমাজৰ ঐক্য, সম্প্ৰীতি আৰু ভাতৃত্ববোধ শক্তিশালী কৰাৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপেও পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে, এখন গাঁৱৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত নামঘৰৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। নামঘৰক কেন্দ্ৰ কৰি ধৰ্মীয় অনুষ্ঠানৰ লগতে সামাজিক মিলন, সাংস্কৃতিক চৰ্চা আৰু নৱপ্ৰজন্মৰ মাজত আধ্যাত্মিক মূল্যবোধ জীয়াই ৰখাৰ সুযোগ সৃষ্টি হয়। সেয়েহে ১নং কৃষ্ণাশ্ৰমী গাঁৱত নতুন নামঘৰ প্ৰতিষ্ঠাই স্থানীয় ৰাইজৰ মাজত বিশেষ আনন্দৰ সৃষ্টি কৰিছে। এই পৱিত্ৰ অনুষ্ঠানত গোলাঘাট জিলা বিজেপিৰ উপ-সভাপতি পোনা বৰা, মেৰাপানী সাংবাদিক সন্থাৰ সভাপতি আলী হুছেইন আৰু সমাজকৰ্মী মণিৰাম দাসসহ অঞ্চলটোৰ কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে। স্থানীয় ৰাইজ, ভকত-বৈষ্ণৱৰ উৎসাহ-উদ্দীপনা আৰু নামঘৰ সমিতিৰ সদস্যসকলৰ সক্ৰিয় সহযোগিতাত অনুষ্ঠানটো সাফল্যমণ্ডিত হৈ উঠে।

## অনাধিকাৰ প্ৰৱেশ কৰি আক্ৰমণ, গুৰুতৰভাৱে আহত মহিলা; থানাত এজাহাৰ দাখিল

# বিবাহৰ প্ৰস্তাৱক কেন্দ্ৰ কৰি বৰপেটা ৰোডত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, শালবাৰী, ১৮ আগষ্ট ঃ** বিবাহৰ প্ৰস্তাৱক লৈ উপজা সংঘাতৰ পৰিণতিত এক ভয়ংকৰ হিংসাত্মক ঘটনা সংঘটিত হৈছে বৰপেটা ৰোড আৰক্ষী থানাৰ অন্তৰ্গত ৰায়পুৰ অঞ্চলত। এটা ফৈদে ঘৰত অনধিকাৰ প্ৰৱেশ কৰি চলোৱা বৰ্বৰ আক্ৰমণত বিমলা খাতুন (৩২) নামৰ এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়। ঘটনাৰ বিৱৰণি অনুসৰি, যোৱা ২ আগষ্টত দুয়ো পক্ষৰ মাজত এক বিবাহৰ প্ৰস্তাৱ সম্পৰ্কে আলোচনা হৈছিল। কিন্তু এই আলোচনাই পৰৱৰ্তী সময়ত তীব্ৰ বাক-বিতণ্ডাৰ ৰূপ লয়। অভিযোগ অনুসৰি, ১৪ আগষ্টৰ দিনা প্ৰায় দুপৰীয়া ১২: ৩০ বজাত প্ৰথম পক্ষৰ সদস্যসকলে অভিযোগকাৰীৰ ১৫ বছৰীয়া কন্যাসন্তানক বাটত আগচি ধৰি অশ্লীল গালি-গালাজ কৰাৰ লগতে অশোভনীয় আচৰণ কৰে। ইয়াৰ পাছতেই একেদিনাই বিয়লি প্ৰায় ৫ বজাত অভিযুক্তৰ এটা দলে নায়েব আলীৰ ঘৰত চোৰাংচোৱাৰ দৰে অনাধিকাৰ প্ৰৱেশ কৰি পৰিয়ালটোৰ ওপৰত অতৰ্কিতে আক্ৰমণ চলায়। এই মাৰপিটৰ ঘটনাত নায়েব আলীৰ পত্নী বিমলা খাতুন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আহত মহিলাগৰাকীক লগে লগে বৰপেটা ৰোড এফ আৰ ইউ (FRU)ত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা সংকটজনক হোৱাৰ বাবে কৰ্তব্যৰত চিকিৎসকে তেওঁক উন্নত চিকিৎসাৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ প্ৰেৰণ কৰে। এই ঘটনা সন্দৰ্ভত ভুক্তভোগী নায়েব আলীয়ে বৰপেটা ৰোড আৰক্ষী থানাত ১১জন ব্যক্তিৰ বিৰুদ্ধে নামঘোষিত লিখিত এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ থকা প্ৰধান অভিযুক্তসকল হৈছে— মইনাল হক, ৰূপচান আলী, আয়নাল হক, জুলহাস আলী আৰু হাছেন আলী। ভুক্তভোগী পৰিয়ালটোৱে সমগ্ৰ ঘটনাৰ নিৰপেক্ষ তদন্ত দাবী কৰাৰ লগতে দোষীক অতি সোনকালে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ আৰক্ষী প্ৰশাসনক আহ্বান জনাইছে। আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত তদন্ত আৰম্ভ কৰিছে।

## দিখৌৰ ধ্বংসাত্মক বানে উটুৱাই নিলে লক্ষ্মীজান বাগিচাৰ কমল চাপৰি

# অবৈধ শিল খননেই কাল হ'ল নেকি ?

**অসম বাৰ্তা, গেলেকী, ১৮ আগষ্ট ঃ** দিখৌ নদীৰ জুৰুলা ৰূপে এতিয়া শংকিত কৰি তুলিছে নদীৰ গাতে লাগি থকা লক্ষ্মীজান বাগিচাৰ কমল চাপৰিক। প্ৰলয়ংকাৰী বানে সম্পূৰ্ণৰূপে ধ্বংসস্তূপলৈ পৰিৱৰ্তন কৰিলে সমগ্ৰ কমল চাপৰি অঞ্চল। বিগত ১৯ জুলাইত অহা দিখৌৰ ভয়াৱহ বানে কালৰূপ ধাৰণ কৰাত কোনোমতে প্ৰাণ ৰক্ষা কৰে অঞ্চলটোৰ নিৰুপায় ৰাইজে। প্ৰাণ বাঁচিল যদিও ঘৰ-দুৱাৰ, সা-সম্পত্তি আৰু গৃহপালিত জীৱ-জন্তু সকলো দিখৌৰ বুকুত বিলীন হৈ গ'ল। এই ভয়াৱহ দুৰ্যোগৰ পিছতে এতিয়া ক্ষোভত ফোঁপাই উঠিছে স্থানীয় ৰাইজ। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, অঞ্চলটোত দীৰ্ঘদিন ধৰি চলি থকা অবৈধ শিল খননেই এই মৰ্মান্তিক দুৰ্দশাৰ মূল কাৰণ। ৰাইজে জানিবলৈ দিয়া মতে, দিখৌ নদীৰ পৰা অবৈধভাৱে অবিৰতভাৱে শিল খনন কৰি থকাৰ ফলত নদীৰ জলপথ আৰু গৰাখহনীয়াৰ অৱস্থা অতিকৈ সংকটজনক হৈ পৰিছিল। এই সন্দৰ্ভত স্থানীয় ৰাইজে বহুবাৰ বন বিভাগক অৱগত কৰি অবৈধ খনন বন্ধ কৰাৰ বাবে আবেদন জনাইছিল। কিন্তু অভিযোগ অনুসৰি, ৰাইজৰ এই আবেদনলৈ অলপো কাণসাৰ নিদিলে বন বিভাগে। উলোটাই একাংশ দায়িত্বজ্ঞানহীন বন বিষয়াই অঞ্চলটোৰ ক্ষুব্ধ ৰাইজক প্ৰশ্ন উত্থাপন কৰাৰ বাবে ভয়-ভাবুকি আৰু দাবী-ধমকি দি খেদি পঠিওৱাৰ গুৰুতৰ অভিযোগ উঠিছে। বন বিভাগৰ এনে উদাসীনতা আৰু সন্দেহজনক ভূমিকাৰ বাবেই আজি সমগ্ৰ কমল চাপৰিয়ে এনে ভয়াবহ পৰিণতি ভোগ কৰিবলগীয়া হৈছে বুলি সংবাদ মাধ্যমৰ আগত ক্ষোভ উজাৰে দুৰ্দশাগ্ৰস্ত ৰাইজে। অঞ্চলটোৰ সৰ্বস্বান্ত বানাক্ৰান্ত ৰাইজে এতিয়া ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ ওচৰত কাতৰ আহ্বান জনাইছে। কমল চাপৰি তথা সমগ্ৰ অঞ্চলটোৰ ৰাইজৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষাৰ স্বাৰ্থত দিখৌ নদীৰ অবৈধ শিল খনন অবিলম্বে বন্ধ কৰিবলৈ তেওঁলোকে দাবী জনাইছে। ইয়াৰ উপৰিও দোষী বন বিষয়া আৰু অবৈধ খননকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছে ভুক্তভোগী ৰাইজে।

# ১৯ আগষ্টৰ পৰা মাজুলী মিলন সংঘ কমলাবাৰীত

## সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত সমূহৰ কৰ্মশালাৰ আয়োজন

**অসম বাৰ্তা, মাজুলী, ১৮ আগষ্ট ঃ** অসমৰ জাতীয় জীৱনৰ অন্যতম মহান শিল্পী ভাৰতৰত্ন ড° ভূপেন হাজৰিকা দেৱৰ বৰ্ষজোৱা জন্ম শতবাৰ্ষিকীৰ উপলক্ষত তেখেতৰ কালজয়ী গীত আৰু সৃষ্টিৰাজিৰ প্ৰতি নৱপ্ৰজন্মৰ মাজত আগ্ৰহ আৰু অনুৰাগ বৃদ্ধি কৰাৰ লগতে ভূপেন্দ্ৰ সংগীতৰ চৰ্চা আৰু প্ৰচাৰ-প্ৰসাৰৰ উদ্দেশ্যে মাজুলীৰ এটি প্ৰাচীন সাংস্কৃতিক অনুষ্ঠান মাজুলী মিলন সংঘৰ উদ্যোগত, ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাস, গুৱাহাটী আৰু মাজুলী জিলা প্ৰশাসনৰ সহযোগত অহা ১৯ আগষ্টৰ পৰা ২২ আগষ্ট, ২০২৬ তাৰিখলৈ মাজুলী মিলন সংঘত এখনি "ভূপেন্দ্ৰ সংগীত কৰ্মশালা" অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। উক্ত কৰ্মশালাত ভূপেন্দ্ৰ সংগীতৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক অসমৰ কেইবাগৰাকী প্ৰথিতযশা শিল্পীৰ জৰিয়তে ভূপেন্দ্ৰ সংগীতৰ গীত, সুৰ, তাল, গায়নশৈলী তথা ড° ভূপেন হাজৰিকাৰ সংগীত-চিন্তা সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। মাজুলীৰ সংগীত শিল্পী সকলৰ সহযোগিতা কামনা কৰি মাজুলী মিলন সংঘৰ তৰফৰ পৰা বিনম্ৰ গোহাৰি জনাইছে। নৱপ্ৰজন্মৰ মাজত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী সংগীতৰ চৰ্চা আৰু সাংস্কৃতিক চেতনাৰ বিকাশৰ অৰ্থে প্ৰশিক্ষণ দান কৰিব অসমৰ সংগীত জগতৰ ভোটাতৰা স্বৰূপ নমিতা ভট্টাচাৰ্য, তৰালি শৰ্মা, নিত্যানন্দ ডেকা, আৰু মঞ্জুলা হাজৰিকাই। এই প্ৰশিক্ষণ ৬০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব পাৰিব। মাজুলী মিলন সংঘৰ প্ৰেক্ষাগৃহত প্ৰতিদিনে বিয়লি প্ৰশিক্ষণ দান কৰিব। বয়সৰ ন্যূনতম সীমা ১০ বছৰ কিন্তু উৰ্ধসীমা নাই। নিৰ্ধাৰণ কৰা নিৰ্দিষ্ট মাছুল দিয়াৰ উপৰিও প্ৰশিক্ষাৰ্থীক অনা নিয়াৰ ব্যৱস্থা নিজে কৰিব লাগিব। ড° ভূপেন হাজৰিকাৰ মাজুলীৰ লগত এক নিবিড় সম্পৰ্ক আছে। মাজুলীতে তেখেতক সুধাকণ্ঠ উপাধি প্ৰদান কৰিছিল। আনহাতে মাজুলীত এখন সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ স্থাপনৰ প্ৰস্তাৱ তেওঁ দিছিল। মাজুলীক ভালপোৱা ড হাজৰিকাৰ যুগজয়ী গীতবোৰৰ কৰ্মশালা প্ৰতিবছৰে কেইবাটাও সাংস্কৃতিক অনুষ্ঠানে অনুষ্ঠিত কৰি আহিছে। মাজুলী মিলন সংঘত শিশু কালৰে পৰা অভিনয়ৰ পাতনি মেলা, বৰ্তমান সংঘৰ সভাপতিৰ পদ অলংকৃত কৰা তথা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সচিব সুদৰ্শন ঠাকুৰৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া প্ৰশিক্ষণ দান কৰিবলৈ মাজুলীলৈ সংগীতজ্ঞ সকলক আমন্ত্ৰণ জনোৱা কাৰ্যত সমগ্ৰ মাজুলীতে এক উৎসাহজনক সঁহাৰি দেখা পোৱা গৈছে। মাজুলীৰ সাংস্কৃতিক সংগঠন সমূহে এনে উদ্যোগত সন্তোষ প্ৰকাশ কৰিছে।

## অশোক কুমাৰ বৰাক "কলংপৰীয়া জনসেৱা শিৰোমণি বঁটা"

# ভোটাইগাঁৱত নগাঁও জিলা সাহিত্য সভাৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ আগষ্ট ঃ** নগাঁৱৰ ঐতিহ্যমণ্ডিত ভোটাইগাঁৱৰ ভোটাইডেকা খেলপথাৰত অহা ২০ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে নগাঁও জিলা সাহিত্য সভাৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটি উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা হৈছে। নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ সাহিত্যানুৰাগী তথা গুণী জ্ঞানী লোকৰ সমাগম হ'বলগীয়া অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ৯ বজাত ৫৪ গৰাকী ব্যক্তিৰ দ্বাৰা ৫৪খন পতাকা উত্তোলন কৰা হ'ব। মূল পতাকা উত্তোলন কৰিব নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে। পতাকা উত্তোলনৰ লগতে ৫৪ গৰাকী সন্মানীয় ব্যক্তিৰ দ্বাৰা ৫৪গছি বন্তি প্ৰজ্বলন কৰা হ'ব। ইয়াৰ পিছতে স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰিব কলংপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি গোলাপ বৰাই। পুৱা ১১ বজাত অনুষ্ঠিত হ'ব এখনি মুকলি সভা, বঁটা প্ৰদান আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান। সভাখনিত সভাপতিত্ব কৰিব নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে। উক্ত সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° জগদীশ পাটগিৰিয়ে মুখ্য অতিথি হিচাপে, নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক অনুপ বৰঠাকুৰে বিশিষ্ট অতিথি হিচাপে আৰু নিমন্ত্ৰিত অতিথি হিচাপে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা আৰু নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই অংশগ্ৰহণ কৰিব। উক্ত সভাতে বিশিষ্ট সাংস্কৃতিক কৰ্মী, ক্ৰীড়া সংগঠক অশোক কুমাৰ বৰাক "কলংপৰীয়া জনসেৱা শিৰোমণি বঁটা- ২০২৬" প্ৰদান কৰা হ'ব। লগতে উক্ত অনুষ্ঠানতে লেখক খগেন্দ্ৰ নাথৰ "সৰ্বশক্তিমান" আৰু "আনন্দিবাঈ" নামৰ দুখনি গ্ৰন্থ উন্মোচন কৰা হ'ব। সমূহ কাৰ্যসূচীতে জিলাখনৰ সাহিত্যানুৰাগীসকলৰ উপস্থিতি আৰু সহায়-সহযোগিতা উদ্যোক্তাসকলে কামনা কৰিছে।

# হাউলীত ভয়ংকৰ পথ দুৰ্ঘটনা; থিতাতে নিহত যুৱক

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৮ আগষ্ট ঃ** বৰপেটা জিলাৰ হাউলীত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী যুৱক থিতাতে নিহত হোৱা ঘটনাই অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে, হাউলীৰ শ্বহীদ বেদীৰ সমীপত সংঘটিত হয় এই মৰ্মান্তিক দুৰ্ঘটনাটো। এখন তীব্ৰবেগী বলেৰো বাহনে এখন স্কুটীত খুন্দিওৱাৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। বলেৰো বাহনখনৰ খুন্দাৰ তীব্ৰতাত স্কুটী আৰোহীজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আৰু ঘটনাস্থলীতে তেওঁৰ মৃত্যু ঘটে। ঘটনাৰ খবৰ পোৱাৰ পিছতে স্থানীয় লোকসকল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। ইপিনে, দুৰ্ঘটনাটোক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনাটোৰ তদন্ত আৰম্ভ কৰাৰ লগতে ঘটনাৰ প্ৰকৃত কাৰণ আৰু জড়িত বাহনখনৰ সন্দৰ্ভত তথ্য সংগ্ৰহ কৰিছে। নিহত যুৱকজনৰ পৰিচয় আৰু দুৰ্ঘটনাৰ বিস্তৃত কাৰণ সম্পৰ্কে আৰক্ষীৰ তদন্তৰ পিছত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

# সুখাজানি ফ্ল' ইৰিগেচন আঁচনিৰ নিৰ্মাণকাৰ্যক লৈ প্ৰশ্ন; নিৰপেক্ষ তদন্তৰ দাবী AAMSUৰ

**অসম বাৰ্তা, খাৰুপেটীয়া, ১৮ আগষ্ট ঃ** সুখাজানি ফ্ল' ইৰিগেচন স্কীম (Ph-II) under AIBP 2013-14 - Downstream Protection Works (Package No. 2)ৰ নিৰ্মাণকাৰ্যক লৈ গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (AAMSU), দৰং জিলা সমিতিয়ে। আঁচনিটোৰ নিৰ্মাণকাৰ্যৰ বিভিন্ন দিশ পৰীক্ষা কৰি স্বচ্ছ আৰু নিৰপেক্ষ কাৰিকৰী তদন্তৰ দাবী জনাই জিলা প্ৰশাসনৰ ওচৰত লিখিত অভিযোগ দাখিল কৰিছে সংগঠনটোৱে। AAMSUৰ অভিযোগ অনুসৰি, Mangaldai-Dalgaon-Sipajhar Division (I), Mangaldaiৰ অধীনস্থ উক্ত কামটোৰ Formal Work Order ৯ জুলাই ২০২৫ তাৰিখে জাৰি কৰা হৈছিল। নথি অনুসৰি কামটোৰ Contract Value ৬৬, ২৮, ৮৬৭ টকা আৰু কাম সম্পূৰ্ণ কৰাৰ নিৰ্ধাৰিত সময়সীমা আছিল ছয় মাহ। কামটোৰ ঠিকাদাৰ হিচাপে Md. Putul Aliৰ নাম উল্লেখ আছে। সংগঠনটোৱে দাবী কৰিছে যে চৰকাৰী আঁচনিৰ অধীনত সম্পন্ন হোৱা কামটোৰ অনুমোদিত নক্সা, BOQ, Estimate আৰু বাস্তৱক্ষেত্ৰত সম্পন্ন কৰা কামৰ পৰিমাণ তথা গুণগত মানৰ মাজত সামঞ্জস্য আছে নে নাই, সেয়া সংশ্লিষ্ট কাৰিকৰী বিভাগে নিৰপেক্ষভাৱে পৰীক্ষা কৰিব লাগে। AAMSUৰ দাবী অনুসৰি, অনুমোদিত BOQ আৰু Estimate অনুসৰি কাম সম্পূৰ্ণ হৈছে নে নাই, Actual Measurement আৰু Measurement Bookৰ তথ্যৰ মাজত মিল আছে নে নাই, ব্যৱহৃত নিৰ্মাণ সামগ্ৰীৰ গুণগত মান আৰু Quality Test Report, লগতে RCC, Reinforcement, Boulder Pitching আদি কামৰ বাস্তৱিক পৰিমাণ আৰু মানদণ্ড পৰীক্ষা কৰিব লাগে। ইয়াৰ উপৰি Work Order, Agreement, Technical Sanction, Administrative Approval, Running Bill আৰু Final Billকে ধৰি সংশ্লিষ্ট সকলো নথি-পত্ৰ পৰীক্ষা কৰি বিলত দেখুওৱা কামৰ পৰিমাণৰ সৈতে বাস্তৱক্ষেত্ৰৰ কামৰ কোনো অসামঞ্জস্য আছে নে নাই, সেয়াও তদন্তৰ আওতালৈ আনিবলৈ দাবী জনাইছে সংগঠনটোৱে। AAMSU দৰং জিলা সমিতিয়ে স্পষ্ট কৰি দিয়ে যে অভিযোগৰ জৰিয়তে কোনো ব্যক্তি বা ঠিকাদাৰক আগতীয়াকৈ দোষী সাব্যস্ত কৰাটো তেওঁলোকৰ উদ্দেশ্য নহয়। নিৰপেক্ষ কাৰিকৰী তদন্তৰ জৰিয়তে প্ৰকৃত সত্য পোহৰলৈ অনাটোৱেই সংগঠনটোৰ মূল লক্ষ্য বুলি উল্লেখ কৰে। তদন্তত যদি নিম্নমানৰ নিৰ্মাণ, অনুমোদিত পৰিমাণৰ বাহিৰত Measurement, কোনো ধৰণৰ অনিয়ম অথবা চৰকাৰী ধনৰ অপব্যৱহাৰ প্ৰমাণিত হয়, তেন্তে দায়ী ব্যক্তি বা প্ৰতিষ্ঠানৰ বিৰুদ্ধে প্ৰচলিত আইন আৰু চৰকাৰী বিধি অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে AAMSUৱে। লগতে তদন্ত সম্পূৰ্ণ নোহোৱালৈকে সংশ্লিষ্ট কামৰ ক্ষেত্ৰত কোনো অবৈধ বা অতিৰিক্ত বিল পৰিশোধ নকৰিবলৈ প্ৰশাসনক সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে সংগঠনটোৱে। চৰকাৰী আঁচনিৰ প্ৰতিটো টকাৰ সঠিক ব্যৱহাৰ আৰু উন্নয়নমূলক কামৰ গুণগত মান নিশ্চিত কৰাটো প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগৰ দায়িত্ব বুলি উল্লেখ কৰি কোনো পক্ষপাতিত্ব বা ৰাজনৈতিক হস্তক্ষেপৰ উৰ্ধ্বত থাকি স্বচ্ছ আৰু নিৰপেক্ষ তদন্ত সম্পন্ন কৰাৰ লগতে তদন্তৰ ফলাফল জনসাধাৰণৰ সন্মুখত প্ৰকাশ কৰিবলৈ জিলা প্ৰশাসনৰ ওচৰত জোৰদাৰ দাবী জনাইছে AAMSU দৰং জিলা সমিতিয়ে।

## সম্পাদকীয়

# ডিজিটেল সৰলীকৰণৰ দিশত আন এক পদক্ষেপ

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে (SEBA) আগন্তুক ২০২৭ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ (HSLC) আবেদন প্ৰক্ৰিয়াক লৈ এক অত্যন্ত গুৰুত্বপূৰ্ণ তথা সময়োপযোগী সিদ্ধান্ত গ্ৰহণ কৰিছে। অক্টোবৰ মাহৰ প্ৰথম সপ্তাহৰ পৰা আৰম্ভ হ'বলগীয়া অনলাইন প্ৰ-পত্ৰ পূৰণৰ বাবে প্ৰতিগৰাকী পৰীক্ষাৰ্থীৰ ব্যক্তিগত বেংক একাউণ্ট নম্বৰ বাধ্যতামূলক কৰা হৈছে। পৰিষদৰ সচিব নৰনাৰায়ণ নাথে স্পষ্ট কৰি দিছে যে বেংক একাউণ্ট নথকা শিক্ষাৰ্থীৰ আবেদন প্ৰত্যাখ্যান কৰা হ'ব। প্ৰথম দৃষ্টিত এই সিদ্ধান্তই ৰাজ্যখনৰ শিক্ষা ব্যৱস্থাত এক নৱযুগৰ সূচনা কৰিব বুলি ভাবিব পাৰি। ছাত্ৰ-ছাত্ৰীৰ বৃত্তি, চৰকাৰী অনুদান আৰু আৰ্থিক সাহায্য পোনপটীয়াভাৱে তেওঁলোকৰ একাউণ্টলৈ প্ৰেৰণ কৰাৰ যি উদ্দেশ্য, সি অত্যন্ত প্ৰশংসনীয় আৰু প্ৰশাসনিক স্বচ্ছতাৰ দিশত এক শক্তিশালী পদক্ষেপ।

যিকোনো চৰকাৰী পুঁজি মধ্যভোগী অবিহনে পোনে পোনে হিতাধিকাৰীৰ ওচৰলৈ প্ৰেৰণ কৰাৰ বাবে সুদৃঢ় ডিজিটেল আন্তঃগাঁথনিৰ প্ৰয়োজন। শিক্ষা পৰিষদে গ্ৰহণ কৰা এই উদ্যোগে শিক্ষাৰ্থীসকলক সৰু অৱস্থাৰ পৰাই বিত্তীয় শিক্ষা আৰু বেংকিং প্ৰক্ৰিয়াৰ সৈতে পৰিচিত কৰি তুলিব। কিন্তু কোনো এক ব্যাপক নীতি প্ৰয়োগ কৰাৰ পূৰ্বে ইয়াৰ ব্যৱহাৰিক দিশ আৰু বাস্তৱিক প্ৰত্যাহ্বানসমূহ চালি-জাৰি চোৱাটো অতি প্ৰয়োজনীয়।

এই জৰুৰী নিৰ্দেশনাই ৰাজহুৱা স্থানত আৰু বিশেষকৈ প্ৰান্তীয় অঞ্চলসমূহৰ অভিভাৱকসকলৰ মনত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উদয় কৰাইছে। অসমৰ গ্ৰাম্য আৰু দুৰ্গম অঞ্চলসমূহৰ পৰিবহণ আৰু বেংকিং ব্যৱস্থা এতিয়াও সম্পূৰ্ণ সুচল হৈ উঠা নাই। অতি কম সময়ৰ ভিতৰত লাখ লাখ ছাত্ৰ-ছাত্ৰীয়ে বেংক একাউণ্ট খুলিবলৈ গ'লে গ্ৰাম্য বেংকৰ শাখা আৰু গ্ৰাহক সেৱা কেন্দ্ৰসমূহৰ ওপৰত কিমান প্ৰচণ্ড চাপ পৰিব, সেয়া সহজে অনুমেয়। ইয়াৰ উপৰি, নাবালক শিক্ষাৰ্থীৰ একাউণ্ট খুলিবলৈ আধাৰ কাৰ্ড, অভিভাৱকৰ চিনাক্তকৰণ নথি আদিৰ প্ৰয়োজন হয়। ৰাজ্যখনৰ বহু শিক্ষাৰ্থীৰ আধাৰ বা অন্য নথিত নাম আৰু জন্মৰ তাৰিখৰ বিসঙ্গতি থাকে, যিবোৰ শুধৰাবলৈ দীঘলীয়া সময়ৰ প্ৰয়োজন। এনে অৱস্থাত অক্টোবৰৰ প্ৰথম সপ্তাহৰ পূৰ্বে এই সমগ্ৰ প্ৰক্ৰিয়া সম্পন্ন কৰাটো বহু পৰিয়ালৰ বাবে দুৰূহ হৈ পৰিব।

প্ৰ-পত্ৰ পূৰণৰ সময়ত কোনো সৰু কাৰিকৰী ত্ৰুটি বা একাউণ্টৰ বিসঙ্গতিৰ বাবে এজন ছাত্ৰ বা ছাত্ৰীৰ শিক্ষা জীৱনৰ গুৰুত্বপূৰ্ণ এটা বছৰ যাতে নষ্ট নহয়, তাৰ বাবে পৰিষদে কি বিকল্প ব্যৱস্থা ভাবিছে, সেয়াও এক চিন্তনীয় বিষয়। শৈক্ষিক প্ৰশাসন আৰু জিলা শিক্ষা পৰিদৰ্শকসকলৰ দায়িত্ব কেৱল নিৰ্দেশনা প্ৰেৰণ কৰাতেই অন্তৰ্ভুক্ত হৈ থাকিব নোৱাৰে। এই নীতি সুকলমে কাৰ্যকৰী কৰাৰ বাবে চৰকাৰ আৰু প্ৰশাসনে কেইবাটাও সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰাটো অতিকৈ জৰুৰী। জিলা প্ৰশাসন আৰু ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ সৈতে সমন্বয় ৰাখি প্ৰতিখন বিদ্যালয়তে বিশেষ একাউণ্ট খোলাৰ শিবিৰ আয়োজন কৰা উচিত। বিদ্যালয়ৰ শিক্ষক আৰু প্ৰধান শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক কেৱল নিৰ্দেশ নিদি নথি-পত্ৰ প্ৰস্তুত কৰাত পোনপটীয়া সহায় আগবঢ়োৱা প্ৰয়োজন। একেদৰে, নথি-পত্ৰৰ সংশোধন আৰু একাউণ্ট জমা দিয়াৰ বাবে পৰিষদৰ ফালৰ পৰা সময়সীমাৰ কিছু শিথিলতা বিবেচনা কৰা উচিত, যাতে কোনো এজন যোগ্য পৰীক্ষাৰ্থী অনলাইন আবেদনৰ পৰা বঞ্চিত হ'বলগীয়া নহয়। ডিজিটেল ব্যৱস্থা আৰু স্বচ্ছতা নিশ্চিত কৰাৰ পদক্ষেপ নিঃসন্দেহে স্বাগতমযোগ্য, কিন্তু প্ৰশাসনে চকু ৰখা উচিত যাতে নিয়মৰ জটিলতাই কোনো দৰিদ্ৰ আৰু গ্ৰাম্য অঞ্চলৰ মেধাৱী শিক্ষাৰ্থীৰ শিক্ষাৰ পথত বাধাৰ সৃষ্টি নকৰে। সকলো পক্ষৰ উমৈহতীয়া প্ৰচেষ্টা আৰু সঠিক সমন্বয়ৰ জৰিয়তেহে এই ইতিবাচক সিদ্ধান্তই প্ৰকৃত সফলতা লাভ কৰিব।



# উজনীৰ প্ৰলয়ংকৰী বান আৰু শিক্ষাৰ্থীৰ ভৱিষ্যৎ

*এইবাৰৰ বানে চৰাইদেউৰ চাহ বাগিচা অঞ্চল আৰু যোৰহাট-শিৱসাগৰৰ নদীপৰীয়া গ্ৰামাঞ্চলৰ বিদ্যালয়সমূহৰ শৈক্ষিক পৰিৱেশ সম্পূৰ্ণৰূপে ব্যাহত কৰি তুলিলে। বিকল্প কোনো ব্যৱস্থা নথকাৰ বাবে এই দুৰ্গম অঞ্চলসমূহৰ শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ জীৱনলৈ অন্ধকাৰ নামি আহিছে। ইয়াৰ উপৰিও, বানৰ সময়ত বিদ্যুৎ যোগান আৰু ম'বাইল নেটৱৰ্ক ব্যাহত হৈ পৰাত গ্ৰামাঞ্চলত অনলাইন শিক্ষা একপ্ৰকাৰ অসম্ভৱ হৈ পৰে। ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ আগন্তুক মেট্ৰিক, উচ্চতৰ মাধ্যমিকৰ লগতে NEET, JEE, CUETৰ দৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ প্ৰস্তুতিত পৰাটো নিশ্চিত। কেৱল এই অনাকাংক্ষিত প্ৰাকৃতিক দুৰ্যোগৰ বাবেই অঞ্চলটোৰ মেধাৱী শিক্ষাৰ্থীসকল প্ৰতিযোগিতাত পিছপৰি ৰ'বলগীয়া হৈছে। মন কৰিবলগীয়া যে প্ৰাকৃতিক দুৰ্যোগ কেৱল ধন-সম্পত্তি বা বাসস্থানৰ ক্ষয়-ক্ষতিতেই সীমাৱদ্ধ নাথাকে, ই শিশু আৰু কিশোৰ-কিশোৰীসকলৰ মানসিক জগতখনতো তীব্ৰ আঘাত হানে। চৰাইদেউ বা নাজিৰাৰ আশ্ৰয় শিৱিৰৰ দুৰ্বিষহ অভিজ্ঞতা, চকুৰ আগতে আদৰৰ কিতাপ-পত্ৰবোৰ উটি যোৱাৰ দৃশ্য আৰু অনিশ্চিত ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলৰ মনত গভীৰ দুশ্চিন্তা তথা হতাশাৰ সৃষ্টি কৰিছে।*

**ললিত নাথ**

উজনি অসমৰ প্ৰলয়ংকৰী বানে শেহতীয়াকৈ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত ব্যাপক ত্ৰাসৰ সৃষ্টি কৰিছে। এই বানে কেৱল ঘৰ-দুৱাৰ, পথ-দলং বা সা-সম্পত্তি ধ্বংস কৰাই নহয়, জিলাকেইখনৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ শিক্ষাজীৱন আৰু ভৱিষ্যতকো গভীৰ অনিশ্চয়তাৰ মাজলৈ ঠেলি দিছে। এই বিধ্বংসী বানত তিনিওখন জিলাৰে হাজাৰ হাজাৰ বাসগৃহ আৰু পশুধন ক্ষতিগ্ৰস্ত হোৱাৰ লগতে প্ৰায় তিনি শতাধিক বিদ্যালয় গৃহৰ বিস্তৰ ক্ষতিসাধন হৈছে। যিবোৰ বিদ্যালয় বানপানীৰে প্লাবিত হোৱা নাই, সেইবোৰকো জৰুৰীভাৱে গৃহহীন মানুহৰ আশ্ৰয় শিৱিৰলৈ ৰূপান্তৰ কৰিবলগীয়া হৈছে। ফলত যিবোৰ শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা কৰিব লাগিছিল, সেইবোৰত এতিয়া শ শ বানপীড়িত মানুহে আশ্ৰয় ল'বলগীয়া হৈছে। হঠাৎ অহা বানৰ ৰুদ্ৰৰূপে চাহ বাগিচা আৰু গ্ৰাম্যাঞ্চলৰ দৰিদ্ৰ তথা মধ্যবিত্ত পৰিয়ালবোৰক নিজৰ ঘৰ-দুৱাৰ খালী কৰি নিৰাপদ স্থানলৈ আঁতৰি যাবলৈ অকণমানো সময় নিদিলে। ইয়াৰ পোনপটীয়া প্ৰভাৱ পৰিল শিক্ষাৰ্থীসকলৰ ওপৰত। তেওঁলোকৰ শৈক্ষিক জীৱনৰ মূল সম্পদ— যেনে পাঠ্যপুথি, বহী, কম্পিউটাৰ, পৰীক্ষাৰ প্ৰৱেশ পত্ৰ, মাৰ্কশ্বীট আৰু পঞ্জীয়ন প্ৰমাণ-পত্ৰৰ দৰে গুৰুত্বপূৰ্ণ নথিপত্ৰ আদি পানীৰ সোঁতত সম্পূৰ্ণৰূপে নষ্ট হৈ গ'ল। আনফালে, জুলাই মাহটো সাধাৰণতে বিদ্যালয়সমূহৰ গৰমৰ বন্ধৰ সময়, য'ত শিক্ষাৰ্থীসকলে ঘৰতে থাকি আগন্তুক ছমহীয়া পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাব লাগিছিল। কিন্তু এই অনাকাংক্ষিত বানৰ বাবে উজনিৰ তিনিওখন জিলাৰে শৈক্ষিক সূচী সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিল। ফলত পঢ়া-শুনাৰ পৰা বিচ্ছিন্ন হৈ পৰা শিক্ষাৰ্থীসকলে বন্ধৰ পাছত সময়মতে পাঠ্যক্ৰম শেষ কৰাৰ ক্ষেত্ৰত বহু অসুবিধাৰ সন্মুখীন হ'ব, যিয়ে তেওঁলোকৰ পৰৱৰ্তী পৰীক্ষাৰ ফলাফলতো বিৰূপ প্ৰভাৱ পেলাব।

বানপানী কমাৰ পাছতো সৰ্বস্বান্ত পৰিয়ালসমূহৰ বাবে সন্তানৰ নতুন কিতাপ-পত্ৰ ক্ৰয় কৰাটো কঠিন হৈ পৰিছে। ইফালে, বিদ্যালয়সমূহ পুনৰ পঢ়া-শুনাৰ উপযোগী কৰি তোলাটো প্ৰশাসন আৰু শিক্ষা বিভাগৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। শ্ৰেণীকোঠাত একাঠু পলস জমা হোৱাৰ উপৰিও আচবাব, খোৱাপানী আৰু শৌচাগাৰসমূহ একেবাৰে ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে। এনে এক অস্বাস্থ্যকৰ পৰিৱেশত ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনা চলাই নিয়াটো কোনোপ্ৰকাৰে সম্ভৱ নহয়।

বিশেষকৈ, এইবাৰৰ বানে চৰাইদেউৰ চাহ বাগিচা অঞ্চল আৰু যোৰহাট-শিৱসাগৰৰ নদীপৰীয়া গ্ৰামাঞ্চলৰ বিদ্যালয়সমূহৰ শৈক্ষিক পৰিৱেশ সম্পূৰ্ণৰূপে ব্যাহত কৰি তুলিলে। বিকল্প কোনো ব্যৱস্থা নথকাৰ বাবে এই দুৰ্গম অঞ্চলসমূহৰ শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ জীৱনলৈ অন্ধকাৰ নামি আহিছে। ইয়াৰ উপৰিও, বানৰ সময়ত বিদ্যুৎ যোগান আৰু ম'বাইল নেটৱৰ্ক ব্যাহত হৈ পৰাত গ্ৰামাঞ্চলত অনলাইন শিক্ষা একপ্ৰকাৰ অসম্ভৱ হৈ পৰে। ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ আগন্তুক মেট্ৰিক, উচ্চতৰ মাধ্যমিকৰ লগতে NEET, JEE, CUET ৰ দৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ প্ৰস্তুতিত পৰাটো নিশ্চিত। কেৱল এই অনাকাংক্ষিত প্ৰাকৃতিক দুৰ্যোগৰ বাবেই অঞ্চলটোৰ মেধাৱী শিক্ষাৰ্থীসকল প্ৰতিযোগিতাত পিছপৰি ৰ'বলগীয়া হৈছে। মন কৰিবলগীয়া যে প্ৰাকৃতিক দুৰ্যোগ কেৱল ধন-সম্পত্তি বা বাসস্থানৰ ক্ষয়-ক্ষতিতেই সীমাৱদ্ধ নাথাকে, ই শিশু আৰু কিশোৰ-কিশোৰীসকলৰ মানসিক জগতখনতো তীব্ৰ আঘাত হানে। চৰাইদেউ বা নাজিৰাৰ আশ্ৰয় শিৱিৰৰ দুৰ্বিষহ অভিজ্ঞতা, চকুৰ আগতে আদৰৰ কিতাপ-পত্ৰবোৰ উটি যোৱাৰ দৃশ্য আৰু অনিশ্চিত ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলৰ মনত গভীৰ দুশ্চিন্তা তথা হতাশাৰ সৃষ্টি কৰিছে। আটাইতকৈ ভয়াৱহ দিশটো হৈছে— এই প্ৰলয়ংকৰী বানৰ পাছত শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ গ্ৰামাঞ্চল তথা চাহ বাগিচাসমূহত 'ড্ৰপ-আউট' ছাত্ৰ-ছাত্ৰীৰ হাৰ আশংকাজনকভাৱে বৃদ্ধি পোৱাৰ এক প্ৰবল সম্ভাৱনা দেখা গৈছে। আৰ্থিকভাৱে জুৰুলা হৈ পৰা দৰিদ্ৰ পৰিয়ালবোৰে সন্তানক পুনৰ বিদ্যালয়লৈ পঠোৱাৰ পৰিৱৰ্তে পৰিয়াল পোহপালৰ বাবে উপাৰ্জনৰ পথলৈ ঠেলি দিবলৈ বাধ্য হ'ব পাৰে। এনে এক দুৰ্যোগপূৰ্ণ আৰু জটিল পৰিস্থিতিৰ পৰা শিক্ষাখণ্ডক পুনৰুজ্জীৱিত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সপোন পূৰণ কৰিবলৈ শিক্ষা বিভাগে ইতিমধ্যে কেইবাটোও গুৰুত্বপূৰ্ণ তথা আশাব্যঞ্জক পদক্ষেপ হাতত লৈছে। ইতিমধ্যে ঘোষণা কৰা অনুসৰি বানপীড়িত ছাত্ৰ-ছাত্ৰীসকলক অতি সোনকালে বিনামূলীয়া পাঠ্যপুথি আৰু ইউনিফৰ্ম যোগান ধৰা হ'ব। ক্ষতিগ্ৰস্ত বিদ্যালয় গৃহসমূহ পুনৰ নিৰ্মাণ অথবা প্ৰয়োজনীয় মেৰামতি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আটাইতকৈ উল্লেখনীয় কথাটো হ'ল, বানত ধ্বংস হোৱা নথি-পত্ৰ যেনে- প্ৰমাণ-পত্ৰ, এডমিট কাৰ্ড, মাৰ্কশ্বীট আৰু পঞ্জীয়ন প্ৰমাণ-পত্ৰসমূহ শিক্ষাৰ্থীসকলক কোনো মাচুল নোলোৱাকৈ ডুপ্লিকেট ৰূপত যোগান ধৰাৰ সিদ্ধান্ত শিক্ষা বিভাগে সদৰী কৰিছে।

বিভাগীয় এই তৎকালীন সকাহসমূহৰ উপৰিও চৰকাৰ তথা জিলা প্ৰশাসনে শিক্ষা খণ্ডৰ স্থায়ী সুৰক্ষাৰ বাবে কেইটামান জৰুৰী আৰু সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰাটো অত্যন্ত প্ৰয়োজনীয়। প্ৰথমতে, শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ বানপীড়িত এলেকাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক লোকচান পূৰণ কৰিবলৈ এক বিশেষ শৈক্ষিক পঞ্জী (Special Academic Calendar) প্ৰস্তুত কৰিব লাগে। দেওবাৰ অথবা অন্য কোনো বন্ধৰ সময়ত অতিৰিক্ত পাঠদান কৰি পিছপৰি ৰোৱা পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা উচিত।

দ্বিতীয়তে, বান কমাৰ লগে লগে খাদ্য আৰু জৰুৰী সাহায্য সামগ্ৰীৰ সমান্তৰালভাৱে প্ৰতিগৰাকী বানপীড়িত ছাত্ৰ-ছাত্ৰীক জৰুৰীভাৱে নতুন পাঠ্যপুথি, বহী আৰু অন্যান্য শৈক্ষিক সামগ্ৰীৰে সমৃদ্ধ একোটাকৈ 'ফ্লাড-কিট' (Flood Kit) প্ৰদান কৰাটো অত্যন্ত প্ৰয়োজন।

তৃতীয়তে, পানী শুকুৱাৰ লগে লগে বিদ্যালয় চৌহদসমূহ বীজাণুমুক্ত কৰি পঢ়া-শুনাৰ বাবে স্বাস্থ্যকৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। ইয়াৰ উপৰি, এই দুৰ্যোগৰ বাবে মানসিকভাৱে আঘাতপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক স্বাস্থ্য উদ্ধাৰৰ অৰ্থে বিদ্যালয়সমূহত নিয়মিত পৰামৰ্শদান শিৱিৰৰ আয়োজন কৰা উচিত।

চতুৰ্থতে, স্থায়ী সমাধানৰ বাবে এই তিনিখন জিলাৰ বানপ্ৰৱণ অঞ্চলৰ বিদ্যালয় ভৱনসমূহ ওখ ভেটি বা চাংঘৰ শৈলীত নিৰ্মাণ কৰিব লাগে, যাতে বানপানী শ্ৰেণীকোঠাত প্ৰৱেশ কৰিব নোৱাৰে। একেদৰে পঞ্চায়ত পৰ্যায়ত সুকীয়া আশ্ৰয় শিৱিৰ গঢ়ি তুলিব লাগে, যাতে জৰুৰী সময়ত বিদ্যালয়সমূহক আশ্ৰয় শিৱিৰলৈ ৰূপান্তৰ কৰিবলগীয়া নহয়।

শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ শিক্ষাৰ্থীসকলৰ মেধা সমগ্ৰ অসমৰে গৌৰৱ। কিন্তু এইপ্ৰলয়ংকৰী বানে তেওঁলোকৰ পঢ়া-শুনা ব্যাহত কৰাৰ লগতে ভৱিষ্যতলৈ ডাঙৰ অনিশ্চয়তা আনি দিলে। বানাক্ৰান্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে কেৱল কিতাপ-পত্ৰ বা স্কুল ভৱনেই হেৰুওৱা নাই, তেওঁলোক গভীৰ মানসিক চাপৰো সন্মুখীন হৈছে।

সেয়েহে চৰকাৰ আৰু শিক্ষা বিভাগে সাময়িক সাহায্য প্ৰদানৰ সমান্তৰালভাৱে শিক্ষাখণ্ডৰ দীৰ্ঘম্যাদী পুনৰুদ্ধাৰত বিশেষ গুৰুত্ব দিয়াটো অতি জৰুৰী। নতুন পাঠ্যপুথি যোগান, ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্যৰ পৰামৰ্শ আৰু বান-প্ৰতিৰোধী শৈক্ষিক আন্তঃগাঁথনি নিৰ্মাণৰ দৰে গঠনমূলক পদক্ষেপসমূহ বিলম্ব নকৰি কাৰ্যকৰী কৰিব লাগিব। শৈক্ষিক ব্যৱস্থাক সময়মতে সুৰক্ষিত নকৰিলে অঞ্চলটোৰ নতুন প্ৰজন্ম প্ৰতিযোগিতাত পিছপৰি ৰ'ব। এই জৰুৰী পদক্ষেপসমূহ গ্ৰহণ কৰিলেহে দুৰ্দশাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলে দুৰ্যোগৰ ভয় আৰু ক্ষতি পাহৰি পুনৰ নতুন উদ্যমেৰে নিজৰ লক্ষ্যৰ দিশে আগবাঢ়িব পাৰিব।

# বানপানী, বানাক্ৰান্ত আৰু চৰকাৰ

**কমলেশ কাঞ্চন**

জুলাই মাহৰ শেষত হোৱা বানপানীয়ে উজনিৰ তিনিখন জিলা ক্ৰমে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট একপ্ৰকাৰ ধ্বংস কৰিলে। এই বানপানীত মানুহৰ লগতে লাখ লাখ পশুধন হেৰাই গ'ল। বিপদত পৰা মানুহক সহায়ৰ হাত আগবঢ়াবলৈ অসমৰ লগতে দেশৰ বিভিন্ন ঠাইৰ লোক বানপীড়িত অঞ্চললৈ আহিছে। সকলোৱে নিজৰ সামৰ্থ অনুসৰি সহায় কৰিছে। এইক্ষেত্ৰত বদৰুদ্দিন আজমল, সময় গগৈ, হুছেইন মনছিৰ, নীতা আম্বাণী, গৌতম আদানী, অনন্যা বিৰলা তথা দেশ আৰু ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তি সকলৰ নাম ল'বই লাগিব। অসম চৰকাৰেও ইতিমধ্যে সহায়ৰ হাত আগবঢ়াইছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি তথা কেন্দ্ৰীয় মন্ত্ৰী জে.পি. নাড্ডা ইতিমধ্যে বানপীড়িত অঞ্চল পৰিদৰ্শন কৰিছে। তেওঁ বানপীড়িত ৰাইজক যথোপযুক্ত সহায়ৰ আশ্বাস দিছে। শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ ডাঙৰীয়াই দিন- ৰাতি একাকাৰ কৰি বানপীড়িত ৰাইজৰ সৈতে সময় পাৰ কৰিছে। তেওঁ নিজৰ সামৰ্থ অনুসৰি সহায় কৰাৰ লগতে বিভিন্ন জনৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰি বানাক্ৰান্ত ৰাইজক সহায়ৰ বাবে আগুৱাই আহিছে। অসমৰ বিশিষ্ট ব্যক্তি সকলৰ উপৰিও এইবাৰৰ বানপানীত অসমীয়া লোকে যিদৰে সহায়ৰ হাত আগবঢ়াইছে সেয়া সঁচাই প্ৰশংসনীয়। বিপদৰ সময়ত জাতি - ধৰ্ম পাহৰি যিদৰে আগুৱাই আহিছে সেয়া সকলোৰে বাবে অনুকৰণীয়।



বিগত মাহত সংঘটিত হোৱা বানপানীত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে শিৱসাগৰ আৰু চৰাইদেউ জিলা। নাগালেণ্ডৰ নগা পাহাৰত ১৯ জুলাইৰ নিশা ডাৱৰ বিস্ফোৰণ হোৱাৰ বাবেই এই ভয়াৱহ দুৰ্যোগ হোৱা বুলি সকলোৱে মানি লৈছে যদিও ইয়াত অন্য কিছুমান সন্দেহো কিন্তু মানুহৰ মনলৈ আহিছে। ডাৱৰ বিস্ফোৰণৰ লগতে নাগালেণ্ডত নতুনকৈ নিৰ্মিত নদীবান্ধৰ পানী এৰি দিয়াৰ বাবে বানপানী হোৱা বুলি শিৱসাগৰ সমষ্টিৰ বিধায়কজনে ইতিমধ্যে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। ডাৱৰ বিস্ফোৰণ এক প্ৰাকৃতিক পৰিঘটনা ইয়াক ৰোধ কৰাৰ ক্ষমতা সাধাৰণতে মানুহৰ নাথাকে যদিও সময়মতে ক্ষতি হ'ব পৰা অঞ্চলত খবৰ দিলে নিশ্চিত বিপদৰ পৰা ৰক্ষা পৰাৰ লগতে ক্ষয়-ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিব পাৰি। ১৯ জুলাইৰ ডাৱৰ বিস্ফোৰণৰ ঘটনা নাগালেণ্ড চৰকাৰে কম সময়ৰ ভিতৰতে অসম চৰকাৰক জনোৱা বুলি কৈছে আৰু জনোৱাৰ পিছতো আগতীয়াকৈ সতৰ্ক হ'ব নোৱাৰাটোৱে নিশ্চিতভাৱে প্ৰশাসনৰ দুৰ্বলতাৰ কথাই সূচায়। শিৱসাগৰৰ একাংশ স্থানীয় লোকৰ মতে ডাৱৰ বিস্ফোৰণতকৈ নদীবান্ধৰ পানী এৰি দিয়াৰ বাবেহে আজি শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউৰ লোকৰ এই অৱস্থা হৈছে। জিলা তিনিখনৰ লোকৰ দুখৰ সময়তো একাংশই আকৌ সামাজিক মাধ্যমত সাম্প্ৰদায়িক মন্তব্য দিবলৈ আৰম্ভ কৰিছে।

বিপদৰ সময়ত সকলো সময়তে ছাঁটোৰ দৰে লাগি থকা এক বিশেষ সম্প্ৰদায় আৰু ধৰ্মৰ লোকক লক্ষ্য কৰি ফেচবুকত পোষ্ট কৰি থকা পৰিলক্ষিত হৈছে। যিবোৰ কাৰ্যই সামাজিক ঐক্য বিনষ্ট কৰাত অৰিহণা যোগাব পাৰে। সেয়েহে অসম চৰকাৰৰ গৃহ বিভাগে এনেকুৱা লোকৰ প্ৰতি কঠোৰ ব্যৱস্থা লোৱাৰ সময় আহি পৰিছে। বিপদৰ সময়ত সহায় কৰা লোকৰ প্ৰতি তীৰ্যক মন্তব্য কৰা সংস্কৃতি কেতিয়াৰ পৰা অসমীয়াৰ পৰিচয় হ'ল? মহাপুৰুষ শংকৰদেৱ, মহাপুৰুষ মাধৱদেৱ, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকা, জুবিন গাৰ্গৰ সপোনৰ অসম এইখনে নেকি য'ত দয়া - মমতা, হিংসা - বিদ্বেষৰে ভৰি পৰিছে! সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱা প্ৰতিজন ব্যক্তিৰ প্ৰতি কঠোৰ সিদ্ধান্ত ল'বলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ। বিপদৰ সময়ত হাতত হাত ধৰি আগুৱাই যাব লাগে, ঘৃণা বিয়পাই নহয়। নিজৰ মাজতে কাজিয়া বা সাম্প্ৰদায়িক বাতাবৰণ সৃষ্টি হ'লে বাহিৰৰ পৰা সহায়ৰ হাত আগবঢ়াবলৈ অহা লোকসকলে কি ভাবিব সেয়া নিশ্চয়কৈ জানিব লগীয়া কথা। নদীবান্ধে যদি শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউৰ ধ্বংসলীলাৰ মূল কাৰণ তেতিয়া হ'লে নিশ্চিত ভাৱে এই ধ্বংসলীলা ৰোধৰ সময় সমাগত।

বাৰিষাৰ বানে ইতিমধ্যে জুৰুলা কৰি থৈ গ'ল উজনি অসম। বাৰিষা এতিয়াও শেষ হোৱা নাই। যিকোনো মুহূৰ্ততে অসমৰ যিকোনো অঞ্চলত ইয়াতকৈ ডাঙৰ বানপানী নহ'ব বুলি নুই কৰিব নোৱাৰি। কাৰণ অসমখনেই বানপানী প্ৰৱণ অঞ্চলত অন্তৰ্গত। বছৰ বছৰ ধৰি অসমৰ বিভিন্ন দল- সংগঠন তথা ৰাজনৈতিক দলে(বিৰোধীৰ আসনত থকাৰ সময়ত) অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা ৰূপে ঘোষণা কৰিবলৈ দাবী জনাই আহিছে; কিন্তু কোনো এখন চৰকাৰে এই দাবী মানি লোৱা নাই। প্ৰত্যেক বছৰে বানপানীয়ে কোটি কোটি টকাৰ লোকচান কৰে অসমীয়া ৰাইজক। পূৰ্বতে প্ৰকৃতি সৃষ্ট বানে অসমীয়া জনগণক যি ক্ষতি কৰিছিল, এতিয়া মানৱ সৃষ্ট বানে অধিক ক্ষতি কৰিছে জনসাধাৰণক। অৰুণাচল, নাগালেণ্ড, মেঘালয়, ভূটান আদি ঠাইত অত্যধিক বৰষুণ বা ডাৱৰ বিস্ফোৰণ হ'লে অসমীয়াৰ চকুত নিদ্ৰা নোহোৱা হয়। কাৰণ যিকোনো সময়তে নদীবান্ধৰ দুৱাৰ খুলি দিয়ে আৰু নামনিৰ অংশত বানে তাণ্ডৱৰ সৃষ্টি কৰে। বছৰ বছৰ ধৰি এই একেবোৰ ঘটনাই অসমত ঘটি আহিছে। চৰকাৰেও বানপানী সমস্যা সমাধান কৰাৰ বাবে অহৰহ চেষ্টা কৰি আহিছে যদিও দিনক দিনে কিন্তু বৃদ্ধিহে পাই আহিছে; লগতে বৃদ্ধি পাইছে ক্ষয়-ক্ষতিৰ পৰিমাণ। নিজ ৰাজ্যৰ বাহিৰত পাহাৰ খনন বা নদীবান্ধ দিলে সেইখন ৰাজ্যত অসম চৰকাৰে একো কৰিব নোৱাৰে বুলি চৰকাৰৰ মুৰব্বীয়ে অসহায় মন্তব্য দিয়াতকৈ কেন্দ্ৰৰ সৈতে আলোচনা কৰি অবৈধ খননৰ লগতে নদীবান্ধ নিৰ্মাণৰ ৰোধ কৰাৰ ব্যৱস্থা ল'ব লাগে। হনুমানক সাগৰ পাৰ কৰাৰ সময়ত শক্তিৰ কথা জাম্বৱানে মনত পেলাই দিয়াৰ দৰে আমাৰ মুখ্যমন্ত্ৰীক অসমীয়া ৰাইজে মনত পেলাই দিয়াৰ প্ৰয়োজন নাই। তেওঁ নিজেই সকলো জ্ঞাত। গতিকে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কেন্দ্ৰৰ সৈতে আলোচনা কৰি মানৱসৃষ্ট বানপানী ৰোধৰ ব্যৱস্থা কৰাৰ দিশত আগবঢ়া উচিত। শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউৰ লোকে যাতে পুনৰবাৰ বানপানীৰ ধ্বংসলীলাৰ সন্মুখীন হ'ব লগা নহয়, তাৰ ব্যৱস্থা কৰক। ৫-১০ বছৰৰ ভিতৰত পুনৰ বানপানী আহিব আৰু ধ্বংসপ্ৰাপ্ত হ'ব এই তিনিখন জিলা; এয়াতো হ'ব নোৱাৰে। গতিকে মানৱসৃষ্ট বানপানীৰ স্থায়ী সমাধানৰ বাবে এতিয়া প্ৰতিশ্ৰুতি দিয়ক চৰকাৰে। উন্নয়ন মানে যদি জাতি এটা ধ্বংসৰ মুখলৈ গতি কৰে সেই উন্নয়নৰ প্ৰয়োজনে বা কি!

# শিশুৰ মানসিক উৎকৰ্ষ সাধনত সাধুকথাৰ ভূমিকা

**ৰশ্মি ৰেখা দুৱৰা**

শিশু হৈছে আমাৰ ভৱিষ্যৎ। আজিৰ শিশুৱেই কাইলৈৰ সু-নাগৰিক, সমাজ-সংস্কাৰক আৰু দেশৰ দায়িত্বশীল ব্যক্তি। সেয়েহে শিশুৰ শাৰীৰিক বিকাশৰ লগতে মানসিক, বৌদ্ধিক আৰু নৈতিক বিকাশো সমানেই গুৰুত্বপূৰ্ণ। এই মানসিক উৎকৰ্ষ সাধনত বিভিন্ন মাধ্যমৰ ভিতৰত সাধুকথা এক উল্লেখযোগ্য উপাদান। যুগে যুগে সাধুকথাই শিশুৰ মনোৰঞ্জনৰ লগতে শিক্ষা, মূল্যবোধ আৰু জীৱন-দৰ্শন গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

সাধুকথা হৈছে লোকসমাজত প্ৰচলিত এনে কাহিনী, য'ত ৰজা-ৰাণী, পৰী, জীৱ-জন্তু, গছ-গছনি অথবা অলৌকিক চৰিত্ৰৰ জৰিয়তে জীৱনৰ নানান নীতি-শিক্ষা প্ৰদান কৰা হয়। সাধুকথাৰ ভাষা সহজ-সৰল আৰু আকৰ্ষণীয় হোৱাৰ বাবে শিশোৱে আগ্ৰহেৰে শুনে আৰু মনত ৰাখিবলৈ সহজ হয়। ইয়াৰ প্ৰতিটো কাহিনীয়ে শিশুক আনন্দ দিয়াৰ লগতে জীৱনৰ সঠিক পথ বাছি ল'বলৈ অনুপ্ৰাণিত কৰে। সাধুকথাই শিশুৰ কল্পনাশক্তিক বিস্তাৰিত কৰে। পৰী, যাদু, অলৌকিক ৰাজ্য, কথা কোৱা জীৱ-জন্তু আদি চৰিত্ৰ আৰু ঘটনাই শিশুক এক নতুন জগতৰ সৈতে পৰিচয় কৰাই দিয়ে। এই কল্পনাৰ জগতেই শিশুৰ সৃজনশীল চিন্তাশক্তি গঢ়ি উঠে। কল্পনাশক্তিৰ বিকাশে শিশুক নতুন ধাৰণাৰ সৃষ্টি, সমস্যা সমাধান আৰু উদ্ভাৱনী শক্তি বৃদ্ধি কৰাত সহায় কৰে।

সাধুকথাৰ আটাইতকৈ ডাঙৰ অৱদান হৈছে নৈতিক মূল্যবোধ গঢ়ি তোলা। সত্যবাদিতা, সততা, দয়া, সহানুভূতি, সাহস, ধৈৰ্য, পৰোপকাৰ, শ্ৰমৰ মৰ্যাদা, ন্যায়পৰায়ণতা আদি গুণ সাধুকথাৰ জৰিয়তে শিশুৱে সহজে আয়ত্ত কৰে। অধিকাংশ সাধুকথাত শেষত সৎ ব্যক্তিৰ জয় আৰু অসৎ ব্যক্তিৰ পৰাজয় দেখুওৱা হয়। ইয়াৰ ফলত শিশুৰ মনত সৎ পথত চলাৰ প্ৰেৰণা জন্মে।

সাধুকথা শুনা আৰু পঢ়াৰ ফলত শিশুৰ শব্দশক্তি বৃদ্ধি পায়। নতুন শব্দ, বাক্যগঠন আৰু প্ৰকাশভংগী শিকিবলৈ সুবিধা হয়। ইয়াৰ ফলত ভাষাজ্ঞান, পঢ়াৰ অভ্যাস, শুদ্ধ উচ্চাৰণ আৰু যোগাযোগ দক্ষতাৰো বিকাশ ঘটে। যিসকল শিশুৱে নিয়মীয়াকৈ সাধুকথা শুনে, তেওঁলোকৰ কল্পনাশক্তি আৰু ভাষা প্ৰকাশৰ ক্ষমতা সাধাৰণতে অধিক উন্নত হয়। সাধুকথাৰ বিভিন্ন ঘটনা, চৰিত্ৰ আৰু পৰিস্থিতিয়ে শিশুক চিন্তা কৰিবলৈ উদ্বুদ্ধ কৰে। কোনে সঠিক কাম কৰিলে, কোনে ভুল কৰিলে, কেনেকৈ সমস্যাৰ সমাধান হ'ল- এইবোৰ বিষয়ত চিন্তা কৰি শিশুৰ বিশ্লেষণ ক্ষমতা আৰু যুক্তিবোধ বৃদ্ধি পায়। ফলত তেওঁলোকে সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা ধীৰে ধীৰে আয়ত্ত কৰে। সাধুকথাৰ জৰিয়তে শিশোৱে সমাজৰ বিভিন্ন নিয়ম-নীতি, পাৰস্পৰিক সহযোগিতা, বন্ধুত্ব, পৰিয়ালৰ মূল্য, বয়োজ্যেষ্ঠৰ প্ৰতি সন্মান আৰু সমাজৰ প্ৰতি দায়িত্ববোধ শিকে। ইয়াৰ ফলত শিশুৰ সামাজিক আচৰণ উন্নত হয় আৰু তেওঁ এজন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি উঠিবলৈ সক্ষম হয়।

সাধুকথাৰ নায়ক-নায়িকাসকলে বহু বাধা-বিঘিনি অতিক্ৰম কৰি সফলতা লাভ কৰে। এনে কাহিনীয়ে শিশুক সাহসী, আশাবাদী আৰু আত্মবিশ্বাসী হ'বলৈ উৎসাহিত কৰে। জীৱনত সমস্যা আহিলেও ধৈৰ্য আৰু অধ্যৱসায়েৰে আগবাঢ়ি যাব লাগে বুলি শিশুৱে উপলব্ধি কৰে। ইয়াৰ ফলত মানসিক দৃঢ়তা বৃদ্ধি পায়। প্ৰতিটো জাতিৰ সাধুকথাত সেই জাতিৰ সংস্কৃতি, পৰম্পৰা, বিশ্বাস, জীৱনধাৰা আৰু সামাজিক মূল্যবোধ প্ৰতিফলিত হয়।

বৰ্তমান বিজ্ঞান-প্ৰযুক্তিৰ যুগত শিশুসকলে মোবাইল ফোন, টেলিভিশ্বন আৰু ইণ্টাৰনেটত অধিক সময় কটায়। ফলত সাধুকথা শুনা বা পঢ়াৰ অভ্যাস ক্ৰমাৎ হ্ৰাস পাইছে। কিন্তু ডিজিটেল যুগতো সাধুকথাৰ প্ৰয়োজনীয়তা একেবাৰেই কমি যোৱা নাই। বৰং অভিভাৱক আৰু শিক্ষকে নিয়মীয়াকৈ শিশুক সাধুকথা ক'ব লাগে অথবা পঢ়িবলৈ উৎসাহিত কৰিব লাগে। আজিকালি চিত্ৰসহ গল্পৰ কিতাপ, অডিঅ' গল্প আৰু এনিমেচনৰ জৰিয়তেও সাধুকথা শিশুৰ ওচৰলৈ সহজে লৈ যাব পাৰি।

শিশুৰ মানসিক উৎকৰ্ষ সাধনত অভিভাৱক আৰু শিক্ষকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শোৱাৰ আগতে শিশুক সাধুকথা কোৱা, বিদ্যালয়ত গল্পপাঠৰ আয়োজন কৰা, গল্প কোৱাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা আৰু কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলাৰ জৰিয়তে শিশুৰ মাজত সাধুকথাৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰিব পাৰি। গল্পৰ অন্তৰ্নিহিত শিক্ষা শিশুক সহজ ভাষাত বুজাই দিলে তেওঁলোকৰ নৈতিক বিকাশ অধিক ফলপ্ৰসূ হয়।

সাধুকথা কেৱল মনোৰঞ্জনৰ মাধ্যম নহয়; ই শিশুৰ মানসিক, বৌদ্ধিক, নৈতিক, সামাজিক আৰু সাংস্কৃতিক বিকাশৰ এক শক্তিশালী মাধ্যম। ই শিশুৰ কল্পনাশক্তি, চিন্তাশক্তি, ভাষাজ্ঞান, মূল্যবোধ আৰু আত্মবিশ্বাস গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে আধুনিক ব্যস্ত জীৱনতো শিশুসকলক সাধুকথাৰ সৈতে পৰিচয় কৰোৱা আমাৰ সকলোৰে দায়িত্ব। যি সমাজে নিজৰ শিশুসকলক উন্নত আদৰ্শ, নৈতিক শিক্ষা আৰু সুস্থ মানসিক বিকাশৰ সুযোগ দিয়ে, সেই সমাজেই ভৱিষ্যতে এখন উন্নত, শান্তিপূৰ্ণ আৰু মানৱীয় সমাজ গঢ়ি তুলিবলৈ সক্ষম হয়। এই দিশৰ পৰা বিচাৰ কৰিলে, শিশুৰ মানসিক উৎকৰ্ষ সাধনত সাধুকথাৰ ভূমিকা অনস্বীকাৰ্য আৰু চিৰস্মৰণীয়।

# পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত, জিলা প্ৰশাসন, 'সেৱক আৰু মইনাপাৰ উচ্চতৰৰ সহযোগত নিচামুক্তি ভাৰত অভিযান

## ছাত্ৰ-ছাত্ৰীৰ মাজত ড্ৰাগছ বিৰোধী বৃহৎ সজাগতা ৰেলী, কৰ্মশালা আৰু চিত্ৰাংকন প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৮ আগষ্ট ঃ** সমাজৰ বুকুত নীৰৱে বিয়পি পৰা নিচাৰ বিষবাষ্পৰ বিৰুদ্ধে এক শক্তিশালী সামাজিক জাগৰণৰ বাৰ্তা কঢ়িয়াই পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত আজি 'নিচামুক্তি ভাৰত অভিযান'ৰ অংশৰূপে ছাত্ৰ-ছাত্ৰীৰ মাজত এক বৃহৎ ড্ৰাগছ বিৰোধী সজাগতা ৰেলী, সজাগতা কৰ্মশালা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। গোলাঘাট জিলা প্ৰশাসন, নুমলীগড় শোধনাগাৰ লিমিটেড (NRL), স্বেচ্ছাসেৱী অনুষ্ঠান Social Empowerment and Welfare Association of Kindness (SEWAK) আৰু তুলেশ্বৰী বৰুৱা মইনাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত অনুষ্ঠিত এই ব্যতিক্ৰমী কাৰ্যসূচীয়ে নৱপ্ৰজন্মক নিচাৰ কৰাল গ্ৰাসৰ পৰা আঁতৰাই এখন সুস্থ, সবল আৰু নিচামুক্ত সমাজ গঢ়াৰ সংকল্পক অধিক সুদৃঢ় কৰি তোলে। পুৱাৰ ভাগতে কেইবা শতাধিক ছাত্ৰ-ছাত্ৰীৰ সমাৱেশত নিচামুক্ত সমাজ গঢ়াৰ শপতবাক্য পাঠ কৰোৱায় গোলাঘাটৰ সহকাৰী জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী



বিষয়া অভিনাশ দাসে। শপতৰ সেই সমূহীয়া উচ্চাৰণে যেন নৱপ্ৰজন্মৰ কণ্ঠত এক নতুন সামাজিক অংগীকাৰৰ প্ৰতিধ্বনি তুলিলে। অনুষ্ঠানত ড্ৰাগছ বিৰোধী আৰু নিচামুক্তি সজাগতা কৰ্মশালাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ নৱ-নিযুক্ত পৰিদৰ্শক মদন পেগুৱে। আনহাতে, ছাত্ৰ-ছাত্ৰীৰ সৃজনশীল মননক ড্ৰাগছ বিৰোধী সামাজিক বাৰ্তাৰ সৈতে সংযোগ কৰাৰ উদ্দেশ্যে আয়োজিত সজাগতামূলক চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰে গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ ডীন ড° দেৱজিৎ ফুকনে। পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক স্বাগতা বৰা আৰু বিষয়ববীয়া আব্দুল কাছিমে আঁত ধৰা শুভাৰম্ভণি অনুষ্ঠানত শাখা সাহিত্য সভাৰ সভাপতি ড° পুতুল চন্দ্ৰ শইকীয়া, জ্যেষ্ঠ সাংবাদিক, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক, SEWAKৰ সভাপতি তথা সমগ্ৰ অভিযানৰ নেতৃত্ব লোৱা দিগন্ত কুমাৰ ভূএগ, তুলেশ্বৰী বৰুৱা মইনাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মৃদুপৱন শৰ্মা বৰবৰা, আটাছুৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক কৃষ্ণ বৰুৱা, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সহকাৰী সম্পাদক তনুজ কুমাৰ মহন্ত, ভাস্কৰ বৰা, পাৰ্থপ্ৰতীম তামূলী, সাংবাদিক সোণেশ্বৰ বাঢ়ৈ, প্ৰতাপ কুমাৰ দল, চন্দন কৰ্মকাৰ, দীপক শইকীয়া, সুজিত ঘোষ, আছিকুল আলি আদি বিশিষ্ট ব্যক্তিয়ে অতিথি হিচাপে অংশগ্ৰহণ কৰে। চিত্ৰাংকন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে ৰং আৰু তুলিকাৰ ভাষাৰে নিচাৰ বিৰুদ্ধে নিজৰ মনৰ প্ৰতিবাদ প্ৰকাশ কৰে। প্ৰতিযোগিতাখনৰ বিচাৰক হিচাপে উপস্থিত থাকে অসমৰ এগৰাকী বিশিষ্ট চিত্ৰশিল্পী চিৰস্মৃতা বৰা। অনুষ্ঠানটোত প্ৰিয়ংকা বৰুৱাই সহযোগিতা আগবঢ়ায়। ড্ৰাগছ বিৰোধী সজাগতা কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা NSSৰ প্ৰকল্প সমন্বয়ক ড° অন্তৰা বৰা আৰু গোলাঘাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিণ্টু সন্দিকৈ। তেওঁলোকে ড্ৰাগছৰ ভয়াবহতা, ইয়াৰ সামাজিক আৰু স্বাস্থ্যজনিত কুফল, আইনগত দিশ আৰু নৱপ্ৰজন্মক এই মাৰাত্মক ব্যাধিৰ পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত সমাজ তথা অভিভাৱকৰ কৰণীয় সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰে। উল্লেখযোগ্য যে, সাহিত্য আৰু সমাজ-সচেতনতাৰ মাজত এক সেতু নিৰ্মাণ কৰি পশ্চিম গোলাঘাট শাখা সাহিত্য সভাই আৰম্ভ কৰা এই অভিযান কেৱল এখন কাৰ্যসূচীতে সীমাবদ্ধ নহয়; বৰং গাঁৱে-ভূঞে, বিদ্যালয়ে-মহাবিদ্যালয়ে আৰু নগৰে-চহৰে নিচাৰ বিৰুদ্ধে এক সুস্থ সামাজিক পৰিৱেশ গঢ়ি তোলাৰ এক সুদূৰপ্ৰসাৰী প্ৰয়াস। দিনটোৰ কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়া গোলাঘাট নগৰত বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ প্ৰবক্তা পল্লৱী বৰাৰ পৰিচালনাৰে ড্ৰাগছ বিৰোধী 'বাট পথৰ বুকুত নাটৰ ভাষাৰে নিচাৰ বিৰুদ্ধে জনসচেতনতা সৃষ্টি' এক প্ৰয়াসে অভিযানটোক আৰু অধিক গুণমুখী কৰি তোলে।

# শিয়ালমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ হোষ্টেল নিৰ্মাণত অনিয়মৰ অভিযোগ

## নিৰপেক্ষ তদন্তৰ দাবী আমছুৰ

**অসম বাৰ্তা, খাৰুপেটীয়া, ১৮ আগষ্ট ঃ** শিয়ালমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ হোষ্টেল নিৰ্মাণ কাৰ্যত অনিয়ম, নিম্নমানৰ নিৰ্মাণ সামগ্ৰী ব্যৱহাৰ আৰু চৰকাৰী প্ৰাক্কলন অনুসৰণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু), দৰং জিলা সমিতিয়ে। বিষয়টোৰ এক নিৰপেক্ষ আৰু কাৰিকৰী তদন্তৰ দাবীত জিলা আয়ুক্তৰ ওচৰত সংগঠনটোৱে আনুষ্ঠানিকভাৱে আবেদন জনাইছে। আমছুৰ অভিযোগ অনুসৰি, প্ৰায় ৩ কোটি টকা ব্যয় সাপেক্ষে চলি থকা হোষ্টেল নিৰ্মাণ কাৰ্যৰ গুণগত মান আৰু চৰকাৰী প্ৰাক্কলনক লৈ কেইবাটাও গুৰুতৰ প্ৰশ্নৰ সৃষ্টি হৈছে। নিৰ্মাণস্থলীত অনুমোদিত Estimate, Drawing/Design আৰু Technical Specification সম্পৰ্কীয় পৰ্যাপ্ত তথ্য দৃশ্যমান নোহোৱাৰ লগতে নিৰ্মাণ কাৰ্য অনুমোদিত কাৰিকৰী নিৰ্দেশনা অনুসৰি সম্পন্ন হৈছে নে নাই, তাক লৈও সন্দেহ প্ৰকাশ কৰিছে সংগঠনটোৱে। বিশেষকৈ নিম্নমানৰ ইটা, বালি, চিমেণ্ট, কংক্ৰিট আৰু ৰড ব্যৱহাৰৰ অভিযোগৰ লগতে হোষ্টেল ভৱনৰ উচ্চতা, Foundation Design, Electrical Wiring আৰু অন্যান্য বৈদ্যুতিক সামগ্ৰীৰ মানক লৈও তদন্তৰ দাবী জনাইছে আমছুৱে। কামৰ একাংশ Sub-Contract দিয়াৰ অভিযোগো তদন্তৰ আওতালৈ অনাৰ দাবী উত্থাপন কৰা হৈছে। ইয়াৰ উপৰি, বৃহৎ পৰিমাণৰ চৰকাৰী ধনৰ সৈতে জড়িত এই নিৰ্মাণ কাৰ্যত সংশ্লিষ্ট অভিযন্তা আৰু বিষয়াসকলে নিয়মীয়াকৈ Site Inspection কৰিছে নে নাই, সেয়া পৰীক্ষা কৰাৰ দাবী জনোৱা হৈছে। লগতে Measurement Book (MB), Work Order, Bill, Running Account Bill, Site Inspection Report আৰু Quality Test Report আদি কাৰিকৰী নথি পৰীক্ষাৰ দাবী কৰিছে সংগঠনটোৱে। আমছুৰ দাবীসমূহৰ ভিতৰত নিৰ্মাণস্থলীত Surprise Inspection, নিৰ্মাণ সামগ্ৰীৰ Laboratory Testing, Technical Quality Audit আৰু বৈদ্যুতিক সামগ্ৰীৰ গুণগত মান পৰীক্ষা অন্যতম। লগতে ঠিকাদাৰ, অভিযন্তা আৰু নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত সংশ্লিষ্ট ব্যক্তিসকলৰ ভূমিকা তদন্ত কৰাৰো দাবী জনোৱা হৈছে। আমছুৰ দৰং জিলা সমিতিয়ে স্পষ্ট কৰি দিয়ে যে এই অভিযোগ কোনো ব্যক্তি বা প্ৰতিষ্ঠানক আগতীয়াকৈ দোষী সাব্যস্ত কৰাৰ উদ্দেশ্যে কৰা হোৱা নাই। চৰকাৰী ধনৰ স্বচ্ছ ব্যৱহাৰ, নিৰ্মাণ কাৰ্যৰ গুণগত মান আৰু ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰাৰ স্বাৰ্থতেই নিৰপেক্ষ তদন্তৰ দাবী জনোৱা হৈছে। সংগঠনটোৱে জিলা প্ৰশাসনে বিষয়টোক গুৰুত্বসহকাৰে লৈ শীঘ্ৰে তদন্তৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে। তদন্তত কোনো অনিয়ম বা চৰকাৰী ধনৰ অপব্যৱহাৰ প্ৰমাণিত হ'লে দোষীসকলৰ বিৰুদ্ধে আইন আৰু চৰকাৰী নিয়ম অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে আমছুৱে।

## ১৭ আগষ্টৰ পৰা আৰম্ভ গৃহতালিকাকৰণ আৰু গৃহ গণনা

# অসমত সফলভাৱে সম্পূৰ্ণ স্ব-গণনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৮ আগষ্ট ঃ** আমিনগাঁৱস্থিত জনগণনা সঞ্চালকালয়, অসমত সোমবাৰে অনুষ্ঠিত এক সংবাদমেলত জনগণনা সঞ্চালক বিশ্বজিৎ পেগুৱে জানিবলৈ দিয়ে যে অসমত জনগণনা ২০২৭ৰ অন্তৰ্গত স্ব-গণনা (Self Enumeration) পৰ্যায় সফলভাৱে সম্পূৰ্ণ হৈছে। ১৬ আগষ্ট ২০২৬ তাৰিখে সমাপ্ত হোৱা এই পৰ্যায়ত ৰাজ্যখনৰ ১১, ৬৪, ৫৮৬টা পৰিয়ালে স্ব-গণনা সম্পন্ন কৰে। জিলাসমূহৰ ভিতৰত কাছাৰ, শ্ৰীভূমি আৰু কোকৰাঝাৰ শীৰ্ষ প্ৰদৰ্শনকাৰী জিলা হিচাপে পৰিগণিত হৈছে। লগতে তেওঁ জনায় যে গৃহতালিকাকৰণ আৰু গৃহ গণনা (Houselisting and Housing Census - HLO) পৰ্যায় সোমবাৰৰ পৰা, অৰ্থাৎ ১৭ আগষ্ট ২০২৬ৰ পৰা আৰম্ভ হৈছে আৰু ১৫ ছেপ্টেম্বৰ ২০২৬লৈকে চলিব। এই সময়ছোৱাত প্ৰশিক্ষিত গণনাকাৰীয়ে ৰাজ্যৰ প্ৰতিটো পৰিয়ালৰ ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰিব। যিসকল পৰিয়ালে পূৰ্বে স্ব-গণনা সম্পন্ন কৰিছে, তেওঁলোকে গণনাকাৰীৰ আগমনৰ সময়ত SE ID প্ৰদান কৰিব লাগিব, যাতে তথ্যসমূহৰ প্ৰয়োজনীয় সত্যাপন সম্পন্ন কৰিব পৰা যায়। আনহাতে, যিসকল পৰিয়ালে স্ব-গণনা সম্পন্ন কৰা নাই, তেওঁলোককো এই ঘৰে ঘৰে সমীক্ষাৰ জৰিয়তে অন্তৰ্ভুক্ত কৰা হ'ব। জনগণনাত যাতে "কোনো বাদ নপৰে, কোনো দ্বৈত অন্তৰ্ভুক্তি নহয়" (No Omission, No Duplication) এই মূল নীতি কঠোৰভাৱে অনুসৰণ কৰা হ'ব আৰু সংগৃহীত সকলো তথ্যৰ সম্পূৰ্ণ গোপনীয়তা ৰক্ষা কৰা হ'ব বুলি সঞ্চালকগৰাকীয়ে সংবাদমেলত জানিবলৈ দিয়ে। লগতে তেওঁ কয় যে জনগণনা আইন, ১৯৪৮ অনুসৰি জনগণনাৰ সময়ত সংগৃহীত তথ্য আদালতত প্ৰমাণ হিচাপে গ্ৰহণযোগ্য নহয়। সোমবাৰৰ সংবাদমেলত জনগণনা ২০২৭ৰ ৰাজ্যিক ন'ডেল বিষয়া তথা সাধাৰণ প্ৰশাসন বিভাগৰ অতিৰিক্ত সচিব পাৰ্থ পেগুও উপস্থিত থাকে। অসমৰ জনগণনা সঞ্চালকগৰাকীয়ে সকলো নাগৰিকক গণনাকাৰীসকলক সহযোগিতা কৰি জনগণনা ২০২৭ সফল কৰাৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। সংবাদমেলৰ অন্তত সংবাদকৰ্মীসকলৰ সৈতে এক মতবিনিময় অনুষ্ঠান অনুষ্ঠিত হয়, য'ত গৃহতালিকাকৰণ আৰু গৃহ গণনা পৰ্যায় সন্দৰ্ভত বিভিন্ন প্ৰশ্নৰ উত্তৰ আৰু স্পষ্টীকৰণ আগবঢ়োৱা হয়।

# ৰূপহীহাটত বানাক্ৰান্ত পশু পালকলৈ পশুখাদ্য বিতৰণ

**অসম বাৰ্তা, ৰূপহীহাট, ১৮ আগষ্ট ঃ** সাম্প্ৰতিক বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা পশুপালকসকলক কিছু সকাহ দিয়াৰ উদ্দেশ্যে আজি চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত কেইবাখনো বানাক্ৰান্ত গাঁৱত পশুখাদ্য বিতৰণ কৰা হয়। চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত শ্বপতকাঢ়া, গেৰুৱা আঁটি, বাটামাৰী, তামোলীতুপ, খানাতুপ (৮ নং ৱাৰ্ড), জেউমাৰী (২ নং ৱাৰ্ড), জেউমাৰী (৩ নং ৱাৰ্ড) আৰু বৰঘাট গাঁৱৰ বানাক্ৰান্ত পশুপালকসকলৰ মাজত পশুখাদ্য হিচাপে ঘেঁহুৰ ভূচি বিতৰণ কৰা হয়। বানপানীৰ ফলত বহু পশুপালকে গৰু-ম'হকে ধৰি পশুধনৰ খাদ্যৰ সংকটত ভুগি অহাৰ সময়তে এই পশুখাদ্য বিতৰণে বানাক্ৰান্ত পশুপালকসকলক কিছু পৰিমাণে সকাহ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। বানপানীৰ সময়ছোৱাত পশুধনৰ খাদ্যৰ যোগান অব্যাহত ৰখাৰ লগতে পশুধনৰ স্বাস্থ্য সুৰক্ষাৰ বাবেও প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ আহ্বান জনাইছে স্থানীয় ৰাইজে।

# শব্দৰ জোনাকত কবিতাৰ খেলা, অসমৰ পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় হোজাই অধিৱেশন

**অসম বাৰ্তা, লংকা, ১৮ আগষ্ট ঃ** নৱপ্ৰজন্মৰ কবিসকলক এখনি উপযুক্ত মঞ্চ প্ৰদান, তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাক বিকাশৰ সুযোগ দিয়া আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰতি নতুন প্ৰজন্মৰ আগ্ৰহ বৃদ্ধি কৰাৰ উদ্দেশ্যে গঢ় লৈ উঠা "শব্দৰ জোনাকত কবিতাৰ খেলা, অসম"ৰ পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় হোজাই অধিৱেশন অহা ২৩ আগষ্ট ২০২৬, দেওবাৰে হোজাই জিলাৰ নিলবাগানস্থিত হাজী আজমল আলী কলেজত অনুষ্ঠিত হ'ব। সাহিত্য আৰু কবিতা চৰ্চাৰ জৰিয়তে নৱপ্ৰজন্মৰ প্ৰতিভাক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ সৃষ্টিশীলতা প্ৰকাশৰ বাবে এখনি মুকলি মঞ্চ সৃষ্টি কৰাই সংগঠনটোৰ অন্যতম মূল লক্ষ্য। বিগত সময়ছোৱাত গোটেইটোৱে নৱপ্ৰজন্মৰ কবি আৰু সাহিত্যপ্ৰেমীসকলক একত্ৰিত কৰি সাহিত্য চৰ্চাৰ এক ইতিবাচক পৰিৱেশ গঢ়ি তোলাৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। আগষ্টত অধিৱেশনত গ্ৰন্থ উন্মোচন, সতীৰ্থ সন্মিলন, আলোচনা চক্ৰ আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। সতীৰ্থ সন্মিলনত কবি, সাহিত্যপ্ৰেমী আৰু সতীৰ্থসকলে নিজৰ সাহিত্যিক অভিজ্ঞতা, অনুভৱ আৰু মতামত বিনিময় কৰিব। আনহাতে, আলোচনা চক্ৰত সাহিত্য, কবিতা, নৱপ্ৰজন্মৰ সৃষ্টিশীলতা আৰু অসমীয়া সাহিত্যৰ ভৱিষ্যৎ সম্পৰ্কে বিভিন্ন দিশত আলোচনা আৰু মত-বিনিময় কৰা হ'ব। অধিৱেশনৰ অন্যতম আকৰ্ষণীয় কাৰ্যসূচী হিচাপে ২০ গৰাকী নৱপ্ৰজন্মৰ কবিক "কাব্যজ্যোতি সন্মান ২০২৬" প্ৰদান কৰা হ'ব। সাহিত্য আৰু কবিতা চৰ্চাত আগবঢ়াই অহা নতুন প্ৰজন্মৰ কবিসকলৰ সৃষ্টিশীল প্ৰতিভাক স্বীকৃতি আৰু উৎসাহ প্ৰদানৰ উদ্দেশ্যেই এই সন্মান আগবঢ়োৱা হ'ব। ইয়াৰ উপৰি, হোজাই জিলাৰ সাংবাদিকতা ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদান, নিষ্ঠা, কৰ্মদক্ষতা আৰু সমাজৰ প্ৰতি দায়বদ্ধতাৰ স্বীকৃতি হিচাপে জিলাখনৰ ১০ গৰাকী প্ৰতিভাৱান যুৱ সাংবাদিকক "যুৱ সাংবাদিক প্ৰেৰণ সন্মান ২০২৬" প্ৰদান কৰা হ'ব। এই সন্মানৰ জৰিয়তে যুৱ সাংবাদিকসকলৰ ইতিবাচক সাংবাদিকতা আৰু সমাজৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতাক উৎসাহিত কৰাৰ প্ৰয়াস কৰা হৈছে। আয়োজকসকলে আশা প্ৰকাশ কৰিছে যে কবি, সাহিত্যিক, সাংবাদিক, সাহিত্যপ্ৰেমী, সাংস্কৃতিক কৰ্মী আৰু শুভাকাংক্ষীসকলৰ সক্ৰিয় অংশগ্ৰহণে পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় হোজাই অধিৱেশনখনক সফল আৰু অৰ্থপূৰ্ণ কৰি তুলিব। এই অধিৱেশনে নৱপ্ৰজন্মৰ কবিসকলক সাহিত্য চৰ্চাৰ প্ৰতি অধিক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ প্ৰতিভাক বৃহত্তৰ সমাজৰ আগত তুলি ধৰিবলৈ এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। একে সময়তে যুৱ সাংবাদিকসকলক সন্মানিত কৰাৰ এই পদক্ষেপে হোজাই জিলাৰ সাংবাদিকতা ক্ষেত্ৰতো এক ইতিবাচক অনুপ্ৰেৰণা সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

## নিৰ্মাণৰত ১০০খন বিছনাযুক্ত চিকিৎসালয়খন শীঘ্ৰে কাৰ্যক্ষম কৰিবলৈ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ

# টংলাত স্বাস্থ্য বিভাগ হায় হায়, অশোক সিংঘাল হায় হায় ধ্বনিৰে আছুৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৮ আগষ্ট ঃ** ওদালগুৰি জিলাৰ এখন অতি পৌৰাণিক ব্যস্ত নগৰ তথা সাহিত্য, সংস্কৃতি শৈক্ষিক, বৌদ্ধিক নগৰ ৰূপে খ্যাত টংলা নগৰত অৱস্থিত টংলা সামূহিক চিকিৎসালয়ত পৰ্যাপ্ত চিকিৎসক, নাৰ্ছ আৰু অন্যান্য কৰ্মচাৰী নিযুক্তি দিয়া, চৰকাৰী এম্বুলেন্স সেৱাৰ উন্নীত কৰণ, ১০০খন বিছনাযুক্ত নিৰ্মাণৰত চিকিৎসালয়খন অতি শীঘ্ৰে সম্পূৰ্ণ কৰাৰ দাবীত আজি টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। দীৰ্ঘদিন ধৰি চিকিৎসালয়খনত অক্সিজেন চিলিণ্ডাৰ অভাৱ আৰু ৰোগীৰ প্ৰয়োজন অনুসৰি পৰ্যাপ্ত ঔষধ উপলব্ধ নোহোৱাৰো অভিযোগ উত্থাপন কৰি সংগঠনটোৱে টংলা সামূহিক চিকিৎসা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক জৱাবদিহি কৰে। টংলা চহৰ আৰু উপকণ্ঠ অঞ্চলৰ পঁয়ালগা চিকিৎসা সেৱা ব্যৱস্থাৰ বিভিন্ন সমস্যাৰ সমাধানৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি টংলা সামূহিক চিকিৎসালয়ত ১৪জন ডাক্তৰ, ১৬ গৰাকী নাৰ্ছ নিযুক্তি, এম্বুলেন্স সেৱা ২৪ ঘণ্টাই উপলব্ধ, পৰ্যাপ্ত পৰিমাণৰ অক্সিজেন চিলিণ্ডাৰ যোগান আৰু লেবৰেটৰী কাৰিকৰী বিশেষজ্ঞ দুজন নিযুক্তি আদি কেবাটাও দাবী সম্বলিত স্মাৰক পত্ৰ হৰিশিঙা ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰী আৰু ওদালগুৰি জিলা আয়ুক্তলৈ প্ৰদান কৰে। টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃত্বত টংলা ভেৰগাঁও পথৰ আমতল চকত সমবেত হৈ স্বাস্থ্য মন্ত্ৰী হায় হায়, অশোক সিংঘাল হায় হায়, স্বাস্থ্য বিভাগ হায় হায় হায় হায়, বিজেপি লেই লেই চেই চেই আদি ধ্বনিৰে মুখৰিত কৰি টংলা সামূহিক চিকিৎসা কেন্দ্ৰলৈ আহে। প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য চিণ্টুমনি চক্ৰৱৰ্তী, টংলা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নাৰায়ণ দাস, সম্পাদক কংকন দাস, সদৌ ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মাধুৰ্য শৰ্মাসহ বিষয় ববীয়া আৰু অসম উন্নতি সভাৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি ঘন কান্ত ডেকা, স্থানীয় ৰাইজ, দল সংগঠনৰ নেতৃবৃন্দ উপস্থিত থাকে।

# মাকুম ডেইলি বজাৰত পুনৰ চুৰিকাণ্ড

**অসম বাৰ্তা, মাকুম, ১৮ আগষ্ট ঃ** মাকুম চহৰৰ ডেইলি বজাৰত পুনৰ চুৰিকাণ্ডৰ ঘটনা সংঘটিত হয়। কালি নিশা বজাৰখনৰ আব্দুল টেইলাৰ্চ এণ্ড লেডিজ কৰ্ণাৰ নামৰ দোকানখনৰ চিলিং ভাঙি চোৰে প্ৰৱেশ কৰি দুটা কেচ বাকচৰ পৰা প্ৰায় ৩৫ হাজাৰ টকা নগদ ধন লুটি নিয়ে। জানিব পৰা মতে, নিশাৰ ভাগত চোৰে দোকানখনৰ ওপৰৰ চিলিং ভাঙি ভিতৰত প্ৰৱেশ কৰে। পিছত দোকানখনত থকা দুটা কেচ বাকচৰ পৰা নগদ ধন লৈ ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইফালে, ইয়াৰ পূৰ্বে শনিবাৰে নিশাও ডেইলি বজাৰৰ সমীপৱৰ্তী তিনিখন দোকানত চুৰিকাণ্ড সংঘটিত হৈছিল। একেটা অঞ্চলতে ধাৰাবাহিকভাৱে চুৰিকাণ্ড সংঘটিত হোৱাত স্থানীয় ব্যৱসায়ী আৰু ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, মাকুম চহৰত আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থা আৰু পৌৰসভাৰ চিচিটিভি নজৰদাৰী ব্যৱস্থা দুৰ্বল হোৱাৰ সুযোগ লৈ চোৰে ধাৰাবাহিকভাৱে চুৰিকাণ্ড সংঘটিত কৰি আহিছে। ধাৰাবাহিক চুৰিকাণ্ড ৰোধৰ বাবে মাকুম আৰক্ষী-প্ৰশাসনক নিশাৰ নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ লগতে চিচিটিভি নজৰদাৰী ব্যৱস্থা শক্তিশালী কৰাৰ দাবী জনাইছে স্থানীয় ব্যৱসায়ীসকলে।

## আশীৰ দশকৰ পৰা বহু নাট ভাওনাৰ মননশীল অভিনয়েৰে সমৃদ্ধ কৰা শিল্পী গৰাকীৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ

# গেৰুৱাৰ চিৰসেউজ অভিনেতা ধন বৰাৰ দেহাৱসান

**অসম বাৰ্তা, ভূৰাগাঁও, ১৮ আগষ্ট ঃ** মৰিগাঁও জিলাৰ গেৰুৱা গাঁৱৰ সু-সন্তান তথা বলিষ্ঠ অভিনেতা ধন বৰা আৰু নাই। আজি পুৱা ৮ বজাত নিজা বাস ভৱনত ৬২ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু দুই সন্তানৰ লগতে বহু আত্মিয় এৰি থৈ গৈছে। ধন বৰা আছিল এজন আজন্ম শিল্পী। ১৯৭৫-৭৬ চনৰ পৰাই নাট ভাওনাৰ সৈতে জড়ীত বৰাৰ ঘৰ খনত আছিল এক সাংস্কৃতিক পৰিবেশ। সেই পৰিবেশে দিছিল ধন বৰাক এক সাংস্কৃতিক মন। ১৯৭৮ চনত লগৰ সমনীয়াৰ সৈতে মিলি হাতে কামে লাগি মেণ্টেল লাইটৰ পোহৰত ষ্টেজ পাতি নাটক কৰি অঞ্চল টোত নাট্য আন্দোলনৰ নৱজাগৰণ সৃষ্টি কৰা কাণ্ডাৰী সকলৰ ভিতৰত ধন বৰাৰ নামো অন্যতম। সকলো ধৰণৰ অভিনয়ত সিদ্ধহস্ত সুঠাম অভিনেতা ধন বৰাই ১৯৭৯ চনত ৰজাবড়ী নামঘৰ প্ৰাঙ্গনত (নিজ গেৰুৱা) পদৰ্শিত ঘাট-প্ৰতিঘাট নামৰ নাটক খনত এগৰাকী অভিনেত্ৰীয়ে অসুস্থতাৰ বাবে ধনবৰাই সেই মহিলা চৰিত্ৰত অভিনয় কৰি দৰ্শকৰ বাঃ বাঃ পাবলৈ সক্ষম হোৱাৰ দৰে কথা বোৰ স্থানীয় লোকৰ মুখে মুখে এতিয়াও ৰূপকথাৰ দৰে চৰ্চা লাভ কৰি আহিছে। তদুপৰি ধন বৰা এগৰাকী নৃত্য শিল্পীও আছিল। আশীৰ দশকত বহু কেইখন নৃত্যে নাটিকাত বিশেষকৈ জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আদি চৰিত্ৰত অভিনয় কৰি ধন বৰাই ভুয়সী প্ৰসংসা বুটলিবলৈ সক্ষম হৈছিল। তেওঁ সামাজিক নাট আৰু অঙ্কীয়া নাটবো এজন দক্ষ অভিনেতা আছিল। তেওঁৰ অভিনয়ৰ দক্ষতা ধৰাৰ বাবে আছিল সুদৰ্শন চেহেৰাৰ অধিকাৰী। জীৱন কালত তেওঁ বহু সামাজিক নাট আৰু ভাওনাৰ মুল চৰিত্ৰত অভিনয় কৰি গৈছে। তাৰ ভিতৰত ভাইবোৱাৰী, দেউতা, বিশ্বাসঘাটক, এইঘৰ এই মাটি, সূৰ্যাস্ত, অলংকাৰ, নতুন দিগন্ত, মনি-কাঞ্চন, শকুনিৰ প্ৰতিশোধ, পাৰ্থ পৰাজয়, অভিমন্যু বধ, কেলি গোপাল আদি বহুতো। যোৱা এটা বছৰ ধৰি তেওঁ কৰ্কট ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। আজি তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰা মাত্ৰকে গুনমুগ্ধ সকল তেওঁৰ বাসভৱনত শেষ শ্ৰদ্ধা নিবেদনৰ বাবে ভিৰ কৰে। ইফালে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰি গেৰুৱা চাৰিআলিৰ দোকান বজাৰ বন্ধ ৰখা হয়। শিল্পী ধন বৰাৰ মৃত্যুত গেৰুৱা যুৱ নাট্য মঞ্চ, গেৰুৱা জনতা পুথিভঁড়াল, গেৰুৱা আঞ্চলিক ছাত্ৰ সন্থা, লাইব্ৰেৰী প্ৰেক্ষাগৃহ কমিটিকে প্ৰমুখ্যে কৰি বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াল লৈ সমবেদনা জ্ঞাপন কৰিছে।

# জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেটত ৰোমাঞ্চকৰ জয়ৰে তিতাবৰৰ অগ্ৰগতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৮ আগষ্ট ঃ** অসম ক্ৰিকেট সন্থাৰ দ্বাৰা পৰিচালিত ১৯ বছৰ অনুৰ্দ্ধ জয়কান্ত বৰুৱা সোঁৱৰণী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ উদ্বোধনী খেলখনত তিতাবৰ ক্ৰিকেট সন্থাই কলিয়াবৰ ক্ৰিকেট সন্থাক ৫ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ খেলত প্ৰথমে বেটিং কৰি তিতাবৰ ক্ৰিকেট সন্থাই অনিৰ্বাণ গগৈৰ ১৭, মৃতঞ্জয়ৰ ১৬ আৰু ছান সিং ৰাণাৰ ১৩ ৰাণৰ অৱদানৰ সহায়ত ২৭-৩ ওভাৰত সকলো উইকেট হেৰুৱাই ৮০ ৰাণ সংগ্ৰহ কৰে। বলিংত কলিয়াবৰৰ হৈ সুমিত জেনাই ৩টা, অভিষেক শুক্লা আৰু ঔম শৰ্মাই ২ টাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত সহজ লক্ষ্য অনুসৰণ কৰি কলিয়াবৰ দলে তিতাবৰৰ আকৰ্ষণীয় বলিঙৰ সন্মুখত দিশহাৰা হৈ ২৮-২ অভাৰত ঔম শৰ্মাৰ ১৩, সুমিত জেনা আৰু ইশ্বান দাসৰ ১১ ৰাণৰ বৰঙণিৰ সহায়ত ৭৫ ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। তিতাবৰৰ হৈবলিঙত অনিৰ্বাণ গগৈ আৰু আৰিয়ান মজুমদাৰে ৪ টাকৈ উইকেট দখল কৰে। খেলৰ আৰম্ভণিতে অসম ক্ৰিকেট সন্থা আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ পতাকা আনুষ্ঠানিক ভাবে উত্তোলন কৰে জিলা ক্ৰীড়া সন্থাৰ সভাপতি সৌৰভ মেধিয়ে। সন্থাৰ মিডিয়া সমন্বয়ক মানস প্ৰতীম পাটৰৰ তত্বাৱধানত আয়োজিত আদৰণি অনুষ্ঠানটোত অসম ফুটবল সন্থাৰ উপসভাপতি জিতু বৰদলৈ, মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ জ্যেষ্ঠ উপ সভাপতি ৰমেন নাথ, অসম উন্নতি সভাৰ সম্পাদক অতনু শৰ্মা, জিলা ক্ৰীড়া সন্থাৰ যুটীয়া সম্পাদক দ্বয় ক্ৰমে নাছিৰ উদ্দিন আহমেদ আৰু বিজয় নাথ, সহকাৰী সম্পাদক দ্বয় ক্ৰমে সমুদ্ৰ নাৰায়ণ মেধী আৰু ইক্ৰামূল হুছেইন, ক্ৰিকেট সম্পাদক আলামূল ইয়াকিনকে ধৰি অন্যান্য শাখা সম্পাদক আৰু বিশিষ্ট ব্যক্তি সকলৰ উপস্থিতিত অসম ক্ৰিকেট সন্থাৰ পেনেল আম্পায়ৰ অসীম ভাৱাল আৰু সোমৰাজ পালৰ লগতে তিতাবৰ আৰু কলিয়াবৰ দলৰ প্ৰশিক্ষকৰ দ্বাৰা আদৰণি জনোৱা হয়। আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ তিতাবৰ ক্ৰিকেট সন্থাৰ অনিৰ্বাণ গগৈয়ে লাভ কৰে।

# তিনিচুকীয়া জিলাৰ ছৈখোৱাত কৰুণ ঘটনা

## পানীত পৰি তিনিজন ব'লবাম যাত্ৰীৰ অকাল মৃত্যু

**অসম বাৰ্তা, ছৈখোৱা, ১৮ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ ছৈখোৱাত আজি সলিল সমাধি ঘটে তিনি ব'লবাম যাত্ৰীৰ। প্ৰবিত্ৰ শাওন মাহ উপলক্ষে ছৈখোৱাৰ পৰা পানী সংগ্ৰহ কৰি তিনিচুকীয়া শিৱধামলৈ ভক্তসকল যোৱাৰ পৰম্পৰা আজি বছৰে বছৰে চলি আহিছে। বছৰৰ শাওন মাহৰ প্ৰতিটো দেওবাৰে অসমৰ বিভিন্ন প্ৰান্তৰ ভক্তসকল আহি ছৈখোৱাত ভিৰ কৰা দেখা যায়। ঠিক তেনেদ'ৰে ডিব্ৰুগড় জিলাৰ আমলাপট্টিৰ ৰাজ শ্বাহ, পংকজ গুপ্তা আৰু বিশাল শ্বাহে গা ধুই জল নিবলৈ আহি নদীৰ গভীৰতাত সোমাই সলিল সমাধি ঘটে। ঘটনাটি সংঘটিত হোৱাৰ লগে লগে ধলা থানাৰ আৰক্ষী, এছ, ডি, আৰ, এফৰ দ'লে উদ্ধাৰ অভিযান চলাই সমীপৱৰ্তী ডাঙৰী সামূহিক স্বাস্থ্যকেন্দ্ৰলৈ লৈ যায় যদিও চিকিৎসকে পৰীক্ষা কৰি তিনিওকে মৃত ঘোষণা কৰে। ঘটনাটোক কেন্দ্ৰ কৰি সমগ্ৰ ছৈখোৱাতে শোকৰ পৰিৱেশে বিৰাজ কৰিছে।

## ৮খন নতুন সম-জিলা গঠনত অনুমোদন

আৰু গেছৰ নতুন সম্ভাৱনাৰ সন্ধানত ৰাজ্যৰ বিভিন্ন স্থানত খনন কাৰ্য চলোৱাৰ ক্ষেত্ৰত চৰকাৰে সুবিধা আৰু বিভিন্ন ইনচেনটিভ আগবঢ়োৱাৰ কথা মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। প্ৰয়োজন অনুসৰি জিএছটি ৰেহাই, পথ আৰু বিদ্যুৎ সংযোগৰ সুবিধাও প্ৰদান কৰাৰ কথা তেওঁ কয়। পূৰ্বে বাৰেকুৰি অঞ্চলত খনন কাৰ্য চলোৱা হৈছিল বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজ্যৰ সমবায় ব্যৱস্থাক অধিক স্বচ্ছ আৰু ডিজিটেল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এতিয়াৰে পৰা অনলাইনৰ জৰিয়তে সমবায় পঞ্জীয়নৰ ব্যৱস্থা কৰা হ'ব। মুখ্যমন্ত্ৰীৰ মতে, দুগ্ধ সমবায়সমূহ একেদিনাই পঞ্জীয়ন কৰাৰ লক্ষ্য লোৱা হৈছে। আনহাতে, অন্যান্য সমবায়ৰ পঞ্জীয়ন প্ৰক্ৰিয়া সৰ্বাধিক ৩০ দিনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা হ'ব। শিশু সুৰক্ষা আৰু যুৱ-কল্যাণৰ ক্ষেত্ৰতো কেবিনেটে গুৰুত্বপূৰ্ণ ভূমিকা লয়। কেবিনেটে অসম চামাজিক ছিকিউৰিটি ৰুলছ অধিসূচনা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। একেদৰে অসম ষ্টেট চাইল্ড প্ৰটেকছন পলিচিতো অনুমোদন জনোৱা হয়। ৰাজ্যত যুৱ-কল্যাণ বিভাগ প্ৰৱৰ্তনৰ ক্ষেত্ৰতো কেবিনেটে অনুমোদন জনায়। প্ৰশাসনিক ব্যৱস্থা অধিক বিকেন্দ্ৰীকৃত কৰাৰ লক্ষ্যৰে ৰাজ্যত নতুনকৈ ৮খন সম-জিলা গঠনৰ প্ৰস্তাৱত কেবিনেটে অনুমোদন জনায়। নতুনকৈ গঠিত সম-জিলাসমূহ হ'ল- কমলপুৰ, বৰহামপুৰ, ৰঙনদী, চিচিবৰগাঁও, চাবুৱা-লাহোৱাল, খুমটাই, কটিগৰা আৰু বৰখোলা। এই পদক্ষেপৰ জৰিয়তে প্ৰশাসনক ৰাইজৰ অধিক ওচৰলৈ নিয়াৰ লগতে চৰকাৰী সেৱাসমূহৰ সুবিধা বৃদ্ধি পাব বুলি আশা কৰা হৈছে। ইফালে, বৰাক উপত্যকাৰ প্ৰশাসনিক ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে শিলচৰৰ পৰা ৮টা বিভাগ পৰিচালনা কৰাৰ সিদ্ধান্তৰ কথাও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। বৰাকৰ মিনি সচিবালয়ৰ নতুন নাম 'অসম সচিবালয়, বৰাক উপত্যকা' হিচাপে নামকৰণ কৰা হ'ব। কেবিনেট বৈঠকৰ পাছৰ সংবাদমেলৰ আটাইতকৈ চৰ্চিত বিষয় হৈ পৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ইক' ছেনছিটিভ জ'নক লৈ মুখ্যমন্ত্ৰীৰ মন্তব্য। শেহতীয়াকৈ কাজিৰঙাৰ ইএছজেড হ্ৰাস কৰাৰ প্ৰস্তাৱক লৈ তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। ৰাজ্য চৰকাৰে বৰ্তমানৰ ডিফল্ট ১০ কিলোমিটাৰ পৰিসৰৰ পৰিৱৰ্তে ৰৰ পৰা, কিলোমিটাৰৰ ভিতৰত স্থানভেদে ইএছজেড নিৰ্ধাৰণৰ প্ৰস্তাৱ আগবঢ়াইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে কাজিৰঙা ৰক্ষা কৰাৰ দায়িত্ব কেৱল সামাজিক মাধ্যমৰ ওপৰত এৰি দিব নোৱাৰি। তেওঁৰ ভাষ্যত, "ৰাইজে কাজিৰঙা বচাব লাগিব, ফেচবুক-টুইটাৰে বচাব নোৱাৰে।" কাজিৰঙাক লৈ প্ৰতিবাদ কৰা লোকসকলৰ একাংশক সমালোচনা কৰি তেওঁ কয় যে ৰিল বা ইনষ্টাগ্ৰামৰ জৰিয়তে কাজিৰঙা সংৰক্ষণ সম্ভৱ নহয়। লগতে কাজিৰঙাৰ গঁড় হত্যাৰ ঘটনাৰ বাবে কংগ্ৰেছকো তেওঁ দায়ী কৰে আৰু বিৰোধী দলৰ প্ৰতিবাদক লৈ প্ৰশ্ন উত্থাপন কৰে। ইক' ছেনছিটিভ জ'নৰ ভিতৰত উন্নয়নমূলক কামক লৈ চলি থকা বিতৰ্কৰ মাজতে মুখ্যমন্ত্ৰীয়ে কয় যে ইক' ছেনছিটিভ জ'নৰ ভিতৰত পঞ্চতাৰকা হোটেল থাকিব পাৰে, কিন্তু খনন কাৰ্য চলিব নোৱাৰে। তেওঁ স্পষ্ট কৰি দিয়ে যে বৰ্তমানৰ বিতৰ্কৰ সৈতে কোনো নিৰ্দিষ্ট হোটেলৰ সম্পৰ্ক নাই। মুখ্যমন্ত্ৰীৰ মতে, কাজিৰঙাৰ ক্ষেত্ৰত চৰকাৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰিয়েই আগবাঢ়িব। মুখ্যমন্ত্ৰীয়ে কয়, "ইএছজেডৰ লগত কোনো হোটেলৰ সম্পৰ্ক নাই। কোনোবাই যদি তাৰ কাৰণে প্ৰতিবাদ কৰিছে, তেন্তে তেওঁ একোৰে নাজানে। ক'ৰবাত আমাক দুৰ্বল কৰিব পাৰে নেকি, তাকে চাই থাকে।" তেওঁ লগতে কয় যে বোকাখাত আৰু কলিয়াবৰৰ ৰাইজে দীৰ্ঘদিন ধৰি ১০ কিলোমিটাৰ পৰিসৰৰ ইএছজেডৰ বিৰোধিতা কৰি আহিছে আৰু ইয়াৰ বাবে তেওঁলোকে উচ্চতম ন্যায়ালয়তো গোচৰ ৰুজু কৰিছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছক সমালোচনা কৰি কয়, "আজি প্ৰতিবাদ কৰাসকল বিজেপিৰ নহয়। আজি কলিয়াবৰ আৰু বোকাখাট আসন বহুদিনলৈ 'পাক্কা' হৈ গ'ল। আমি য'তে হাত দিওঁ, সেয়াই সোণ হৈ পৰে। জ্বলাব লাগিছিল মুখ্যমন্ত্ৰীৰ মূৰ্তি, এতিয়া জ্বলাই আছে বিৰোধীৰ মূৰ্তি। ৰকিবুল হুছেইনে গঁড়কেইটা হত্যা কৰিলে, তেওঁৰ দলে প্ৰতিবাদ কৰিলে কোনোবাই সমৰ্থন কৰিব নেকি?" ইফালে, মিচিং ছাত্ৰ সংগঠন টিএমপিকে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰস্তাৱিত ইএছজেড সম্পৰ্কে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তলৈ মুকলি সমৰ্থন প্ৰকাশ কৰিছে। সংগঠনটোৰ প্ৰতিনিধিসকলে ইএছজেডৰ দূৰত্ব ১০ৰ পৰা ১ কিলোমিটাৰলৈ হ্ৰাস কৰা চৰকাৰৰ প্ৰস্তাৱক সমৰ্থন কৰাৰ লগতে এই দূৰত্ব আদৰ্শগতভাৱে শূন্যলৈ হ্ৰাস কৰা উচিত বুলিও মত পোষণ কৰে। কাজিৰঙাৰ ইএছজেড হ্ৰাসৰ বিষয়টোৱে ইতিমধ্যে ৰাজনৈতিক আৰু সামাজিক বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। এই পৰিপ্ৰেক্ষিতত, কেবিনেটৰ একাধিক প্ৰশাসনিক আৰু অৰ্থনৈতিক সিদ্ধান্তৰ মাজতো কাজিৰঙাৰ ইক' ছেনছিটিভ জ'নক লৈ মুখ্যমন্ত্ৰীৰ মন্তব্যই আজিৰ সংবাদমেলক বিশেষভাৱে চৰ্চিত কৰি তোলা পৰিলক্ষিত হয়।

## ৫০ৰ অধিক শিক্ষাৰ্থী থকা কোচিং কেন্দ্ৰৰ

আইনখন কেবিনেটত অনুমোদন লাভ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেবিনেট বৈঠকৰ অন্তত এই গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা ঘোষণা কৰি কয় যে ৰাজ্যৰ শিক্ষা ক্ষেত্ৰখনত জটিল আৰু গুৰুত্বপূৰ্ণ পৰিৱৰ্তন আনিবলৈ এই আইন প্ৰণয়ন কৰা হৈছে। বিশেষকৈ পৰীক্ষাৰ চাপ আৰু প্ৰতিযোগিতামূলক শিক্ষাৰ বাবে অধিক সংখ্যক শিক্ষাৰ্থী কোচিং ইনষ্টিটিউটৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে, যাৰ ফলত তেওঁলোকৰ মানসিক স্বাস্থ্যই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। নতুন আইনখনৰ অধীনত ৫০ জনতকৈ অধিক শিক্ষাৰ্থী থকা প্ৰতিটো কোচিং ইনষ্টিটিউটে চৰকাৰীভাৱে বাধ্যতামূলক পঞ্জীয়ন কৰি ল'ব লাগিব। পঞ্জীয়ন নকৰাকৈ পৰিচালনা কৰা কোনো প্ৰতিষ্ঠানৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰে। ইয়াৰ উপৰি আইনখনে কোচিং ইনষ্টিটিউটসমূহৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰদান কৰিছে। প্ৰতিটো ইনষ্টিটিউটে এজন নিযুক্ত মনোচিকিৎসক শচচাইক'ল'জিষ্টগ্ন ৰাখিব লাগিব, যিয়ে শিক্ষাৰ্থীসকলৰ মানসিক স্বাস্থ্যৰ যত্ন ল'ব। লগতে ইনষ্টিটিউটসমূহত মানসিক স্বাস্থ্য পৰিষদ (মেণ্টেল হেল্থ কাউন্সিল) গঠন কৰাটোও বাধ্যতামূলক কৰা হৈছে, যিয়ে নিয়মিতভাৱে বিদ্যাৰ্থীসকলৰ মানসিক অৱস্থা নিৰীক্ষণ কৰিব। অট্টালিকাৰ আন্তঃগাঁথনি সম্পৰ্কেও কঠোৰ নিয়মাৱলী ৰখা হৈছে। ইনষ্টিটিউটসমূহৰ অট্টালিকাত থকা খিৰিকী, চিলিং ফেন, পোহৰৰ ব্যৱস্থা, বহনক্ষম আসন, পৰ্যাপ্ত পৰিচালনা আৰু জৰুৰীকালীন প্ৰস্থানৰ দৰে বিষয়সমূহত বিশেষ গুৰুত্ব দিব লাগিব। ইয়াৰ উদ্দেশ্য হৈছে শিক্ষাৰ্থীসকলৰ বাবে এটা নিৰাপদ আৰু স্বাস্থ্যকৰ শিক্ষাৰ পৰিৱেশ সুনিশ্চিত কৰা। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে চৰকাৰে শিক্ষাৰ্থীসকলৰ ভৱিষ্যত আৰু মানসিক সুস্থতাক সৰ্বোচ্চ প্ৰাধান্য দিয়ে। কোচিং ইনষ্টিটিউটসমূহত পঢ়া শিক্ষাৰ্থীসকল প্ৰায়ে অতিৰিক্ত চাপ আৰু মানসিক অশান্তিৰ সন্মুখীন হয়, যাৰ বাবে সময়মতে মনোচিকিৎসা পৰামৰ্শ অতি প্ৰয়োজনীয়। এই আইনে সেই অভাৱ পূৰণ কৰিব। কেবিনেট বৈঠকত উপস্থিত অন্যান্য মন্ত্ৰীসকলেও এই সিদ্ধান্তক স্বাগতম জনায়। তেওঁলোকে কয় যে অসমৰ শিক্ষা ক্ষেত্ৰখনত এই আইনে এক নতুন দিশ মুকলি কৰিব। নতুন আইনখনৰ সম্পূৰ্ণ খচৰা চৰকাৰী ৱেবচাইটত প্ৰকাশ কৰা হ'ব বুলি জনোৱা হৈছে। আগন্তুক শিক্ষাবৰ্ষৰ পৰা এই আইন কাৰ্যকৰী কৰাৰ প্ৰস্তাৱ ৰখা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

## কুংকি চৌধুৰীৰ নামত ভুৱা ধন

ব্যক্তিয়ে 'For Kunki Choudhury' শীৰ্ষক এখন ভুৱা ইনষ্টাগ্ৰাম একাউণ্ট সৃষ্টি কৰি এই প্ৰৱঞ্চনা চলাই আছে। এই ভুৱা একাউণ্টটোৰ জৰিয়তে বানপানীৰ কবলত পৰা লোক, বিশেষকৈ শিশুসকলক সহায় কৰাৰ নামত ধন সংগ্ৰহ কৰা হৈছে। প্ৰৱঞ্চক চক্ৰটোৱে ছ'চিয়েল মিডিয়া একাউণ্টটোত গুগল পে'ৰ এটা স্কেনাৰ আপলোড কৰি ৰাইজক ধন প্ৰদান কৰিবলৈ আহ্বান জনাইছে। উক্ত পোষ্টটোত সাধাৰণ ৰাইজক আৱেগিকভাৱে আকৰ্ষণ কৰিবলৈ লিখা হৈছে: "এইদৰে যদি কোনোবাই ল'ৰা-ছোৱালীৰ বাবে সহায়ৰ হাত আগবঢ়াব বিচাৰে, অনুগ্ৰহ কৰি মোক জনাব। আপুনিও QR Code স্কেন কৰি আপোনাৰ সাধ্য অনুসৰি সহায় আগবঢ়াব পাৰে। আপোনাৰ এটি ক্ষুদ্ৰ সহায়েও কোনোবা এগৰাকী শিশুৰ পঢ়াৰ সপোন আগুৱাই নিব পাৰে।" এনে আৱেগিক ভাষাৰ জৰিয়তে জালিয়াতকাৰীসকলে মানুহক বিভ্ৰান্ত কৰি ধন লুটিবলৈ চেষ্টা চলাইছে। বানপীড়িতসকলৰ দুৰ্দশাক মূল কৰি দুষ্ট চক্ৰটোৱে চলোৱা এই প্ৰৱঞ্চনাৰ কথা গম পোৱাৰ লগে লগে কুংকি চৌধুৰী সতৰ্ক হৈ পৰে। তেওঁ স্পষ্ট ভাষাত সকীয়াই দিছে যে তেওঁৰ নামত চলোৱা এই ধন সংগ্ৰহ সম্পূৰ্ণ মিছা আৰু ইয়াৰ আঁৰত এটা জালিয়াতিকাৰী চক্ৰ জড়িত হৈ আছে। নেত্ৰীগৰাকীয়ে কয়, "মই কাকো ধন সংগ্ৰহৰ বাবে কোনো আহ্বান জনোৱা নাই। অনুগ্ৰহ কৰি আপোনালোক সজাগ থাকিব। এনে ভুৱা স্কেনাৰত কোনো ধৰণৰ পইচা নিদিব।" তেওঁ বিপদৰ সময়ত সহায় কৰিবলৈ গৈ যাতে কোনো ব্যক্তি এই জালিয়াতিৰ বলি নহয়, তাৰ বাবে ৰাইজলৈ কাতৰ আহ্বান জনায়। ইফালে, এই ঘটনাক লৈ অসম জাতীয় পৰিষদৰ পৰাও সতৰ্কবাণী জাৰি কৰা হৈছে। সংগঠনটোৰ ফালৰ পৰা কোৱা হৈছে যে এই ধৰণৰ জালিয়াতি বন্ধ কৰিবলৈ তেওঁলোকে চাইবাৰ আৰক্ষী বিভাগৰ লগত যোগাযোগ কৰিছে। উপযুক্ত আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈও প্ৰস্তুতি চলাইছে বুলি জানিব পৰা গৈছে।

## কাজিৰঙাৰ ইক' ছেনছিটিভ জ'নৰ

কৰে। কাৰ্বি ষ্টুডেণ্টছ এছ'চিয়েচনৰ লগতে স্থানীয় কেইবাটাও সংগঠনে যুটীয়াভাৱে এই প্ৰতিবাদ আয়োজন কৰে। প্ৰতিবাদকাৰীসকলে 'গৌৰৱ গগৈ মুৰ্দাবাদ' ধ্বনি দি সাংসদগৰাকীৰ স্থিতিৰ বিৰুদ্ধে তীব্ৰ ভাষণ দিয়ে। তেওঁলোকে কয় যে ৰাজ্য চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ড্ৰব্ধ সম্পৰ্কে গ্ৰহণ কৰা সিদ্ধান্ত সৰ্বোচ্চ ন্যায়ালয়ে নিৰ্ধাৰণ কৰি দিয়া নিৰ্দেশনাৰ ভিতৰতে আছে। প্ৰতিবাদকাৰীসকলে উল্লেখ কৰে যে কাজিৰঙাৰ সৌন্দৰ্য্য আৰু জৈৱ বৈচিত্ৰ্য অক্ষুণ্ণ ৰাখি স্থানীয় লোকসকলৰ উন্নয়ন আৰু জীৱিকাৰ প্ৰয়োজনীয়তা পূৰণ কৰাটো অতি জৰুৰী। চৰকাৰে এই ক্ষেত্ৰত সমন্বয়মূলক পদক্ষেপ গ্ৰহণ কৰিছে বুলি মন্তব্য কৰি তেওঁলোকে সাংসদ গগৈৰ বিৰোধিতাক অমূলক বুলি অভিহিত কৰে। অন্যফালে, মিচিং ছাত্ৰ সংগঠন থ্বত্তন্ন-এ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰস্তাৱিত ESZ সম্পৰ্কে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তলৈ মুকলি সমৰ্থন প্ৰকাশ কৰিছে। বোকাখাতত অনুষ্ঠিত এখন সংবাদমেলত সংগঠনটোৰ প্ৰতিনিধিসকলে কয় যে ড্ৰব্ধৰ দূৰত্ব ১০ কিলোমিটাৰৰ পৰা ১ কিলোমিটাৰলৈ হ্ৰাস কৰা চৰকাৰৰ প্ৰস্তাৱক তেওঁলোকে সম্পূৰ্ণ সমৰ্থন কৰে। লগতে এই দূৰত্ব আদৰ্শগতভাৱে শূন্যলৈ হ্ৰাস কৰা উচিত বুলিও মত পোষণ কৰে। TMPK-ৰ নেতাসকলে মুখ্যমন্ত্ৰীৰ মন্তব্যক সমৰ্থন কৰি কয় যে ড্ৰব্ধৰ পৰিসৰ হ্ৰাস কৰাটো কাজিৰঙা, কলিয়াবৰ আৰু বোকাখাতৰ ৰাইজৰ দীৰ্ঘদিনীয়া দাবী। চৰকাৰৰ এই সিদ্ধান্তই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৱৰ্তী অঞ্চলত বসবাস কৰা লোকসকলৰ বাবে উন্নয়নৰ পথ মুকলি কৰিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে। ছাত্ৰ সংগঠনটোৱে এই বিষয়ক লৈ কংগ্ৰেছ দলে আৰম্ভ কৰা প্ৰতিবাদক তীব্ৰ গৰিহণা দিয়ে। তেওঁলোকে কয় যে ৰাজনৈতিক দলসমূহে উন্নয়নৰ বিষয়টোক ৰাজনীতিৰ বলি কৰা উচিত নহয়। স্থানীয় ৰাইজৰ হকে থকা সিদ্ধান্তক আপত্তি জনোৱা কাৰ্য্যই জনবিৰোধী বুলিও তেওঁলোকে মন্তব্য কৰে। ইফালে, প্ৰতিবাদী সংগঠনসমূহে স্পষ্ট কৰে যে কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল অঞ্চল সম্পৰ্কে যিকোনো সিদ্ধান্ত ৰাইজৰ স্বাৰ্থত হ'ব লাগে আৰু পুঁজিপতিৰ স্বাৰ্থত পৰিৱেশৰ বলি দিয়া হ'ব নোৱাৰে। কিন্তু তেওঁলোকে মুখ্যমন্ত্ৰীৰ সিদ্ধান্তক স্বাগতম জনাই যাতে স্থানীয় লোকসকলৰ জীৱন-জীৱিকা উন্নত হয় সেই বিষয়ে আশ্বাস বিচাৰে। ঘটনাস্থলত শান্তি ৰক্ষাৰ বাবে আৰক্ষী মোতায়েন কৰা হৈছে। অৱশ্যে প্ৰতিবাদ শান্তিপূৰ্ণভাৱে সম্পন্ন হয় বুলি জানিব পৰা গৈছে। এই বিষয়ত সাংসদ গৌৰৱ গগৈৰ ফালৰ পৰা কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই।

## আদানীক মাটি দিবলৈ নিয়ম উলংঘা

কথা স্পষ্ট কৰে। কিন্তু "দেখোৱা দাঁত আৰু খোৱা দাঁত" যদি আদানী হয়, তেন্তে সেইক্ষেত্ৰত তেওঁলোকৰ তীব্ৰ আপত্তি আছে বুলি সাংসদগৰাকীয়ে জনায়। সাংসদ ৰকিবুল হুছেইনে লগতে কয় যে নতুন মাটি আইনত সংখ্যালঘু ৰাইজক যদি বঞ্চিত কৰা হয়, তেন্তে তেওঁ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'বলৈ সাজু আছে। তেওঁ গোৱালপাৰা জিলাত শেহতীয়াকৈ বহু মাটি আদানী গোটক দিয়াৰ বাবে যুঁজ চলোৱাৰ অভিযোগ উত্থাপন কৰে। ধুবুৰীৰ সাংসদ হিচাপে তেওঁ লেণ্ড এডভাইজৰী কমিটিৰ সদস্য হোৱাৰ উল্লেখ কৰি ৰকিবুল হুছেইনে কয় যে কালি অনুষ্ঠিত লেণ্ড এডভাইজৰী কমিটিৰ মিটিঙখন সম্পূৰ্ণ অস্বচ্ছভাৱে অনুষ্ঠিত কৰা হৈছে। তেওঁ কয়, "লেণ্ড এডভাইজৰী কমিটিত মাতিবলৈ হ'লে আগতে জাননী দি কি বিষয়ত আলোচনা হ'ব তাক স্পষ্ট কৰাটো বাধ্যতামূলক। কিন্তু মোক কোনোধৰণৰ অগ্ৰিম জাননী নিদিয়াকৈ মিটিং অনুষ্ঠিত কৰা হৈছে।" ইতিমধ্যে তেওঁ গোৱালপাৰা জিলা আয়ুক্তক লিখিতভাৱে অভিযোগ জনাই নীতি-নিয়ম অনুসৰি মিটিং কৰিবলৈ আহ্বান জনাইছে। অন্যফালে, জিলা প্ৰশাসনে প্ৰস্তাৱ (প্ৰপ'জেল) লুকুৱাই ৰখাৰ অভিযোগো সাংসদগৰাকীয়ে উত্থাপন কৰে। তেওঁ কয় যে এটা প্ৰস্তাৱত APDCL (অসম বিদ্যুৎ বিতৰণ কোম্পানী)ৰ নামত ২৫২৬ বিঘা মাটি হস্তান্তৰ কৰাৰ প্ৰস্তাৱ গৃহীত কৰা হৈছে। "কেৱল আদানীক মাটি দিবলৈ এইদৰে নীতি-নিয়ম উলংঘা কৰি মিটিং অনুষ্ঠিত কৰা হৈছে। মই নতুনকৈ প্ৰস্তাৱ দাখিল কৰিবলৈ আহ্বান জনাইছিলো, কিন্তু প্ৰশাসনে সেই কথালৈ গুৰুত্ব নিদিলে" বুলি তেওঁ অভিযোগ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক লৈ ৰকিবুল হুছেইনে কটাক্ষ কৰি কয়, "মুখ্যমন্ত্ৰীৰ ওপৰত বিভিন্ন হেঁচা আছে। যদি আদানীক মাটি প্ৰদান নকৰে, তেন্তে তেওঁ মুখ্যমন্ত্ৰিত্ব হেৰুৱাব পাৰে বুলি আশংকা কৰিছো।" তেওঁ মুখ্যমন্ত্ৰীৰ সিদ্ধান্তক ৰাজনৈতিক চাপৰ ফল বুলি অভিহিত কৰে। ইফালে, উজনি অসমত বানপানীৰ সাহায্য বিতৰণ কৰা বদৰুদ্দিন আজমলক সাংসদ ৰকিবুল হুছেইনে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে বানপীড়িতসকললৈ সহায় হাত বঢ়োৱা বদৰুদ্দিন আজমলৰ কাম প্ৰশংসনীয়। উল্লেখ্য যে বদৰুদ্দিন আজমলে অল ইণ্ডিয়া ইউনাইটেড ডেম'ক্ৰেটিক ফ্ৰণ্টৰ সভাপতি হিচাপে অসমৰ বিভিন্ন স্থানত বান সাহায্য সামগ্ৰী বিতৰণ কৰি আহিছে। সাংসদ ৰকিবুল হুছেইনে কয় যে তেওঁ সংখ্যালঘু ৰাইজৰ স্বাৰ্থ ৰক্ষাৰ বাবে সদায় সজাগ আৰু কোনো ধৰণৰ বৈষম্যক তেওঁ গ্ৰহণ কৰিব নোৱাৰে। এই মাটি নীতিৰ জৰিয়তে যদি কোনো সম্প্ৰদায়ক অন্যায়ভাৱে বঞ্চিত কৰা হয়, তেন্তে আইনী যুদ্ধলৈ যাবলৈ তেওঁ সাজু বুলি পুনৰব্যক্ত কৰে।

## যন্তৰ-মন্তৰৰ ছাত্ৰ প্ৰতিবাদৰ

অভিযোগসমূহৰ তদন্তৰ বাবে এখন উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্য ন্যায়াধীশ সূৰ্য কান্ত, ন্যায়াধীশ জয়মাল্য বাগচি আৰু ন্যায়াধীশ ভি মোহনৰ গঠিত বিচাৰপীঠে এই সিদ্ধান্ত ঘোষণা কৰে। বিচাৰপীঠে ইংগিত দিয়ে যে উক্ত সমিতিখনত উচ্চতম ন্যায়ালয়ৰ এজন প্ৰাক্তন ন্যায়াধীশ, উচ্চ ন্যায়ালয়ৰ এজন প্ৰাক্তন মুখ্য ন্যায়াধীশ আৰু সঞ্চালক প্ৰধান পদৰ পৰা অৱসৰ প্ৰাপ্ত এজন বিষয়া অন্তৰ্ভুক্ত কৰাৰ সম্ভাৱনা আছে। আগন্তুক বুধবাৰে এই পেনেলৰ সম্পূৰ্ণ গাঁথনি ঘোষণা কৰা হ'ব। বিচাৰপীঠে কয় যে এই সমিতিয়ে প্ৰয়োজনীয় অন্তৰ্বৰ্তীকালীন ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে প্ৰতিবাদৰ সৈতে জড়িত সকলো দিশতে তদন্ত আগবঢ়াব। মহাধিবক্তা তুষাৰ মেহতাই জানিবলৈ দিয়ে যে আৰক্ষী আৰু প্ৰতিবাদকাৰী উভয় পক্ষই পৰস্পৰৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছে। উত্তৰত বিচাৰপীঠে কয় যে উচ্চ ক্ষমতাসম্পন্ন সমিতি (এইচপিচি) গঠন হোৱাৰ লগে লগে সমগ্ৰ প্ৰক্ৰিয়া সমিতিখনৰ ওপৰত এৰি দিয়া উচিত, আৰু ইয়াৰ দ্বাৰা তদন্ত নিষ্পক্ষভাৱে আগবাঢ়িব বুলি আশা কৰা হয়। ইফালে, দিল্লী আৰক্ষীয়ে শপতনামাত মুখ চিনাক্তকৰণ প্ৰযুক্তি ব্যৱহাৰ কৰি গণ নিৰীক্ষণ চলোৱাৰ অভিযোগ সম্পূৰ্ণৰূপে নাকচ কৰে। আৰক্ষীৰ দাবী অনুসৰি, এই প্ৰযুক্তিয়ে পূৰ্বৰ অপৰাধমূলক অভিলেখ নথকাসকলৰ প্ৰফাইল নকৰে আৰু কেৱল অপৰাধী পটভূমি থকা ব্যক্তিসকলক চিনাক্ত কৰাৰ বাবেহে ইয়াক ব্যৱহাৰ কৰা হৈছে। তুষাৰ মেহতাই বিচাৰপীঠক অৱগত কৰে যে এনে ব্যক্তিসকলৰ বিৰুদ্ধে আৰক্ষী আয়ুক্তৰ নেতৃত্বত গঠিত বিশেষ তদন্তকাৰী দলে শচএছআইটিগ্ন পৃথকভাৱে তদন্ত চলাব। বিচাৰপীঠে স্পষ্ট কৰে যে সংবিধানৰ ১৪২ নং অনুচ্ছেদৰ অধীনত উচ্চতম ন্যায়ালয়ে নিৰীহ প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে দায়েৰ কৰা এফআইআৰ বাতিল কৰিব পাৰে, কিন্তু অপৰাধমূলক ইতিহাস থকা ব্যক্তিসকলৰ গোচৰসমূহ পৃথকভাৱে পৰীক্ষা কৰা হ'ব। বিচাৰপীঠে প্ৰতিবাদৰ অধিকাৰক অপৰাধমূলক আচৰণৰ পৰা সম্পূৰ্ণৰূপে পৃথক কৰিব লাগে বুলি গুৰুত্ব আৰোপ কৰি কয় যে ১৯ নং অনুচ্ছেদে প্ৰদান কৰা বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ লগতে সঠিক প্ৰতিবাদৰ ধৰণটো মনত ৰখাটো অতি প্ৰয়োজনীয়। অধিবক্তা বৃন্দা গ্ৰভাৰে আবেদনকাৰীসকলক এফআইআৰ প্ৰদান কৰিবলৈ আহ্বান জনায় যাতে প্ৰকৃত প্ৰতিবাদকাৰী আৰু পূৰ্বে অপৰাধত জড়িত ব্যক্তিসকলক পৃথক কৰিব পাৰি। তেওঁ পেলেট গানত আহত হোৱা প্ৰতিবাদকাৰীসকলক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ বাবেও সজোৰ দাবী জনায়। ইতিমধ্যে এই প্ৰতিবাদৰ প্ৰেক্ষাপটত দেশৰ বিভিন্ন মহলৰ পৰা আৰক্ষীৰ ভূমিকাক লৈ বিস্তৃত সমালোচনা উঠিছিল, যাৰ পিছতেই উচ্চতম ন্যায়ালয়ে সক্ৰিয়ভাৱে এই বিষয়টো গুৰুত্ব সহকাৰে লোৱা দেখা গৈছে।

## "সুৰক্ষা আৰু বিকাশৰ মাজত

আৰু সচেতন ৰাইজৰ মাজত গভীৰ উদ্বেগ আৰু প্ৰশ্নবোধকৰ সৃষ্টি কৰিছে। বিশেষকৈ বৃহৎ পুঁজিপতি শক্তিসমূহৰ স্বাৰ্থতে চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰি কাজিৰঙাৰ জীৱ-জন্তু আৰু পৰিৱেশৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ অভিযোগ ৰাজহুৱাভাৱে উত্থাপিত হৈছে বুলি সন্থাই উল্লেখ কৰে। এই প্ৰেক্ষাপটত ছাত্ৰ সন্থাই অসম চৰকাৰৰ ওচৰত পুংখানুপুংখ ব্যাখ্যা বিচাৰি তিনিটা মুখ্য দাবী আগবঢ়ায়। প্ৰথমতে, সন্থাই দাবী জনায় যে চৰকাৰে কাজিৰঙাৰ ইক'-চেনছিটিভ জ'নৰ পৰিসৰ সালসলনি সম্পৰ্কে এখন শ্বেতপত্ৰ প্ৰকাশ কৰি ৰাইজক অৱগত কৰক। দ্বিতীয়তে, এই স্পৰ্শকাতৰ বিষয়টোত বিশিষ্ট পৰিৱেশবিদ, বিশেষজ্ঞ আৰু স্থানীয় ৰাইজৰ সৈতে বিস্তৃত আলোচনা কৰিহে যিকোনো সিদ্ধান্ত গ্ৰহণ কৰক। ইয়াৰ উপৰি ছাত্ৰ সন্থাই চৰকাৰক কয় যে কাজিৰঙাৰ পাৰিপাৰ্শ্বিকতাত কুপ্ৰভাৱ নপৰাকৈ স্থানীয় ৰাইজৰ বাবে উন্নত যোগাযোগ ব্যৱস্থা, আন্তঃগাঁথনি আৰু আৰ্থ-সামাজিক উন্নয়নৰ ব্যৱস্থা কৰক। স্থানীয় লোকৰ নিয়োগ আৰু জীৱিকাৰ বাবে সম্প্ৰদায়-ভিত্তিক পৰিৱেশ-পৰ্যটন (কমিউনিটি ড্ৰিভেন ইক'-টুৰিজম) উদগনি দিয়ক, যাতে পৰিৱেশৰ ক্ষতি নোহোৱাকৈ বহনক্ষম পৰ্যটনৰ জৰিয়তে স্থানীয় ৰাইজ উপকৃত হয়। ছাত্ৰ সন্থাই লগতে স্পষ্ট কৰি দিয়ে যে এই ইক'-চেনছিটিভ জ'ন সন্দৰ্ভত যিকোনো সিদ্ধান্ত স্বচ্ছ আৰু অগ্ৰগতিমূলক হ'বই লাগিব, কেৱল স্বাৰ্থৰ ৰাজনীতিৰ বলি হ'ব নোৱাৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত আৰু ইয়াক সুৰক্ষিত ৰখা অসম তথা সমগ্ৰ ভাৰতবৰ্ষৰ বাবে অতিশয় জৰুৰী বুলিও সন্থাই মত প্ৰকাশ কৰে।

## পলাতক মূল অভিযুক্ত আৰিয়ন

যুৱতীগৰাকীৰ দুই বান্ধৱীক গ্ৰেপ্তাৰ কৰাৰ লগতে মূল সন্দেহভাজন আৰিয়ন গোস্বামীকে ধৰি আন একাংশ লোকৰ সন্ধানত তীব্ৰ তৎপৰতা অব্যাহত ৰাখিছে আৰক্ষীয়ে। গ্ৰেপ্তাৰ কৰা দুগৰাকী যুৱতী হৈছে অৰ্পিতা নামৰ যুৱতীগৰাকী আৰু আন এগৰাকী নাবালিকা বান্ধৱী। সোধাপোছাৰ অন্তত তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীৰ সূত্ৰমতে, আৰিয়ন গোস্বামী আৰু আনজন যুৱকৰ সন্ধানত অভিযান অব্যাহত আছে। ঘটনাৰ দিনা গৌৰী এনক্লেভৰ ট্ৰচ ফ্লেটত মুঠ পাঁচগৰাকী যুৱক-যুৱতী উপস্থিত আছিল- দুজন যুৱক আৰু তিনিগৰাকী যুৱতী। প্ৰাথমিক তদন্তত পোহৰলৈ অহা তথ্য অনুসৰি, শনিবাৰে উক্ত ফ্লেটত অনুষ্ঠিত পাৰ্টীত ড্ৰাগছ সেৱন কৰাৰ কথা স্বীকাৰ কৰিছে তাত উপস্থিত থকা দুই যুৱতীয়ে। নিহত যুৱতীগৰাকীৰ বন্ধুসকলে জানিবলৈ দিয়া মতে, ড্ৰাগছ অভাৰড'জৰ ফলতেই যুৱতীগৰাকীৰ মৃত্যু হৈছিল। অৱশ্যে আন এগৰাকী যুৱতী উক্ত নিশা পাৰ্টীত উপস্থিত নাছিল আৰু পিছত চিকিৎসালয়লৈ গৈছিল বুলি অনুসন্ধানত পোহৰলৈ আহিছে। ভুক্তভোগী যুৱতীগৰাকীৰ সৈতে নিৰ্যাতন চলোৱাৰ কোনো তথ্য তদন্তত বৰ্তমানলৈকে পোহৰলৈ অহা নাই। ইপিনে, মৃত যুৱতীগৰাকীৰ পৰিয়ালে ঘটনাটোক লৈ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। পৰিয়ালৰ দাবী অনুসৰি, যুৱতীগৰাকীৰ একাংশ বন্ধুৰ ড্ৰাগছৰ সৈতে সম্পৰ্ক আছিল। পৰিয়ালে স্পষ্টভাৱে হত্যাৰ অভিযোগ উত্থাপন কৰি আৰক্ষীৰ দ্বাৰা কঠোৰ তদন্তৰ দাবী জনাইছে। ঘটনাটোৰ পিছত যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত (JMCH) যুৱতীগৰাকীৰ মৃত্যু হয়। চিচিটিভি দৃশ্যত যুৱতীগৰাকীক তেওঁৰ বান্ধৱী আৰু আৰিয়ন গোস্বামীয়ে চিকিৎসালয়লৈ লৈ যোৱা দেখা গৈছিল। মৃত্যুৰ পিছতে আজি আটক হোৱা যুৱতীগৰাকী আৰু আৰিয়ন গোস্বামীয়ে পৰিয়ালক ফোন কৰি খবৰ দিছিল বুলি জানিব পৰা গৈছে। আনহাতে, পলাতক আৰিয়ন গোস্বামীৰ বিৰুদ্ধে স্থানীয় লোক আৰু এপাৰ্টমেণ্টৰ একাংশ বাসিন্দাই পূৰ্বে বিভিন্ন অভিযোগ উত্থাপন কৰাৰ তথ্যও পোহৰলৈ আহিছে। গৌৰী এনক্লেভৰ B2 ফ্লেটত আৰিয়ন গোস্বামী ভাৰাতীয়া হিচাপে বাস কৰিছিল। ঘটনাৰ দিনা তেওঁৰ মাতৃ ফ্লেটত নাছিল বুলি জানিব পৰা গৈছে। বৰ্তমান আৰক্ষীয়ে আটক কৰা বান্ধৱীগৰাকীক জেৰা কৰাৰ লগতে পলাতক আৰিয়ন গোস্বামী আৰু আন সম্পৃক্ত লোকসকলৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। আৰক্ষীয়ে ঘটনাৰ পূৰ্ণাঙ্গ তদন্ত চলাই থকাৰ লগতে অতি সোনকালে দোষীসকলক আইনৰ মুখামুখি কৰোৱাৰ প্ৰতিশ্ৰুতি দিছে।

## কাজিৰঙা ইক'-চেনছিটিভ জ'ন

পৰা গণনা কৰা হয়। "স্থানীয় লোকসকলৰ প্ৰকৃত জীৱিকা আৰু উন্নয়নৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাৰ লগতে উদ্যানখন সুৰক্ষিত কৰি ৰখাই এই প্ৰস্তাৱৰ মুখ্য উদ্দেশ্য, "বুলি মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰে। তেওঁ স্মৰণ কৰায় যে সৰ্বোচ্চন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰিয়েই চৰকাৰে ৰাষ্ট্ৰীয় উদ্যানখনৰ ৰৰ পৰা, কিলোমিটাৰ পৰিসৰৰ ভিতৰত ইক'-চেনছিটিভ জ'ন অধিসূচনা কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। মন্ত্ৰী হাজৰীকাই উল্লেখ কৰে যে এই পদক্ষেপৰ জৰিয়তে পৰিৱেশ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাসমূহ অক্ষুণ্ণ ৰখাৰ লগতে স্থানীয় আৰু খিলঞ্জীয়া লোকসকলৰ বাবে অত্যাৱশ্যকীয় উন্নয়নমূলক কাম-কাজৰ পথ মুকলি কৰাৰ চেষ্টা কৰা হৈছে। "আমি প্ৰকৃতি সংৰক্ষণ আৰু জনসাধাৰণৰ উন্নয়নৰ মাজত এক সুস্থিৰ সমন্বয় স্থাপন কৰিব বিচাৰো, "বুলি তেওঁ স্পষ্ট কৰে। মন্ত্ৰীগৰাকীয়ে পুনৰঞ্জব্যক্ত কৰে যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সম্পূৰ্ণৰূপে অক্ষত আৰু অপৰিৱৰ্তিত হৈ থাকিব। চৰকাৰে উদ্যানখনৰ সীমা সলনি কৰা নাই বুলি উল্লেখ কৰি তেওঁ কয় যে কেৱল ইক'-চেনছিটিভ জ'নৰ সীমা স্পষ্টভাৱে নিৰ্ধাৰণ কৰি প্ৰকৃতি সংৰক্ষণৰ লগতে স্থানীয় লোকসকলৰ ক্ৰমবৰ্ধমান উন্নয়নৰ মাজত ভাৰসাম্য স্থাপনৰ চেষ্টা কৰা হৈছে। ইক'-চেনছিটিভ জ'ন পুনৰ নিৰ্ধাৰণৰ এই প্ৰস্তাৱে কাজিৰঙাৰ আশে-পাশে থকা গাঁও আৰু বসতিস্থলসমূহত ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে। অৱশ্যে কিছু পৰিৱেশকৰ্মী আৰু সংগঠনে এই পদক্ষেপে সংৰক্ষণ প্ৰচেষ্টাত নেতিবাচক প্ৰভাৱ পেলাব পাৰে বুলি উদ্বেগ প্ৰকাশ কৰি আহিছে। মন্ত্ৰীগৰাকীয়ে এই উদ্বেগকো গুৰুত্বসহকাৰে লৈ কয় যে প্ৰস্তাৱটো সঠিকভাৱে কাৰ্যকৰী কৰিবলৈ সকলো পক্ষৰ মতামতক গুৰুত্ব দিয়া হ'ব। উল্লেখ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃত আৰু ই এশিঙীয়া গঁড়সহ বিভিন্ন বন্যপ্ৰাণীৰ বাসস্থান হিচাপে বিশ্ববিখ্যাত।

## ৰাজ্যজুৰি ৪০৩.৬২ বৰ্গ

ডাঙৰ সম্প্ৰসাৰণ বুলি তেওঁ উল্লেখ কৰে। ড° হিমন্ত বিশ্ব শৰ্মাই লগতে কয় যে এই পদক্ষেপৰ মূল লক্ষ্য অসমৰ সংৰক্ষণ ব্যৱস্থাক অধিক শক্তিশালী কৰা আৰু ৰাজ্যৰ সংৰক্ষিত এলেকাৰ নেটৱৰ্ক অধিক বিস্তৃত কৰা। নতুনকৈ সংযোজিত অঞ্চলটোৱে অধিক সংলগ্ন সংৰক্ষণ এলেকা গঢ়ি তোলাত সহায় কৰিব, যাৰ ফলত বন্যপ্ৰাণীসমূহৰ বাবে এক নিৰাপদ পৰিৱেশ সৃষ্টি হ'ব। অসমৰ বনাঞ্চল সম্প্ৰসাৰণে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি ৰাজ্যৰ বিভিন্ন পৰিৱেশ সংবেদনশীল অঞ্চলত ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে। বিশেষকৈ কাজিৰঙা অঞ্চলত এই সম্প্ৰসাৰণে অধিক সংলগ্ন সংৰক্ষণ এলেকা গঢ়ি তুলিব, যাৰ ফলত একশিঙীয়া গঁড়কে ধৰি বিভিন্ন বন্যপ্ৰাণীৰ বিচৰণ ক্ষেত্ৰ বৃদ্ধি পাব আৰু মানুহ-বন্যপ্ৰাণী সংঘাত কমাবলৈও সহায় কৰিব। উল্লেখযোগ্য যে অসমৰ বনাঞ্চল সম্প্ৰসাৰণৰ এই পদক্ষেপে ৰাজ্যৰ পৰিৱেশীয় ভাৰসাম্য ৰক্ষাত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াব বুলি আশা কৰা হৈছে। পৰিৱেশবিদ আৰু বন সংৰক্ষণকাৰীসকলে এই সিদ্ধান্তক স্বাগতম জনাইছে। তেওঁলোকৰ মতে, অসমত বনাঞ্চল বৃদ্ধিৰ এই ধাৰা অব্যাহত ৰাখিলে অসমক এক সেউজ ৰাজ্য হিচাপে গঢ়িতোলাৰ লগতে জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ কমাবলৈও সহায় কৰিব।

## ১৯ আগষ্টত লোক ভৱনলৈ

মিত্ৰজোঁটৰ আন আন সদস্য দলসমূহেও এই পদযাত্ৰাত অংশগ্ৰহণ কৰিব আৰু সকলোৱে একেলগে ৰাজ্যপালৰ কাৰ্যালয়লৈ গৈ এখন স্মাৰক-পত্ৰ প্ৰদান কৰিব। উল্লেখ্য যে ২৫ জুলাই, ২০২৬ত ছিৱান জিলাত NEET পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগৰ বিৰুদ্ধে ছাত্ৰসকলে প্ৰতিবাদ সাব্যস্ত কৰিছিল। সেই প্ৰতিবাদৰ সময়ত এজন আৰক্ষী কনিষ্টবলে AK-47 ৰাইফল ব্যৱহাৰ কৰি গুলী চলোৱা বুলি দাবী কৰি এখন ভিডিঅ' ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰে। ঘটনাৰ তৎক্ষণাৎ পিছত আৰক্ষী বিভাগে কনিষ্টবলজনক নিলম্বন কৰে। আৰক্ষী বিষয়াসকলৰ মতে গুলীচালনাৰ ঘটনাত কোনো লোক আহত হোৱা নাছিল। তদুপৰি প্ৰতিবাদৰ সময়ত আৰক্ষীক গুলী নচলাবলৈ স্পষ্ট নিৰ্দেশ দিয়া হৈছিল বাবে এই ঘটনাৰ সম্পূৰ্ণ তদন্ত আৰম্ভ কৰা হৈছে। ছ'চিয়েল মিডিয়া এক্স (পূৰ্বৰ টুইটাৰ) প্লেটফৰ্মত লালু প্ৰসাদ যাদৱে বিহাৰ চৰকাৰক তীব্ৰ সমালোচনা কৰি লিখে, "প্ৰশ্নকাকত ফাদিল, দুৰ্বল শিক্ষা ব্যৱস্থা, নিযুক্তি প্ৰক্ৰিয়াত অনিয়ম আৰু নিবনুৱা সমস্যাক লৈ সকলো ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতী উদ্বিগ্ন।" তেওঁ লগতে কয়, "ছাত্ৰ-ছাত্ৰীৰ গণতান্ত্ৰিক দাবী শুনাৰ পৰিৱৰ্তে দুৰ্নীতি আৰু শোষণৰ ওপৰত গঢ় লৈ উঠা অহংকাৰী চৰকাৰে AK-471 গুলী চলাই তাৰ উত্তৰ দিয়ে। এয়া কোনো ভাৱেই গ্ৰহণযোগ্য নহয়।" এই স্বৈৰাচাৰী মনোভাৱৰ বিৰুদ্ধে ১৯ আগষ্টত পাটনাত সকলোৱে একত্ৰিত হ'ব লাগে বুলি আহ্বান জনাই লালু প্ৰসাদ যাদৱে কয় যে চৰকাৰে গণতান্ত্ৰিক প্ৰতিবাদক দমন কৰিবলৈ অস্ত্ৰৰ সহায় লৈছে, যাৰ বাবে ৰাজ্যবাসীয়ে এক হৈ প্ৰতিবাদ জনাবই লাগিব। ইফালে, বিহাৰ চৰকাৰৰ ফালৰ পৰা এই পদযাত্ৰাৰ বিষয়ে কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই। কিন্তু ৰাজনৈতিক মহলত এই পদযাত্ৰাই নতুন উত্তাপ সৃষ্টি কৰিব বুলি ধাৰণা কৰা হৈছে। ছিৱানৰ গুলীচালনাৰ ঘটনা ইতিমধ্যে ৰাজ্যখনত ৰাজনৈতিক বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈ পৰিছে, আৰু লালু প্ৰসাদ যাদৱৰ এই আহ্বানে সেই বিতৰ্কক আৰু তীব্ৰ কৰিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## নাজিৰাৰ বন্যাৰ্তৰ কাষত আপৰ

পৰিয়ালক উচিত সাহায্য প্ৰদান কৰাৰ লগতে স্থায়ীভাৱে সংস্থাপনৰ প্ৰয়োজন আছে। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰ্যাপ্ত অৰ্থ সাহায্য তথা এক পেকেজৰ ব্যৱস্থা কৰিব লাগে। এইদৰে আজি নাজিৰাৰ ৰজাপুল দুৰৰা গাঁৱত আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় নেতা তথা ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙে মন্তব্য কৰে। যোৱা ১৯ জুলাইত দিখৌ নদীৰ প্ৰলয়ংকাৰী বানে উটুৱাই নি নিমিষতে প্ৰাণ হেৰুওৱা ৰজাপুল দুৰৰা গাঁৱৰ নিৰুপমা দুৱাৰ আৰু নিশাৰাণি দুৰৰাৰ বাসগৃহত উপস্থিত হৈ ৰাজ্য সভাৰ সাংসদ সঞ্জয় সিঙে বানত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ পৰিস্থিতি বুজ লয় আৰু অসমৰ এই প্ৰলয়ংকাৰী বানপানীৰ সমস্যা স্থায়ী সমাধানৰ বাবে নদীসমূহৰ দুয়োপাৰে উচ্চ আৰু প্ৰযুক্তিগত ভাৱে মঠাউৰি নিৰ্মাণ কৰিব লাগিব। ইয়াৰ বাবে অসমৰ বানপানীৰ সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰি প্ৰৰ্যাপ্ত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত ৰাজ্যসভাৰ সদনৰ মজিয়াত উত্থাপন কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰি ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙে নাগালেণ্ডৰ অবাধ কয়লা খনন আৰু সীমান্তৱৰ্তী অসমৰ ভূখণ্ডত অবাধ শিল খনন কাৰ্যৰ ন্যায়িক তদন্ত কৰি এনে অবাধ খনন কাৰ্যত জড়িতসকলক দৃষ্টান্তমূলক আইনী শাস্তিৰ দাবী জনায়। আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক বিমল ৰাজেশ শৰ্মা, অসম প্ৰদেশৰ সভাপতি ভৱেশ চৌধুৰী, কেন্দ্ৰীয় সদস্য ভিক্তৰ দাস, অসম ৰাজ্যিক সদস্য আলতাফ হুছেইন, নাজিৰা সমষ্টিৰ অৰিন্দম খাটনিয়াৰ, সাংগাঁথনিক সম্পাদক নৰেন্দ্ৰ চন্দ্ৰ দাস আদিকে ধৰি ভালেকেইজন আপৰ বিষয় - ববীয়াই সংগ দিয়া ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙে নাজিৰা ৰজাপুল দুৰৰা গাঁৱৰ পিছত বিহুবৰ নেপালী খুঁটি আৰু ঔগুৰিজান অঞ্চল পৰিদৰ্শন কৰি বানত ক্ষতিগ্ৰস্ত হোৱা ৰাইজৰ দুখ দুৰ্দশাৰ সমভাগী হয়।

## ইমৰাণ খানৰ স্বাস্থ্যৰ অৱনতি

আলভীয়ে খানৰ স্বাস্থ্যৰ অৱনতিৰ কথা উল্লেখ কৰি চৰকাৰীভাৱে উদ্বেগ প্ৰকাশ কৰাৰ কিছু সময় পাছতে এই ৰায়দান কৰা হয়। ২০২৩ চনৰ আগষ্ট মাহৰ পৰা আদিয়ালা জেলত বন্দী হৈ থকা পাকিস্তান তেহৰিক-ই-ইনছাফৰ প্ৰতিষ্ঠাপকগৰাকীক স্বাস্থ্য পৰীক্ষাৰ বাবে জেলৰ পৰা শ্বিফা ইণ্টাৰনেশ্যনেল হাস্পতাললৈ প্ৰেৰণ কৰিবলৈ ন্যায়াধীশ শ্বাহিদ ৱাহিদৰ নেতৃত্বত গঠিত তিনিজনীয়া বিচাৰপীঠে নিৰ্দেশ দিয়ে। খানে চিকিৎসালয়ত ভৰ্তিৰ বাবে দাখিল কৰা আবেদনখনৰ ভিত্তিতেই আদালতে এই ৰায় প্ৰদান কৰে। ইমৰাণ খানৰ হৃদস্পন্দন বৃদ্ধি আৰু উচ্চ ৰক্তচাপৰ বিষয়ে আৰিফ আলভীয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰি কয় যে কাৰাগাৰত থকা অৱস্থাত তেওঁৰ স্বাস্থ্য সংকটজনকভাৱে অৱনতি ঘটিছে। উচ্চতম ন্যায়ালয়ে এই কথাক গুৰুত্বসহকাৰে লৈ দ্ৰুত পদক্ষেপ গ্ৰহণ কৰে। আদালতে কেৱল খানৰ চিকিৎসা নিশ্চিত কৰাই নহয়, তেওঁৰ পৰিয়ালৰ সদস্যসকলক সাপ্তাহিকভাৱে তেওঁৰ ওচৰলৈ যোৱাৰ অনুমতি দিবলৈও কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। ইয়াৰ লগতে এটা নতুন মেডিকেল ব'ৰ্ড গঠন কৰিবলৈও কোৱা হয়, য'ত ইমৰাণ খানৰ ব্যক্তিগত চিকিৎসক আৰু তেওঁৰ ভগ্নী উজমা খানকো অন্তৰ্ভুক্ত কৰা হ'ব। উল্লেখযোগ্য যে খানৰ স্বাস্থ্যৰ অৱস্থাৰ তথ্য লুকুৱাই ৰখাৰ চেষ্টাও প্ৰকাশ পাইছিল। অধিবক্তা আৰু পৰিয়ালৰ লোকসকলক তেওঁৰ চিকিৎসা প্ৰতিবেদন সংবাদ মাধ্যমৰ সৈতে শ্বেয়াৰ নকৰিবলৈ বা বিষয়টো ৰাজনীতি নকৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। অৱশ্যে এই নিৰ্দেশক অগ্ৰাহ্য কৰি আদালতে খানৰ স্বাস্থ্য অধিকাৰক প্ৰাধান্য দিয়া দেখা যায়। ইফালে, ইমৰাণ খানৰ দুই পুত্ৰ চুলেমান খান আৰু কাছিম খানে ট্ৰত্ত্বত্ত্ব-ক জনোৱা মতে, তেওঁলোকে এই সন্দৰ্ভত কোনো আপডেট পোৱা নাই। কাৰণ বিগত সাত মাহ ধৰি পৰিয়াল, অধিবক্তা বা ঘৰুৱা চিকিৎসককো তেওঁক সাক্ষাৎ কৰিবলৈ দিয়া হোৱা নাছিল। সেইবাবে তেওঁলোকৰ মতে, ইমৰাণ খানৰ স্বাস্থ্য অৱস্থাৰ কোনো সঠিক তথ্য তেওঁলোকৰ ওচৰত নাই। পাকিস্তানৰ কাৰাগাৰসমূহৰ অৱস্থাক লৈ উদ্বেগ বৃদ্ধি পোৱাৰ মাজতে এই নিৰ্দেশ আহিছে। উল্লেখ্য যে আদিয়ালা জেলৰ অধীক্ষকে খানৰ স্বাস্থ্য সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰাৰ মাত্ৰ এদিন পাছতে আদালতে এই ঐতিহাসিক ৰায়দান কৰে। ইমৰাণ খানৰ সমৰ্থকসকলে এই সিদ্ধান্তক স্বাগতম জনাইছে যদিও চৰকাৰী মহলত এই প্ৰসঙ্গত কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই।

## কাছাৰ, ওদালগুৰিত ১০ কোটিৰো

এখনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাছাৰ জিলাৰ দীঘৰখাল অঞ্চলৰ পুৰণি এমভিআই চেকপইণ্টত চলোৱা অভিযানৰ কথা উল্লেখ কৰে। তাত এখন ট্ৰাকৰ গোপন চেম্বাৰৰ পৰা ১০ কোটি টকা মূল্যৰ ৫০ হাজাৰ য়াবা টেবলেট জব্দ কৰা হয়। এই অভিযানত এজন সন্দেহযুক্ত সৰবৰাহকাৰীকো গ্ৰেপ্তাৰ কৰা হয়। মুখ্যমন্ত্ৰীয়ে কাছাৰ আৰু অসম আৰক্ষীৰ এই সাহসী কাৰ্য্যক ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে এই অভিযানে এটা ডাঙৰ অপৰাধ ৰোধ কৰাত সফল হৈছে আৰু আৰক্ষী বাহিনীয়ে অতি পেছাদাৰীভাৱে কাম কৰিছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ড অঞ্চলত চলোৱা পৃথক অভিযানত ২৩৪.৮৯ কিলোগ্ৰাম গাঞ্জা জব্দ কৰা হয় আৰু ইয়াৰ সৈতে জড়িত ছয়জন অভিযুক্তক আটক কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীৰ এই নিৰ্ণায়ক পদক্ষেপক শলাগ লৈ কয় যে ড্ৰাগছৰ আতংকৰ বিৰুদ্ধে ৰাজ্যত এই যুঁজখন পূৰ্ণ শক্তিৰে অব্যাহত থাকিব। গ্ৰেপ্তাৰ কৰা সাতজন সৰবৰাহকাৰীৰ বিৰুদ্ধে প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্যখনত ড্ৰাগছৰ অবৈধ ব্যৱসায় আৰু সৰবৰাহ বন্ধ কৰিবলৈ অসম আৰক্ষী প্ৰশাসনে এই ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছে। যুৱ সমাজক ড্ৰাগছৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কঠোৰ নীতি গ্ৰহণ কৰি থকা অৱস্থাতে এই সফল অভিযানে এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে।

## অখিল গগৈ-মুখ্যমন্ত্ৰীৰ মাজত সু-সম্পৰ্কৰ

গগৈয়ে মোৰ বিষয়ে সদায় একেই কথাই কয়, কিন্তু মুখ্যমন্ত্ৰীৰ বিষয়ে তেওঁৰ সুৰ স্থানভেদে সলনি হয়। মুখ্যমন্ত্ৰীক কাষত পালেই তেওঁৰ ভাষা আৰু আচৰণ সম্পূৰ্ণৰূপে পৰিৱৰ্তন হয়।" ঞ্জগৌৰৱ গগৈয়ে আৰু কটাক্ষ কৰি কয়, "মুখ্যমন্ত্ৰীৰ কপাল ভাল যে কেতিয়াবা অখিল গগৈৰ পৰা মিঠা মাতো শুনিবলৈ পায়, কৃতজ্ঞতাও লাভ কৰিবলৈ পায়। অখিল গগৈৰ পৰা মুখ্যমন্ত্ৰীয়ে কেতিয়াবা টেঙা আমো খাব, কেতিয়াবা নাৰিকলৰ লাড়ুও খাব।" তেওঁ অখিল গগৈৰ এই "দ্বিমুখী" আচৰণক তীব্ৰ সমালোচনা কৰে। সাংসদগৰাকীয়ে অখিল গগৈক উদ্দেশ্যি লগতে কয়, "মোৰ ক্ষেত্ৰত যে তেওঁৰ সুৰ কেতিয়াও সালসলনি নহয়, সেইটোৱে মোক সন্তুষ্টি দিয়ে। কাৰণ মই মানুহৰ স্থিৰতা ভাল পাওঁ। কিন্তু অখিল গগৈয়ে ইয়াত ( কাৰ্যালয়তগ্ন 'ছাৰ ছাৰ' কৰি থাকে, আনহাতে বিধানসভাত গ'লে 'তই তই' কৰি মুখ্যমন্ত্ৰীক সম্বোধন কৰে। এই দ্বৈত আচৰণ কোনো সজ্জন মানুহৰ নহয়।" উল্লেখ্য যে ইয়াৰ পূৰ্বে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে এখন সংবাদ মেলত আক্ষেপ প্ৰকাশ কৰিছিল যে বান বিভীষিকাৰ সময়ত গৌৰৱ গগৈয়ে তেওঁক এটাও ফোন কৰি পৰিস্থিতিৰ বুজ লোৱা নাছিল। তেওঁ কৈছিল যে যদিও তেওঁলোক বন্ধু, তথাপি এই কথাটো ক'বলগীয়া হৈছে। অখিল গগৈয়ে গৌৰৱ গগৈক সেইসময়ত স্পষ্টভাৱে কটাক্ষ কৰিছিল। গৌৰৱ গগৈয়ে অখিল গগৈৰ অভিযোগক গুৰুত্বসহকাৰে লোৱা নাই বুলি ইংগিত দি কয় যে তেওঁ কংগ্ৰেছৰ সভাপতি হিচাপে সমগ্ৰ অসমৰ বানপীড়িত লোকৰ বাবে কাম কৰি আছে আৰু ব্যক্তিগতভাৱে কাক ফোন কৰিলে বা নকৰিলে সেয়া গৌণ বিষয়। তেওঁ অখিল গগৈক মুখ্যমন্ত্ৰীৰ প্ৰতি থকা তেওঁৰ "অতিৰিক্ত স্নেহ"ৰ বিষয়েও কটাক্ষ কৰে। ইফালে, অখিল গগৈয়ে গৌৰৱ গগৈৰ এই প্ৰতিক্ৰিয়াৰ বিষয়ে কোনো মন্তব্য কৰা নাই। কিন্তু ৰাজনৈতিক মহলত এই বাক্য যুদ্ধই নতুন উত্তাপ সৃষ্টি কৰিছে।

বৰপেটাৰোডৰ উমাবটি আশ্ৰমত আধ্যাত্মিক পৰিৱেশ; পুৱতি নিশাৰ পৰাই হাজাৰ-হাজাৰ শিৱভক্তৰ সমাগম

# শাওন মাহৰ অন্তিম সোমবাৰত উমাবটি আশ্ৰম শিৱ মন্দিৰত ভক্তৰ ভিৰ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১৮ আগষ্ট ঃ** শাওন মাহৰ পবিত্ৰ অন্তিমটো সোমবাৰ উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শিৱ মন্দিৰসমূহত ভক্তিৰস আৰু আধ্যাত্মিকতাৰে ভৰা পৰিৱেশৰ সৃষ্টি হয়। ইয়াৰ সমান্তৰালভাৱে বৰপেটাৰোডৰ সমীপৱৰ্তী বেঁকী নদীৰ পাৰত অৱস্থিত ঐতিহাসিক উমাবটি আশ্ৰম শিৱ মন্দিৰতো পুৱতি নিশাৰ পৰাই দেখা যায় ভক্তৰ ব্যাপক সমাগম। শাওন মাহৰ অন্তিম সোমবাৰ উপলক্ষে বৰপেটাৰোড আৰু দাঁতিকাষৰীয়া বিভিন্ন অঞ্চলৰ পৰা হাজাৰ হাজাৰ শিৱভক্ত মন্দিৰখনত উপস্থিত হয়। পুৱতি নিশাৰ পৰাই ভক্তসকলে লানি নিছিগাকৈ শাৰী পাতি দেৱাদিদেৱ মহাদেৱৰ শিৱলিংগত জল, বেলপাত, গাখীৰ আৰু ফুল অৰ্পণ কৰি পূজা-অৰ্চনা কৰে। মন্দিৰ প্ৰাঙ্গণত ভক্তসকলে একেলগে 'ওম নমঃ শিৱায়' মন্ত্ৰ জপ কৰাৰ লগতে 'বোল বোম' ধ্বনি আৰু হৰিধ্বনিয়ে সমগ্ৰ পৰিৱেশ মুখৰিত কৰি তোলে। ধূপ-ধূনাৰ সুবাস, ঘণ্টাধ্বনি আৰু ভক্তসকলৰ আধ্যাত্মিক উচ্ছ্বাসে উমাবটি আশ্ৰমৰ পৰিৱেশ এক অনন্য ধৰ্মীয় আবেগেৰে ভৰাই তোলে। শাওন মাহৰ অন্তিম সোমবাৰটো শিৱভক্তসকলৰ বাবে বিশেষ তাৎপৰ্যপূৰ্ণ বুলি গণ্য কৰা হয়। সেয়েহে পৱিত্ৰ এই দিনটোত বহু ভক্তই উপবাস পালন কৰি শিৱলিংগত জলাভিষেক আৰু পূজা-অৰ্চনা কৰি পৰিয়ালৰ সুখ-শান্তি, সুস্বাস্থ্য আৰু সমৃদ্ধিৰ বাবে ভগৱান শিৱৰ আশীৰ্বাদ কামনা কৰে। ঐতিহাসিক উমাবটি আশ্ৰম শিৱ মন্দিৰত সৃষ্টি হোৱা এই ভক্তিময় পৰিৱেশে সমগ্ৰ বৰপেটাৰোড অঞ্চলতে এক আধ্যাত্মিক আবহৰ সৃষ্টি কৰে। শিৱভক্তসকলৰ বিপুল উপস্থিতিৰ বাবে মন্দিৰ চৌহদত দিনটোৰ অধিকাংশ সময়তে দেখা যায় উৎসৱমুখৰ পৰিৱেশ।

# মৰাণছিগাত সৃষ্টিৰংগনৰ নাট্য কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, চেলেংহাট, ১৮ আগষ্ট ঃ** নৱপ্ৰজন্মৰ মাজত নাট্যচেতনা জাগ্ৰত কৰাৰ লগতে অভিনয় কলাৰ প্ৰতি আগ্ৰহ আৰু সৃষ্টিশীলতা বিকাশৰ লক্ষ্যৰে শিৱসাগৰ জিলাৰ সৃষ্টিৰংগন সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত জাঁজী জামুগুৰিৰ মৰাণছিগা ক্ৰিয়া আৰু সাংস্কৃতিক বিকাশ কেন্দ্ৰত আয়োজন কৰা নাট্য কৰ্মশালাখনৰ সফল সামৰণি ঘটে। বিশিষ্ট নাট পৰিচালক তথা নাট্যকাৰ, চেলেংহাটৰ মুনীন্দ্ৰ গগৈয়ে মুখ্য সমল ব্যক্তি হিচাপে কৰ্মশালাখনত অংশগ্ৰহণ কৰি উদীয়মান কণ কণ শিল্পীসকলক নাট্যকলাৰ বিভিন্ন দিশত হাতে-কামে প্ৰশিক্ষণ আগবঢ়ায়। সৃষ্টিৰংগন সাংস্কৃতিক গোষ্ঠীৰ সঞ্চালিকা পূৰ্ণিমা ফুকন বৰুৱাই আঁত ধৰা সামৰণি অনুষ্ঠানত স্থানীয় সমাজকৰ্মী অনিল চন্দ্ৰ বৰুৱাই সভাপতিত্ব কৰে। কণমানি শিল্পী ৰিস্মিতা চেতিয়াই পৰিৱেশন কৰা এটি সুমধুৰ বৰগীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ হয়। ইয়াৰ পিছতে কৰ্মশালাৰ মুখ্য প্ৰশিক্ষক মুনীন্দ্ৰ গগৈৰ ৰচনা আৰু পৰিচালনাৰে 'ৰং ধেমালি' শীৰ্ষক নাটখন মঞ্চস্থ কৰা হয়। কৰ্মশালাৰ সময়ছোৱাত আয়ত্ত কৰা অভিনয়, সংলাপ প্ৰক্ষেপণ, মঞ্চচালনা আৰু দলগত পৰিৱেশনৰ দক্ষতা কণমানি শিল্পীসকলে নাটখনৰ জৰিয়তে সাৱলীলভাৱে উপস্থাপন কৰে। নাটখনত আয়ান বৰুৱা, ৰিস্মিতা চেতিয়া, আৰাধ্যা নন্দিনী ফুকন, নীতিজ্ঞা বৰুৱা, আয়োস্মিতা বৰুৱা, দিপজোতি বৰুৱা, কৃষ্ণাংগন বৰুৱা, কল্যাণ বৰুৱা, দেৱাশিস বৰুৱা, কাব্যম বৰুৱা, আশিষ প্ৰিয়াংক গগৈ আৰু অৰবিন্দ চেতিয়াই অভিনয় কৰে। উপস্থিত অতিথি আৰু অভিভাৱকসকলে কণমানি শিল্পীসকলৰ আত্মবিশ্বাসী অভিনয় আৰু মঞ্চ উপস্থাপনক ভূয়সী প্ৰশংসা কৰে। বক্তাসকলে মত প্ৰকাশ কৰে যে এনে নাট্য কৰ্মশালাই শিশুসকলৰ সুপ্ত প্ৰতিভা বিকাশ কৰাৰ লগতে তেওঁলোকৰ ব্যক্তিত্ব গঠন, দলগত মনোভাৱ আৰু সাংস্কৃতিক মূল্যবোধ বিকাশতো বিশেষ ভূমিকা পালন কৰে। অনুষ্ঠানৰ শেষত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী কলা-কুশলীক একোখনকৈ মানপত্ৰ প্ৰদানৰ লগতে সৃষ্টিৰংগন সাংস্কৃতিক গোষ্ঠীৰ সঞ্চালিকা তথা লেখিকা পূৰ্ণিমা ফুকন বৰুৱাৰ ৰচিত 'জীৱনৰ কলাজ' গ্ৰন্থখন স্মাৰক উপহাৰ হিচাপে তেওঁলোকৰ হাতত তুলি দিয়া হয়। সামৰণি ভাষণত সৃষ্টিৰংগন সাংস্কৃতিক গোষ্ঠীৰ উদ্যোক্তাসকলে নাট্য কৰ্মশালাখন সাফল্যমণ্ডিত কৰি তোলাত সহায়-সহযোগিতা আগবঢ়োৱা মুখ্য সমল ব্যক্তি মুনীন্দ্ৰ গগৈ, অংশগ্ৰহণকাৰী কণমানি শিল্পীসকল, অভিভাৱক, শুভাকাংক্ষী আৰু সংশ্লিষ্ট সকলো ব্যক্তিলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

# বঢ়মপুৰত পথ দুৰ্ঘটনাত প্ৰধান শিক্ষক মাণিক চন্দ্ৰ বৰাৰ মৃত্যু

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ আগষ্ট ঃ** নগাঁও জিলাৰ ইটাচালী টাউন আৰক্ষী চকীৰ অন্তৰ্গত বঢ়মপুৰত যোৱা ১৫ আগষ্টৰ দিনা মাণিক চন্দ্ৰ বৰা (৫২) নামৰ এগৰাকী প্ৰধান শিক্ষক তথা সৰ্ববৰহী ব্যক্তি দুৰ্ঘটনাত পতিত হোৱাৰ পিছত আজি বিয়লি গুৱাহাটীৰ জি.এম.চি.এইচত চিকিৎসাধীন অৱস্থাত ব্যক্তিগৰাকীৰ মৃত্যু ঘটে। জানিব পৰা মতে, মাজ উৰিয়াগাঁৱৰ নিবাসী, ৰূপহী শিক্ষাখণ্ডৰ অন্তৰ্গত মিকিৰ বামুণী গ্ৰাণ্ট প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা নাট্যকৰ্মী মাণিক চন্দ্ৰ বৰাই স্বাধীনতা দিৱসৰ দিনা দুপৰীয়া বিদ্যালয়ৰ পৰা নিজ গৃহলৈ আহি থকা অৱস্থাত বঢ়মপুৰ পশুধন পামৰ সন্মুখৰ পথত এক দুৰ্ঘটনাত পতিত হৈ গুৰুতৰভাৱে আহত হয়। ঘটনা সংঘটিত হোৱাৰ পিছত আহত ব্যক্তিগৰাকীক ততাতৈয়াকৈ পৰিয়ালৰ লোকে নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায়। পৰৱৰ্তী সময়ত ব্যক্তিগৰাকীৰ শাৰীৰিক অৱস্থা জটিল হৈ পৰাত চিকিৎসালয় কৰ্তৃপক্ষই উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে যদিও আজি বিয়লি চিকিৎসাধীন অৱস্থাত ব্যক্তিগৰাকীৰ মৃত্যু ঘটে। তেওঁ উৰিয়াগাঁৱৰ সুন্দৰম নাট্যগোষ্ঠীৰ প্ৰাক্তন সম্পাদক, মাজ উৰিয়াগাঁও সৰ্বজনীন ভাগৱত মন্দিৰৰ বিষয়ববীয়া, নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ পুৰণগুদাম আঞ্চলিক সমিতিৰ সক্ৰিয় সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও তেওঁ স্থানীয় বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ সমাজলৈ উল্লেখনীয় অৱদান আগবঢ়াইছিল। এগৰাকী অভিনেতা, ক্ৰিকেট খেলুৱৈ হিচাপে তেওঁৰ সমাজত পৰিচিত ব্যক্তি আছিল। সৰ্ববৰহী ব্যক্তিগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এগৰাকী কন্যা সন্তানকে ধৰি বহু আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত সুন্দৰম নাট্যগোষ্ঠীকে ধৰি বহু স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোকপ্ৰকাশ কৰিছে।

## ভাৰতীয় নিৰ্বাচন ব্যৱস্থাৰ

আমেৰিকাৰ নিৰ্বাচনী পদ্ধতিৰ তুলনা কৰি 'ছেভ আমেৰিকা আইন' (SAVE America Act) গৃহীত কৰাৰ বাবে পুনৰ আহ্বান জনায়। ট্ৰাম্পে পোষ্টটোত উল্লেখ কৰে যে চলিত মাহৰ আৰম্ভণিতে ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে তেওঁৰ প্ৰশাসনৰ বিষয়াসকলৰ সৈতে বাৰ্তালাপ কৰি আমেৰিকাত বৈধ ফটো পৰিচয়পত্ৰ অবিহনে কেনেকৈ নিৰ্বাচন অনুষ্ঠিত কৰা হয় বুলি প্ৰশ্ন কৰিছিল। ট্ৰাম্পে এই প্ৰসঙ্গ উল্লেখ কৰি আমেৰিকাত ফটো পৰিচয়পত্ৰ বাধ্যতামূলক নোহোৱা বিষয়টোকে সমালোচনা কৰে। ভাৰতৰ শেহতীয়া সাধাৰণ নিৰ্বাচনৰ কথা উল্লেখ কৰি ট্ৰাম্পে কয় যে সেই নিৰ্বাচনত ৬৪.৬ কোটি ভোটাৰে ভোটদান কৰিছিল, আনহাতে মাত্ৰ ৰ শতাংশতকৈও কম ভোটাৰেহে পোষ্টেলৰ জৰিয়তে ভোটদান কৰিছিল। তেওঁ ভাৰতীয় নিৰ্বাচন ব্যৱস্থাক সুশৃংখল আৰু সুৰক্ষিত বুলি অভিহিত কৰে। ট্ৰাম্পে 'ছেভ আমেৰিকা আইন' গৃহীত কৰাৰ বাবে সমৰ্থন বিচাৰি কয় যে এই আইনখন গৃহীত হ'লে ভোটাৰ হিচাপে পঞ্জীয়ন কৰাৰ সময়ত আমেৰিকাৰ নাগৰিকত্বৰ প্ৰমাণ দাখিল কৰাটো বাধ্যতামূলক কৰা হ'ব। লগতে সমগ্ৰ আমেৰিকাত ভোটাৰ পৰিচয়পত্ৰ বাধ্যতামূলক কৰাৰ লগতে ডাকযোগে ভোটদানৰ ক্ষেত্ৰতো কঠোৰ সীমাবদ্ধতা আৰোপ কৰা হ'ব। উল্লেখযোগ্য যে 'ছেভ আমেৰিকা আইন'খনৰ জৰিয়তে নিৰ্বাচনী জালিয়াতি আৰু অনিয়ম ৰোধ কৰিব পৰা যাব বুলি ট্ৰাম্প প্ৰশাসনে দাবী কৰি আহিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে এই বিধেয়কখন গৃহীত কৰাৰ বাবে ধাৰাবাহিকভাৱে কংগ্ৰেছৰ ওপৰত চাপ প্ৰয়োগ কৰি আহিছে। বিগত কেইমাহমান ধৰি আমেৰিকাৰ নিৰ্বাচনী পদ্ধতিৰ সংস্কাৰক লৈ তীব্ৰ বিতৰ্ক চলি আছে। ট্ৰাম্পে ভাৰতীয় নিৰ্বাচন ব্যৱস্থাক আদৰ্শ হিচাপে উল্লেখ কৰি এই বিতৰ্কক নতুন মাত্ৰা প্ৰদান কৰিছে। তেওঁ কয় যে ভাৰতৰ দৰে দেশেও য'ত ফটো পৰিচয়পত্ৰৰ জৰিয়তে নিৰ্বাচন সম্পন্ন কৰা হয়, তেন্তে আমেৰিকাতো এই ব্যৱস্থা কিয় কাৰ্যকৰী নহয়? ভাৰতীয় নিৰ্বাচন আয়োগে ইতিমধ্যে দেশৰ সকলো প্ৰাপ্তবয়স্ক নাগৰিকৰ বাবে ভোটাৰ পৰিচয়পত্ৰৰ ব্যৱস্থা কৰি বৈদ্যুতিন ভোটদান পদ্ধতি সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰিছে। এই ব্যৱস্থাক বিশ্বৰ অন্যতম বৃহৎ আৰু সুসংহত নিৰ্বাচনী ব্যৱস্থা বুলি গণ্য কৰা হয়। ট্ৰাম্পৰ এই মন্তব্যৰ পিছত ভাৰতীয় ৰাজনৈতিক মহলতো প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে, কংগ্ৰেছ নেতা পৱন খেড়াই ট্ৰাম্পৰ এই প্ৰশংসাক কটাক্ষ কৰি ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু ইভিএম আমেৰিকালৈ লৈ যোৱাৰ প্ৰস্তাৱ দিছে।

## ছাত্ৰ সমাজে আন্দোলন

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই প্ৰতিবাদসমূহ চম্ভালি লোৱাৰ বাবে দিল্লী আৰু বিহাৰ চৰকাৰকে ধৰি আইন-শৃংখলাজনিত সংস্থাসমূহৰ ভূয়সী প্ৰশংসা কৰে। সাংবাদিকসকলৰ সৈতে হোৱা এক সাক্ষাৎকাৰত ৰিজিজুৱে কয় যে বিশাল সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিবাদসমূহৰ সময়ত কোনো লোকৰ মৃত্যু বা গুৰুতৰ আঘাতৰ ঘটনা সংঘটিত হোৱা নাই। "হাজাৰ হাজাৰ লোক সমাগম হোৱা সত্বেও কাৰো হাড় এডালো ভঙা নাই, কোনো প্ৰতিবাদকাৰী চিকিৎসালয়ত ভৰ্তি হৈ থকা নাই। এই আন্দোলনৰ পৰিসৰ বিবেচনা কৰিলে ইয়াক সফলভাৱে পৰিচালনা কৰা হৈছে," বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰতিবাদৰ সময়ত আৰক্ষীৰ বৰ্বৰতাৰ অভিযোগ সম্পূৰ্ণৰূপে নস্যাৎ কৰি ৰিজিজুৱে দাবী কৰে যে দিল্লী আৰক্ষীয়ে ন্যূনতম বল প্ৰয়োগ কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰিছিল। তেওঁ কয়, "দিল্লী প্ৰশাসনে প্ৰতিবাদৰ সময়ত এবাৰো লাঠীচালনা কৰা নাছিল। কেৱল যেতিয়া প্ৰতিবাদকাৰীসকলে বলপূৰ্বকভাৱে বেৰিকেড ভাঙি সংসদ অভিমুখে যাত্ৰা কৰিবলৈ চেষ্টা কৰিছিল, তেতিয়াহে তেওঁলোকক বাধা দিবলৈ কিছু পৰিমাণে বল প্ৰয়োগ কৰা হৈছিল। এই ঘটনাত কাৰো কোনো ক্ষতি হোৱা নাই।" মন্ত্ৰীগৰাকীয়ে আম আদমী পাৰ্টী, ভীম আৰ্মী, সমাজবাদী পাৰ্টীকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিবাদকাৰীসকলৰ লগতে অন্যান্য আন্দোলনকাৰীক প্ৰতিহত কৰিবলৈ আৰক্ষী বাহিনীয়ে যি ধৈৰ্য আৰু সংযম প্ৰদৰ্শন কৰিছে, তাৰ বাবে তেওঁলোক প্ৰশংসাৰ যোগ্য বুলি অভিহিত কৰে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰসমূহৰ কাৰ্যকালৰ সৈতে তুলনা কৰি ৰিজিজুৱে কয়, "পূৰ্বতে তেলেংগানা ৰাজ্যৰ দাবীৰ আন্দোলন আৰু জৰুৰীকালীন সময়ত বহুকেইটা আন্দোলনৰ সময়ত কংগ্ৰেছ চৰকাৰে প্ৰতিবাদকাৰীসকলক কেনেদৰে অত্যাচাৰ আৰু দমন কৰিছিল, সেই কথা সকলোৱে জানে। কিন্তু বৰ্তমান চৰকাৰৰ নেতৃত্বত আৰক্ষী আৰু প্ৰশাসনে কোনো লোকৰ ক্ষতি নোহোৱাকৈ সম্পূৰ্ণ শৃংখলাবদ্ধভাৱে পৰিস্থিতি চম্ভালি লৈছে।" উল্লেখ্য যে বিগত ২৫ জুলাইত বিহাৰৰ ছিৱান জিলাত প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰী আৰু আৰক্ষীৰ মাজত তীব্ৰ সংঘৰ্ষৰ সৃষ্টি হৈছিল। প্ৰতিবাদকাৰীসকলে শিলগুটি নিক্ষেপ কৰাৰ পিছত আৰক্ষীয়ে কন্দুৱা গেছ আৰু লাঠীচালনাৰ সহায় লৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে একাংশ আৰক্ষীয়ে গুলীচালনা কৰা বুলিও খবৰ প্ৰকাশ পাইছিল। কিন্তু মন্ত্ৰী ৰিজিজুৱে কয় যে গুলীচালনাৰ ঘটনাও সংঘটিত হোৱা নাই আৰু এই প্ৰতিবাদৰ সময়ত কোনো ধৰণৰ হতাহতৰ ঘটনা ঘটা নাই। NEET পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল বিতৰ্ক আৰু জেন-জি আন্দোলনৰ প্ৰসঙ্গ উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন এনডিএ চৰকাৰখন দেশৰ যুৱক-যুৱতীসকলৰ কল্যাণৰ প্ৰতি সম্পূৰ্ণৰূপে দায়বদ্ধ। তেওঁ প্ৰশ্নকাকত ফাদিলৰ দৰে কাণ্ডৰ লগত জড়িত দোষীসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি দিয়ে। ৰিজিজুৱে পুনৰব্যক্ত কৰে যে চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ আবেগক সম্পূৰ্ণ সন্মান কৰে। তেওঁ কয় যে বিগত ২৩ জুলাইত প্ৰধানমন্ত্ৰী মোদীয়ে যুৱ সমাজৰ কল্যাণ সৰ্বোচ্চপ্ৰয়োজন বুলি উল্লেখ কৰি প্ৰশ্নকাকত ফাদিলৰ দৰে কাণ্ডৰ লগত জড়িতসকলক দ্ৰুত শাস্তি দিবলৈ ফাষ্টট্ৰেক আদালত গঠনৰ সিদ্ধান্ত লোৱাৰ কথা ঘোষণা কৰিছিল। ৰাজহুৱা প্ৰতিবাদৰ সময়ত হিংসাৰ বিৰুদ্ধে চৰকাৰৰ শূন্য সহনশীল নীতি পুনৰবাৰ উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ভৱিষ্যতত ছাত্ৰসকলৰ যুক্তিসংগত দাবীসমূহক গুৰুত্বসহকাৰে লোৱাৰ আশ্বাসো প্ৰদান কৰে।

# নিৰ্বাচনী প্ৰচাৰত মাজুলীবাসীক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিলে অসমৰ মুখ্যমন্ত্ৰীয়ে

অতি সোনকালেই মাজুলীত নিৰ্মাণ হ'ব এটি বিমান বন্দৰ



**অসম বাৰ্তা, মাজুলী, ১৮ আগষ্ট ঃ** মাজুলীবাসীৰ বাবে আহিছে এক সুখবৰ। অতি সোনকালেই মাজুলীত নিৰ্মাণ হ'ব পাৰে এটা সুন্দৰ বিমান বন্দৰ। মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী প্ৰচাৰ সভাত দিয়া প্ৰতিশ্ৰুতি বাস্তৱায়নৰ দিশত ইতিমধ্যে আৰম্ভ হৈছে তৎপৰতা। মাজুলীত উপস্থিত হৈছে Airport Authority of India-ৰ এটা প্ৰতিনিধি দল। প্ৰতিনিধি দলটোৱে মাজুলীত বিমান বন্দৰ নিৰ্মাণৰ বাবে সম্ভাব্য তিনিটা স্থান পৰিদৰ্শন কৰে। উজনি মাজুলী ৰাজহ চক্ৰৰ অন্তৰ্গত জেংৰাই আৰু ফুলনিৰ দুটা স্থানৰ লগতে মাজুলী ৰাজহ চক্ৰৰ অধীনৰ দৰবাৰ চাপৰিৰ আন এটা স্থান পৰিদৰ্শন কৰে প্ৰতিনিধি দলটোৱে। সম্ভাব্য স্থানসমূহৰ ভৌগোলিক অৱস্থা, যোগাযোগ ব্যৱস্থা আৰু অন্যান্য আন্তঃগাঁথনিগত দিশ পৰ্যবেক্ষণ কৰে দলটোৱে। উত্তৰ পূব ভাৰতৰ বিমানবন্দৰৰ কৌশিক অৱস্থানে এই ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব। মাজুলীত বিমান বন্দৰ নিৰ্মাণৰ এই প্ৰাথমিক তৎপৰতাই এতিয়া দ্বীপবাসীৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে। মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী প্ৰচাৰত দিয়া প্ৰতিশ্ৰুতি বাস্তৱ ৰূপ দিয়াৰ দিশত এই পদক্ষেপে বিশেষ গুৰুত্ব বহন কৰিছে। মাজুলীত বিমান বন্দৰ স্থাপনৰ সপোন কিমান সোনকালে বাস্তৱায়িত হয়, সেয়া এতিয়া সময়ৰ অপেক্ষা। কিন্তু Airport Authority of India-ৰ এই স্থান পৰিদৰ্শনে মাজুলীবাসীৰ আশাক আৰু অধিক শক্তিশালী কৰিছে। সাংবাদিক সকলৰ আগত মাজুলী জিলা আয়ুক্ত ৰাতুল পাঠকে সদৰি কৰা মতে টেকনিকেল বিশেষজ্ঞ সকলে বুজাই দিয়া কামখিনি সম্পূৰ্ণ কৰিব লাগিব। সাধাৰণতে এটা সৰু এয়াৰ পৰ্টৰ বাবে প্ৰায় ৩ কিলোমিটাৰ দীঘল আৰু ৫০০/৬০০মিটাৰ এলেকাৰ প্ৰয়োজন। কিন্তু তাতকৈ ডাঙৰ এয়াৰ পৰ্টৰ কথা ভাবিব লাগিব। কাৰণ ডাঙৰ সপোন দেখিলেহে ডাঙৰ এয়াৰ পৰ্টৰ আশা কৰিব পাৰি। তদুপৰি এই স্থানৰ উষ্ণতা, আৰু উত্তৰ পূব ভাৰতৰ বিমানবন্দৰৰ পৰা ৩০/৪০ ডিগ্ৰী এংগোলত বিমান বন্দৰৰ অৱস্থান হোৱাটো বাঞ্ছনীয়। কেৱল ফেৰীৰ ওপৰত নিৰ্ভৰশীল মাজুলীৰ লগত বিশ্বৰ বিভিন্ন দেশৰ যাতায়তৰ বাবে সুচল হোৱাৰ এক মাত্ৰ মাধ্যম বিমান বন্দৰ। এই সুখবৰটোৱে মাজুলীৰ জনসাধাৰণৰ মাজত আজি বিশেষভাৱে গুৰুত্ব পাইছে। মুখ্যমন্ত্ৰী হিচাপে মাজুলী বাসীক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰাৰ উদ্যোগ লোৱাত মাজুলীৰ জনসাধাৰণে সন্তোষ প্ৰকাশ কৰি উৎফুল্ল হৈ পৰিছে।

খিতাপ দখল খাদিম হুছেইন আৰু সীমান্ত কুমাৰ বণিয়াৰ

# পিপিৰাকুছিত অনুষ্ঠিত কেৰম প্ৰতিযোগিতা (ডাব'ল) সম্পন্ন

**অসম বাৰ্তা, পাথৰিঘাট, ১৮ আগষ্ট ঃ** স্বাধীনতা দিৱস উপলক্ষে আয়োজিত নতুন প্ৰজন্মক দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ মাহাত্য অনুভৱ কৰি সেৱামূলক মনোভাৱ গঢ়ি তোলা আৰু গ্ৰামাঞ্চলত কেৰম খেলৰ জনপ্ৰিয়তা অতুত ৰখাৰ প্ৰয়াসেৰে ১৫ আৰু ১৬ আগষ্ট তাৰিখে পশ্চিম দৰঙৰ পিপিৰাকুছি নৱজ্যোতি সংঘৰ সৌজন্যত এখনি ট্ৰফীসহ প্ৰাইজমানি কেৰম খেল (ডাব'ল) প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। সংঘৰ নিজা মাটিত প্ৰথমবাৰৰ বাবে এই কাৰ্যসূচী অনুষ্ঠিত হোৱা ১৫ আগষ্টৰ দিনা পুৱা ৭:৩০ বজাত ৰাইজৰ উৎসাহ উদ্দিপনাৰ মাজেৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে সংঘৰ উপদেষ্টা তথা সমাজ সেৱক মকিবৰ ৰহমানে। ৯ বজাত সংঘৰ পতাকা উত্তোলন কৰে নৱজ্যোতি সংঘৰ সভাপতি আতিকুৰ ৰহমানে। ইয়াৰ পাছত স্বাধীনতা দিৱসৰ বিশেষ কাৰ্যসূচী হিচাপে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ৰাষ্ট্ৰীয় পতাকাক বিষয় হিচাপে লৈ পতা এই প্ৰতিযেগিতাখনি উদ্বোধন কৰে সংঘৰ সম্পাদক আব্দুল মোস্তাকে। সন্ধিয়া ৭-৩০ বজাত কেৰম খেল প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে পিপিৰাকুছি আঞ্চলিক হাইস্কুলৰ প্ৰধান শিক্ষক চুৰুজ আলীয়ে। উল্লেখ্য যে, দৰং জিলাৰ বিভিন্ন ঠাইৰ ৩৬টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত প্ৰথম দিনৰ খেল নিশা বাৰ বজাত সম্পন্ন হয়। দ্বিতীয় দিনৰ খেল পুৱা ১১ বজাৰ পৰা আৰম্ভ কৰা হয়। সন্ধিয়া ৭ বজাত দ্বিতীয় ঘূৰণৰ খেল শুভ উদ্বোধন কৰে অৱসৰ প্ৰাপ্ত বিষয় শিক্ষক মাননিয় চাহাবুদ্দিন আহমেদে। তাৰ প্ৰাকক্ষণত সকলোৱে শ্ৰদ্ধা আৰু মৰমৰ শিল্পী, অমৃতকণ্ঠ জুবিন গাৰ্গলৈ বিশেষ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক কণ আলী হাজৰিকাসহ কেইবাজনো ব্যক্তি। নিশা প্ৰায় ২ বজাত প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন অনুষ্ঠিত হয় আৰু চেম্পিয়ণৰ খিতাপ লাভ কৰে খাদিম হুছেইন আৰু সীমান্ত কুমাৰ বণিয়াই। আনহাতে ৰাণাৰ্চ আপৰ খিতাপ লাভ কৰে আফিউৰ ৰহমানে স্পন্সৰ কৰা খেলুৱৈদ্বয় ইব্ৰাহীম আলী আৰু আতিকুৰ ৰহমান(বাপা)ই। প্ৰথম পুৰস্কাৰ হিচাপে চেম্পিয়ন দলক প্ৰয়াত আজহাৰুল ইছলাম সোঁৱৰণী ট্ৰফী(দাতা-ইণ্টাজুল হক) সহ ৩০০১ টকা আৰু ৰাণাৰ্চ আপ দলক প্ৰয়াত তমজিদা বেগম সোঁৱৰণী ট্ৰফী(দাতা-আফিউৰ ৰহমনা) সহ ২০০১ টকা(দাতা-মইদুল হক) প্ৰদান কৰা হয়। প্ৰতিযোগিতাখনিত মুখ্য পৰিচালকৰ দায়িত্বত থাকে মোস্তাক হুছেইন, লুইচ আহমেদ, চাহজাহান আলী, ওমৰ ফাৰুক আৰু আজহাৰুল ইছলাম। প্ৰতিযোগিতা খনি সফল ৰূপায়ণৰ ক্ষেত্ৰত সংঘৰ সদস্য সকলে আগবঢ়োৱা সক্ৰিয় সহযোগিতাৰ বাবে খেল পৰিচালনা সমিতিৰ সভাপতি আলিমুজ জামাল আৰু সম্পাদকদ্বয় ওৱাহিদুৰ ৰহমান আৰু আমানুৰ ৰহমানে সকলোলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাচে। লগতে সংঘৰ প্ৰতিটো কাৰ্যসূচীৰ মূল ব্যৱস্থাপনাত সক্ৰিয়তাৰে সহযোগ কৰা সহঃ সম্পাদক মিৰ্জাজুল হকৰ লগতে সদস্যবৃন্দ চাজিদুল হক, ইমৰানুল হক আৰু ৰুহুল আমিনক সংঘৰ সভাপতি/সম্পাদকে বিশেষভাৱে শুভেচ্ছা জ্ঞাপন কৰে।

নগদ লৈ গ'ল ডেৰ লক্ষাধিক টকা

# গহপুৰৰ ঘাঁহিগাঁৱত দিন দুপৰতে চুৰিকাণ্ড

**অসম বাৰ্তা, গহপুৰ, ১৮ আগষ্ট ঃ** গহপুৰ সমজিলাৰ প্ৰান্তে-প্ৰান্তে ক্ৰমান্বয়ে শক্তিশালী হৈ পৰিছে চুৰি চক্ৰ। এই বৃহৎ চুৰি চক্ৰ সমূহে এতিয়া যেন জোলাকা জোলোকে পানী খুৱাইছে আৰক্ষীক। গহপুৰ সমজিলাৰ বিভিন্ন প্ৰান্তত ধাৰাবাহিক ভাবে সংঘটিত হৈ অহা চুৰি কাণ্ড সমূহৰ বিপৰীতে আৰক্ষীয়ে চুৰি চক্ৰ সমূহক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নোহোৱা কাৰ্য্যই এতিয়া গভীৰ নিৰাপত্তাহীনতাত ভোগাইছে গহপুৰ বাসী ৰাইজক। গহপুৰ সমজিলাত অব্যাহত থকা এনেধৰণৰ চুৰি কাণ্ড সমূহৰ মাজতে কালি দিন দুপৰতে সংঘটিত হয় আন এক চুৰি কাণ্ড। গহপুৰ সমজিলাৰ অন্তৰ্গত ঘাঁহিগাঁও আৰক্ষী চকীৰ পৰা মাত্ৰ ৫০০ মিটাৰ নিলগত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত সংঘটিত হয় উক্ত চুৰি কাণ্ড। ঘাঁহিগাঁৱৰ হনুমান মন্দিৰৰ সন্মুখত থকা বিভূতি কাকতি নামৰ ব্যৱসায়ী জনৰ ঘৰত সংঘটিত হোৱা উক্ত চুৰি কাণ্ডত চোৰে গডৰেজ ভাঙি লৈ যায় নগদ প্ৰায় ডেৰ লক্ষাধিক টকা। জানিব পৰা মতে- আন দিনাৰ দৰে কালিও বিভূতি কাকতি ঘৰৰ পৰা ওলাই গৈছিল ব্যৱসায়িক কামত। দুপৰীয়া পত্নী আৰু পুত্ৰ গৈছিল বৰঙাবাৰীৰ বৰসুঁতা গাঁৱৰ এক অন্ন প্ৰসন্ন অনুষ্ঠানলৈ। যোৱাৰ সময়ত তেওঁলোকে ঘৰ তলা মাৰি গৈছিল। সন্ধিয়া ঘৰলৈ উভতি আহি শোৱনি কোঠাৰ ভিতৰত দেখে যে গডৰেজটোৰ দুৱাৰ খোলা অৱস্থাত আছে। চুৰি চক্ৰটোৱে পিছফালৰ পৰা আহি পাকঘৰৰ ওপৰত থকা চিলিং ভাঙি ভিতৰত প্ৰৱেশ কৰিছিল। গডৰেজটোত থকা প্ৰায় ডেৰ লক্ষাধিক টকা লৈ চুৰি চক্ৰটো পিছফালৰ দুৱাৰ খুলি বাহিৰলৈ ওলাই যোৱা বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। তদুপৰি বিভূতি কাকতিৰ পুত্ৰই এটা টেকেলিত জমা কৰি ৰখা পইচাখিনিও লৈ যায় চুৰি চক্ৰটোৱে। ঘটনাৰ খবৰ পোৱাৰ পিছত ঘাঁহিগাঁও আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ অনুসন্ধান আৰম্ভ কৰে যদিও বাতৰি লিখা পৰলৈকে কোনো শুংসূত্ৰ উলিয়াব পৰা নাই। গহপুৰ সমজিলাত এতিয়া ঘৰ তলা মাৰি যোৱাটো অতি চিন্তাৰ কাৰণ হৈ পৰিছে।

# বিধায়ক সঞ্জয় কিষাণৰ প্ৰতিনিধি হিচাপে দায়িত্ব ল'লে পৰিৱেশ কৰ্মী ঋতুৰাজ বৰুৱাই

**অসম বাৰ্তা, মাকুম, ১৮ আগষ্ট ঃ** অসম চৰকাৰৰ বন বিভাগৰ কাম-কাজ অধিক স্বচ্ছ, গতিশীল কৰাৰ লগতে চৰকাৰী জনকল্যাণমূলক আঁচনিসমূহ তৃণমূল পৰ্যায়ৰ ৰাইজৰ ওচৰলৈ লৈ যোৱাৰ উদ্দেশ্যে তিনিচুকীয়া জিলাৰ মাকুম বিধান সভা সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী সঞ্জয় কিষাণে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। বিধায়কগৰাকীয়ে অঞ্চলটোৰ এগৰাকী সক্ৰিয় তথা নিষ্ঠাৱান পৰিবেশকৰ্মী ঋতুৰাজ বৰুৱাক বন বিভাগ আৰু জনকল্যাণমূলক আঁচনিসমূহৰ কাম-কাজ পৰ্যবেক্ষণৰ বাবে নিজৰ চৰকাৰী প্ৰতিনিধি হিচাপে নিযুক্তি প্ৰদান কৰিছে। ইতিমধ্যে বিধায়কগৰাকীয়ে এই সন্দৰ্ভত তিনিচুকীয়া জিলাৰ উপায়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখ্য যে, কেৱল গছপুলি ৰোপণ কৰাই নহয়, তাক একোটা বৃহৎ মহীৰুহলৈ ৰূপান্তৰ কৰি অসমৰ পৰিৱেশ আন্দোলনলৈ অভূতপূৰ্ব বৰঙনি যোগাইছে তিনিচুকীয়াৰ সুযোগ্য সন্তান, বিশিষ্ট পৰিৱেশ কৰ্মী ঋতুৰাজ বৰুৱাই। ২০১০ চনৰে পৰা তিনিচুকীয়া চহৰৰ পৰা আৰম্ভ হোৱা তেওঁৰ এই পৰিৱেশ যাত্ৰাই আজি সমগ্ৰ অসমতে এক ব্যাপক আন্দোলনৰ ৰূপ ধাৰণ কৰিছে। গছ ৰোপণ কৰাতকৈও তাৰ প্ৰতিপালনৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা বৰুৱাই ২০১২ চনৰ পৰা প্ৰতিটো দেওবাৰ ব্যক্তিগতভাৱে গছপুলিৰ প্ৰতিপালনৰ নামত উছৰ্গা কৰি আহিছে। জনসাধাৰণৰ মাজত পৰিৱেশ সজাগতা বৃদ্ধিৰ বাবে ২০১২ চনত তেওঁৰ নেতৃত্বত তিনিচুকীয়াৰ পৰা গুৱাহাটীলৈ এক চাইকেল ৰেলী কাৰ্যসূচী সম্পন্ন কৰে। ইয়াৰ পিছত, ২০১৫ চনত তেওঁ পুনৰ পৰিৱেশ সজাগতাৰ বাবে তিনিচুকীয়াৰ পৰা গুৱাহাটীলৈ এক সুদীৰ্ঘ ২৩ দিনীয়া সফল পদযাত্ৰা কৰি এক সুকীয়া নিদৰ্শন দাঙি ধৰে। ঋতুৰাজ বৰুৱাৰ দূৰদৰ্শী চিন্তাধাৰাৰ আন এক ডাঙৰ প্ৰমাণ হ'ল অসমৰ জাতীয় ফল হিচাপে 'কাজিনেমু'ৰ স্বীকৃতি। ২০২৩ চনত তেৰেই পোনপ্ৰথমে কাজিনেমুক অসমৰ জাতীয় ফলৰ স্বীকৃতি প্ৰদান কৰাৰ বাবে সন্মানীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক বিধায়ক সঞ্জয় কিষাণৰ উপস্থিতিত আনুষ্ঠানিকভাৱে আবেদন জনাইছিল। তেওঁৰ এই যুগান্তকাৰী আৱেদনৰ পৰিপ্ৰেক্ষিততে অসম চৰকাৰে ২০২৪ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখে কাজিনেমুক অসমৰ আনুষ্ঠানিক "জাতীয় ফল" হিচাপে ঘোষণা কৰে। পৰিৱেশ কৰ্মী ঋতুৰাজ বৰুৱাই বিধায়ক সঞ্জয় কিষানে প্ৰদান কৰা প্ৰতিনিধি দায়িত্ব গ্ৰহণ কৰি এই দায়িত্ব পৰিৱেশ সুৰক্ষা সমিতিৰ প্ৰতিজন পৰিৱেশ কৰ্মীক প্ৰদান কৰাৰ বুলি উল্লেখ কৰে। লগতে বিধায়ক সঞ্জয় কিষানৰ দিহা পৰামৰ্শৰে গছপুলি ৰোপণ, প্ৰতিপালন আৰু সংৰক্ষিত বনাঞ্চল সমূহ সংৰক্ষণৰ কামকাজ আগবঢ়াই নিয়াৰ কথা উল্লেখ কৰে। আজিৰ দায়িত্ব গ্ৰহণৰ সময়ত পৰিৱেশ সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি দিগন্ত ভট্ট, জিলা সভাপতি জীৱন দত্ত, কেন্দ্ৰীয় সহকাৰী সম্পাদক অপূৰ্ব দাস, জিলা সাংকৃতিক সম্পাদক বিজয় মল্লিক, জিলা সম্পাদক ফটিক মৰাণ, জিলা উপসভাপতি ৰাজিদ খান আৰু বৰগুৰি বজালতলী, লক্ষ্মীপথাৰ মহিলা সমিতি উপস্থিত থাকে। ■

# লাংঠা জানৰ বাঢ়নী পানীত ডুব গ'ল ১নং টেঙাহোলা গাঁৱৰ কৃষিভূমি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৮ আগষ্ট ঃ** যোৱা দুটা নিশা সৰুপথাৰ অঞ্চলত হোৱা প্ৰবল বৰষুণৰ ফলত সৰুপথাৰ নগৰৰ মাজমজিয়াইদি বৈ যোৱা লাংঠা জানৰ পানীৰ স্তৰ যথেষ্ট বৃদ্ধি পাইছে। ফলত জানটোৰ দাঁতিকাষৰীয়া বিস্তীৰ্ণ কৃষিভূমিৰ লগতে দুই এটা গ্ৰাম্য পথ আৰু উপপথ বাঢ়নী পানীত ডুব গৈছে। বিশেষকৈ সৰুপথাৰ অঞ্চলৰ ১নং টেঙাহোলা গাঁৱৰ বহু কৃষিভূমি পানীৰ তলত ডুব যোৱাত কৃষকসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। উল্লেখ্য যে, সৰুপথাৰ অঞ্চলত আহাৰ মাহলৈকে খৰাংসদৃশ পৰিস্থিতি বিৰাজ কৰিছিল। কিন্তু শাওন মাহৰ আৰম্ভণিৰে পৰা অঞ্চলটোত যথেষ্ট পৰিমাণে বৰষুণ হোৱাত কৃষকসকলে ততাতৈয়াকৈ নিজৰ খেতিপথাৰত হাল বাই, বোকা দি ধান ৰোপণৰ কাম আৰম্ভ কৰে। নিজৰ গাঁথিৰ ধন খৰচ কৰি, প্ৰচণ্ড গৰমকো নেওচি মূৰৰ ঘাম মাটিত পেলাই বছৰটোৰ ভাতমুঠিৰ আশাত কৃষকসকলে অশেষ কষ্টেৰে ধান ৰোপণৰ কাম প্ৰায় সম্পূৰ্ণ কৰিছিল। কিন্তু হঠাতে লাংঠা জানৰ পানী বাঢ়ি অহাত ১নং টেঙাহোলা গাঁৱৰ বহু খেতিপথাৰ পানীত ডুব যায়। ফলত মূৰে-কপালে হাত দিবলগীয়া হৈছে কৃষকসকল। কৃষকসকলৰ আশংকা অনুসৰি, খেতিপথাৰসমূহ এনেদৰে দীৰ্ঘসময় পানীৰ তলত থাকিলে ৰোপণ কৰা ধান গছ গেলি নষ্ট হোৱাৰ সম্ভাৱনা আছে। আনহাতে, পুনৰ ধান ৰোপণ কৰিবলৈ প্ৰয়োজনীয় কঠীয়াও কৃষকৰ হাতত নাই। ইয়াৰ উপৰি শাওন মাহো শেষ হোৱাৰ ফলত পুনৰ খেতি কৰাৰ বাবে হাতত সময়ো নাইকিয়া হৈ পৰিছে।

# কুমচাং গাঁও পঞ্চায়তত জব কাৰ্ড আঁচনি ৰূপায়ণত ব্যাপক লুণ্ঠনৰ অভিযোগ

**অসম বাৰ্তা, ছৈখোৱা, ১৮ আগষ্ট** ঃ অসম চৰকাৰে পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ লগতে দুৰ্নীতি নিৰ্মূলকৰণৰ শূন্য সহনশীলতাৰ যি নীতি এইয়া যেন সম্প্ৰতি ফুটুকাৰ ফেনত পৰিণত হোৱা দেখা গৈছে। ইয়াৰে প্ৰত্যক্ষ প্ৰমাণ হিচাপে চিহ্নিত হৈছে কুমচাং গাঁও পঞ্চায়তৰ জব কাৰ্ড আচনিৰ নামত হোৱা ব্যাপক লুণ্ঠন। তিনিচুকীয়া জিলাখনৰ ডুমডুমা উন্নয়ন খণ্ডৰ অধীনৰ কুমচাং গাঁও পঞ্চায়তৰ ২ নং ৱাৰ্ডৰ অন্তৰ্গত ষ্টাফ অঞ্চলৰ দুটা উপ-পথৰ দুয়োকাষে নলা খনন কৰাৰ উদ্দেশ্যে জব কাৰ্ড আচনিৰ দুটা কামৰ মঞ্জুৰী লাভ কৰিছিল। উক্ত কাম দুটা ২০২৫-২৬ বিত্তীয় বৰ্ষৰ অধীনত ষ্টাফ তিনিআলিৰ ৰঞ্জিত মহন্তৰ বাসগৃহৰ পৰা পুৰ্ণা অফিচলৈ ৩.৭৮ লাখ টকা মঞ্জুৰ কৰা হৈছিল। আনহাতে ষ্টাফ তিনিআলিৰ কলিয়া তাঁতীৰ বাসগৃহৰ পৰা বাগিছা কাৰ্যালয় লৈকে ৪.৩৩ লাখ টকা মঞ্জুৰ লাভ কৰিছিল। কিন্তু পৰিতাপৰ বিষয় যে উক্ত দুয়োটা পথৰ নলা খননৰ কামৰ নমুনাই সকলোৰে চকু কপালত তুলিছে। নলা দুটা খননৰ নামত পঞ্চায়তৰ সংশ্লিষ্ট বিভাগে কেৱল মাত্ৰ দুখন ফলক আঁৰি আবণ্টিত ধনৰ সিংহভাগ হৰলুকী কৰা বুলি পঞ্চায়তৰ অধীনৰ একাংশ সচেতন ব্যক্তিয়ে অভিযোগ উত্থাপন কৰি খণ্ড উন্নয়ন বিষয়ালৈ পত্ৰও প্ৰেৰণ কৰিছে। অভিযোগ পত্ৰত আচনিখনৰ নামত হোৱা অনিয়ম সন্দৰ্ভত চৰজমিন তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে লগতে পঞ্চায়ত সমূহত চলা অনিয়মৰ বিষয়ে সময়ে সময়ে উত্থাপিত অভিযোগৰ ওপৰত জিলা আয়ুক্তৰ হস্তক্ষেপ বিচাৰিছে।

নলবাৰীৰ পৰা অহা ভক্তপ্ৰাণ ৰাইজৰ পৰা ভিৰৰ মাজত লুটিলে ধন

# পুৰণিগুদামৰ মহামৃত্যুঞ্জয় মন্দিৰত চোৰৰ উপদ্ৰৱ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ আগষ্ট** ঃ নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অধীনৰ পুৰণিগুদাম ভেৰভেৰিস্থিত মহামৃত্যুঞ্জয় মন্দিৰত চলিছে এতিয়া চোৰৰ উপদ্ৰৱ। বিশ্বৰ সৰ্ববৃহৎ শিৱলিংগৰ আকৃতিৰ মহামৃত্যুঞ্জয় মন্দিৰত অসমৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ ভক্তৰ সমাগম হয়। বিশেষকৈ শাওন মাহৰ সোমবাৰ কেইটাত বল বম যাত্ৰীসকলে শিৱলিংগত পানী ঢালিবলৈ শাৰি পাতেহি মহা মৃত্যুঞ্জয় মন্দিৰত। বহু দূৰ-দূৰণিৰ ভক্তসকলে নিশা খোজকাঢ়ি পানী কঢ়িয়াই আনি অতি ভক্তিৰে মহা মৃত্যুঞ্জয় চৰণত অৰ্পণ কৰিবলৈ শাৰী পাতি থকাৰ সময়ত চোৰে চলাই উপদ্ৰৱ। ভক্তসকলৰ শাৰীৰ মাজত কৌশলেৰে সোমাই চোৰে ভক্তৰ বেগৰ পৰা ধন চুৰি কৰি নিয়াৰ লগতে পকেটৰ পৰা ধন লৈ যায়। ভক্তিমাৰ্গৰ পৰিবেশৰ মাজত দূৰ-দূৰণিৰ পৰা ভক্তসকলক লুটপাত চলাবলৈ অহা চোৰৰ দল সমূহ স্থানীয় নহয় বুলি সন্দেহ কৰা হৈছে। মন্দিৰত ভিৰ হ'লেই একাংশ অচিনাক্ত লোকে চুৰি কাৰ্য কৰিবলৈ ভিৰৰ মাজত সোমাই পৰে আৰু প্ৰায়েই ভক্তসকলৰ মূল্যবান সামগ্ৰী, ধন নাইকিয়া হয়। এনে কাৰ্য বহুদিন ধৰি চলি আহিছে বুলি জানিব পৰা গৈছে। আজিও মন্দিৰ প্ৰাংগণত অনুৰূপ ঘটনা সংঘটিত হৈছে। নলবাৰী জিলাৰ বাগানপাৰা অঞ্চলৰ পৰা ৫২জন ভক্ত একেলগে মন্দিৰ দৰ্শন কৰিবলৈ আহিছিল। ইয়াৰে চাৰিজন ভক্তৰ বেগৰ পৰা চোৰৰ দলে চুৰি কৰি নিয়ে ধন। আৰক্ষী আৰু মন্দিৰ সমিতিৰ গাফিলতিৰ বাবে এনে ঘটনা সংঘটিত হৈছে বুলি ভুক্তভোগী ভক্তই সাংবাদিকক জানিবলৈ দিয়ে। ভক্তসকলে জনোৱা মতে, নিশা ১২ বজাতে বাগানপাৰাৰ পৰা মন্দিৰ অভিমুখে আহিছিল ভক্তৰ দলটো। পুৱতি নিশা চাৰিমান বজাৰ পৰা মন্দিৰ দৰ্শন কৰিবলৈ শাৰি পাতি থকা ভক্তসকলৰ পৰা এনেদৰে ধন লুট কৰি নিয়াত মন্দিৰ সমিতি আৰু আৰক্ষীৰ ওপৰত ক্ষোভ প্ৰকাশ কৰিছে। বিশেষকৈ মন্দিৰত প্ৰবেশ কৰালৈকে বেগৰ পৰা ধন লুট কৰা নাছিল। মন্দিৰৰ ভিতৰত ভিৰৰ মাজত চোৰৰ দলে লুটপাত চলাই লুটি নিয়ে ধন। যাৰ পৰিপ্ৰেক্ষিতত ঘৰলৈ ঘূৰি যাবলৈ ধনৰ অভাৱ হয় বাগানপাৰাৰ পৰা অহা ভক্তপ্ৰাণ ৰাইজৰ দলটোৰ। উল্লেখযোগ্য যে, মন্দিৰ সমিতি আৰু আৰক্ষীৰ চূড়ান্ত গাফিলতিৰ বাবে একাংশই চুৰিৰ দৰে অসৎ কামত লিপ্ত হৈ মন্দিৰৰ ভক্তিৰ পৰিবেশ বিনষ্ট কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# গোৱালপাৰা জিলা প্ৰশাসনৰ "হৰ ঘৰ তিৰংগা" কাৰ্যসূচীৰ সামৰণি

## 'বিভাজন বিভীষিকা স্মৃতি দিৱস -২০২৬'ত ৰাইজৰ অভূতপূৰ্ব সঁহাৰি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ১৮ আগষ্ট** ঃ দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে গোৱালপাৰা জিলা প্ৰশাসনে ১০ আগষ্টৰ পৰা ১৭লৈ অয়োজন কৰা সপ্তাহজোৰা "হৰ ঘৰ তিৰংগা " কাৰ্যসূচীৰ আজি আনুষ্ঠানিকভাৱে সামৰণি মৰা হয়। কেইবাদিনযোৰা এই কাৰ্যসূচীৰ অন্তিম দিনটোত নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানটো আদৰণি ভাষণেৰে শুভাৰম্ভ কৰে জিলা আয়ুক্ত প্ৰদীপ টিমুংএ। তেখেতে উল্লেখ কৰে যে গোৱালপাৰা জিলা প্ৰশাসনে চৰকাৰৰ নিৰ্দেশনা অনুসৰি ১০ আগষ্টৰ পৰা ১৭ আগষ্টলৈ আয়োজন কৰা "হৰ ঘৰ তিৰংগা"ৰ প্ৰতিটো কাৰ্যসূচীতে ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী তথা ৰাইজৰ অংশগ্ৰহণ আছিল যথেষ্ট উৎসাহজনক। এই কাৰ্যসূচীত জিলা প্ৰশাসনে ছাত্ৰ-ছাত্ৰীৰ মাজত দেশভক্তিমুলক বিষয়ত - চিত্ৰাংকন, বক্তৃতা আদি প্ৰতিযোগিতাৰ লগতে চাইকেল ৰেলী, অসম-মেঘালয়ৰ মাজত মহিলা ফুটবল খেল আদি অনুষ্ঠিত কৰা হয়। ইয়াৰ মাজতে ১৪ আগষ্টত "বিভাজন বিভীষিকা স্মৃতি দিৱস -২০২৬" শীৰ্ষক যি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হৈছিল তাৰ প্ৰতি ৰাইজৰ সঁহাৰি আছিল অভূতপূৰ্ব। জিলা আয়ুক্ত মহোদয়ে আজিৰ অনুষ্ঠানলৈ সকলোকে আদৰণি জনোৱাৰ লগতে জিলা প্ৰশাসনৰ "হৰ ঘৰ তিৰংগা"ৰ আটাইকেইটা কাৰ্যসূচীত অংশগ্ৰহণকাৰী সকল তথা গোৱালপাৰাবাসী ৰাইজলৈ সহায়-সহযোগিতাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। আজি নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানত জিলাখনৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। বিভিন্ন দেশভক্তিমুলক গীত, লোক নৃত্য, লোকগীত, ভূপেন্দ্ৰ সংগীত আদিৰে ছাত্ৰ-ছাত্ৰীসকলে আজিৰ অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানটোত জিলা উন্নয়ন আয়ুক্ত প্ৰণৱ কুমাৰ বৰাৰ লগতে অতিৰিক্ত জিলা আয়ুক্ত সকল, নিৰ্বাচনী বিষয়া, সহকাৰী আয়ুক্তসকলকে আদি কৰি জিলা প্ৰশাসনৰ সকলো বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। ঘোষক জয়ন্ত মেধীয়ে আঁত ধৰা অনুষ্ঠানটো জিলা উন্নয়ন আয়ুক্ত প্ৰণৱ কুমাৰ বৰাৰ শলাগৰ শৰাইৰে সামৰণি পৰে।

# জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত অধীক্ষক অভিযন্তা আলহজ মুজিবুল হকৰ দেহাৱসান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৮ আগষ্ট** ঃ জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত অধীক্ষক অভিযন্তা আলহজ মুজিবুল হকৰ বাৰ্ধক্যজনিত কাৰণত ৮৪ বছৰ বয়সত কালি সন্ধিয়া গুৱাহাটীৰ হাতীগাঁৱৰ নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি হয়। ১৯৪২ চনৰ ১ আগষ্টত গোলাঘাটৰ ফেচোৱাল গাঁৱত জন্ম গ্ৰহণ কৰা( বৰ্ত্তমানে হাতীগাঁও চাৰিআলি নিবাসী) হকে গোলাঘাট জিলাৰ ফৰকাটিং হাইস্কুলৰ পৰা ১৯৬০ চনত মেট্ৰিক পাছ কৰে। সেই সময়ত তেখেতেই আছিল ফেচোৱাল গাৱঁৰ পৰা মেট্ৰিকত প্ৰথম বিভাগত পোৱা একমাত্ৰ ছাত্ৰ। ইয়াৰ পিছত হকে দুই বছৰীয়া পি ইউ ডিগ্ৰী অৰ্জন কৰে গুৱাহাটী কটন কলেজৰ পৰা। তাৰ পিছত তেওঁ যোৰহাট ইঞ্জিনিয়াৰিং মহাবিদ্যালয়ৰ পৰা চিভিল ইঞ্জিনিয়াৰিং হিচাপে ১৯৬৬ চাৰি বছৰীয়া পাঠ্যক্ৰম বি ই ডিগ্ৰী লাভ কৰে। ১৯৬৭ চনত হকে জলসিঞ্চন বিভাগত প্ৰথম সহকাৰী অভিযন্তা হিচাপে যোগদান কৰে জখলাবন্ধা জলসিঞ্চন বিভাগত। ইয়াৰ পৰবৰ্তী সময়ত কাৰ্বি আংলং জিলাৰ বকুলিয়া, লাংহিং, সহকাৰী কাৰ্য্যবাহী অভিযন্তা হিচাপে ধনশিৰি প্ৰকল্প সংমণ্ডল(জল) কেনেল-১ ওদালগুৰি, কাৰ্যবাহী অভিযন্তা হিচাপে ধনশিৰি প্ৰকল্প বান্ধ সংমণ্ডল (জল) ভৈৰৱকুণ্ড, যোৰহাট, শিৱসাগৰ, গোলাঘাটত, অধীক্ষক অভিযন্তা হিচাপে নলবাৰী, ডিব্ৰুগড় আৰু শেষত সেই পদৰ পৰাই অধীক্ষক অভিযন্তা হিচাপে যোৰহাটৰ পৰা ২০০০ চনত অৱসৰ গ্ৰহণ কৰে। ২০০৬ চনত তেওঁ মক্কালৈ গৈ পৱিত্ৰ হজব্ৰত সম্পন্ন কৰে। মৃত্যুৰ সময়ত তেওঁৰ পৰিবাৰ চামচুন আৰা বেগম (আবেদা), দুই পুত্ৰ, এক জীয়ৰী, বোৱাৰী, নাতি-নাতিনী, ভাই-ভতিজা, ভাগিন-ভাগিনীসহ পৰিয়ালৰ অনেক আত্মীয়ক ইহ সংসাৰত এৰি যায়। আজি (১৮-৮-২০২৬) সিজু বাৰী ঈদগাহ কবৰস্থানত অনেক গুণমুগ্ধ আৰু আত্মীয়ৰ উপস্থিতিত হকৰ জানাজা সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত গোলাঘাট শান্তিপুৰ জামাত, ফেচোৱাল গৰঙা জামাত, হাতীগাঁও চাৰিআলি মছজিদ জামাত কমিটি আদিয়ে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

নলবাৰীৰ কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য অৰ্জন

# পুৰস্কাৰ প্ৰাপ্তি হৈছে পোহৰমুখী পথৰ একোটি ঢাপ ঃ ৰূপক বৈশ্য

**অসম বাৰ্তা, চামতা, ১৮ আগষ্ট** ঃ পুৰস্কাৰ প্ৰাপ্তি হৈছে পোহৰমুখী পথৰ একোটি ঢাপ। এই বক্তব্য নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যৰ। আজি একাডেমীখনৰ প্ৰাতঃসভাত বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰি একাডেমীখনৰ অধ্যক্ষ ৰূপক বৈশ্যই এই বক্তব্যৰে অভিনন্দিত কৰে। উল্লেখ্য যে, যোৱা ১৮ জানুৱাৰীত অনুষ্ঠিত হৈ যোৱা সঁফুৰা প্ৰতিভা সন্ধানী প্ৰতিযোগিতাত নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে বিশেষ সফলতা অৰ্জন কৰে। সদৌ অসমভিত্তিত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত প্ৰায় অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। তাৰভিতৰত মোস্তফা আহমেদ, চেমিম আহমেদ, আনহাজ হুছেইন, ৰকিবুল হুছেইন, জিচান মাচুট আৰু ৰিমলি বৈশ্যই উল্লেখযোগ্য সফলতা অৰ্জন কৰে। প্ৰণিধানযোগ্য যে, সফলতা লাভ কৰিবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ মোস্তফা আহমেদে ১৫০ নম্বৰৰ ভিতৰত ১৪১ নম্বৰ লাভ কৰি ৰাজ্যিকভিত্তিত বিশেষ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে একাডেমীখনত অনুষ্ঠিত কৰা মুকলি কুইজ প্ৰতিযোগিতাত মৃণ্ময় গগৈ আৰু আমৃনা ইয়াছমিনে প্ৰথম আৰু দ্বিতীয় স্থান অধিকাৰ কৰি পুৰস্কাৰ লভিবলৈ সক্ষম হয়। আজি একাডেমীখনৰ প্ৰাতঃসভাত ৰূপায়িত পুৰস্কাৰ আৰু প্ৰমাণপত্ৰ প্ৰদান অনুষ্ঠানত অধ্যক্ষ ৰূপক বৈশ্যই ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে দিয়া ভাষণত কয় যে, সফলতাৰ সোপান বগোৱাত পুৰস্কাৰপ্ৰাপ্তিয়ে অনুঘটকৰ দৰে কাম কৰে আৰু লভ্য পুৰস্কাৰেই হৈ পৰে পোহৰমুখী পথৰ একোটি ঢাপ। এইদৰে নিজৰ প্ৰগতিৰ দিশত অধিক মনোনিৱেশ ঘটাই যাবলৈ অধ্যক্ষ ৰূপক বৈশ্যই ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ প্ৰদান কৰে। শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত হোৱা এই অনুপ্ৰেৰণামূলক দিশটোৱে একাডেমীখনক এক অনন্য মাত্ৰা প্ৰদান কৰা পৰিলক্ষিত হয়।

# অভয়াপুৰী ১নং চিল্লাপাৰাত জালত আবদ্ধ প্ৰকাণ্ড অজগৰ উদ্ধাৰ

**অসম বাৰ্তা, অভয়াপুৰী, ১৮ আগষ্ট** ঃ বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ ১নং চিল্লাপাৰাত মঙলবাৰে এখন পথাৰত মাছ ধৰিবলৈ পাতি থোৱা জালত আবদ্ধ অৱস্থাত এডাল প্ৰকাণ্ড অজগৰ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। জানিব পৰা মতে, ১নং চিল্লাপাৰাৰ এখন পথাৰত স্থানীয় লোকে হাল মাৰি থকা সময়তে মাছ ধৰিবলৈ পাতি থোৱা জালত কিবা এটা আবদ্ধ হৈ থকা প্ৰত্যক্ষ কৰে। ওচৰলৈ গৈ চোৱাত জালখনত এডাল প্ৰকাণ্ড অজগৰ আবদ্ধ হৈ থকা দেখা পায়। অজগৰডালৰ আকাৰ যথেষ্ট ডাঙৰ হোৱাত ঘটনাটো অতি কম সময়ৰ ভিতৰতে অঞ্চলটোত বিয়পি পৰে। প্ৰকাণ্ড অজগৰডাল চাবলৈ ঘটনাস্থলীত বহু গাঁওবাসীৰ সমাগম ঘটে। স্থানীয় লোকসকলে অজগৰডাল উদ্ধাৰৰ বাবে অভয়াপুৰী বন বিভাগক খবৰ দিয়ে। কিন্তু বন বিভাগৰ দল ঘটনাস্থলীত উপস্থিত হোৱাত কিছু পলম হোৱাত, এগৰাকী স্থানীয় লোকে যথেষ্ট সাৱধানতা অৱলম্বন কৰি জালখনৰ পৰা অজগৰডাল উদ্ধাৰ কৰিবলৈ সক্ষম হয়। জালত আবদ্ধ হৈ থকাৰ ফলত অজগৰডাল কিছু পৰিমাণে আঘাতপ্ৰাপ্ত হোৱা বুলি জানিব পৰা গৈছে। উদ্ধাৰৰ কিছুসময় পাছতে অভয়াপুৰী বন বিভাগৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। বন বিভাগৰ কৰ্মচাৰীসকলে অজগৰডাল নিজৰ জিম্মাত লৈ প্ৰয়োজনীয় চিকিৎসাৰ ব্যৱস্থা কৰাৰ বাবে অভয়াপুৰীলৈ লৈ যায়। বন বিভাগৰ সূত্ৰ অনুসৰি, চিকিৎসাৰ পাছত অজগৰডাল সুস্থ হৈ উঠিলে উপযুক্ত প্ৰাকৃতিক পৰিৱেশত মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰা হ'ব পাৰে। ইফালে, গাঁওবাসীয়ে অজগৰডাল উদ্ধাৰ হোৱাত স্বস্তি প্ৰকাশ কৰাৰ লগতে বন বিভাগ আৰু স্থানীয় লোকসকলৰ তৎপৰতাৰ শলাগ লৈছে।

চোৰাং কাঠৰ ব্যৱসায়ী আজিও নহ'ল গ্ৰেপ্তাৰ

# লখিমপুৰৰ থেকেৰাগুৰিত শিমলু কাঠৰ চোৰাং বেহা

**অসম বাৰ্তা, লীলাবাৰী, ১৮ আগষ্ট** ঃ লখিমপুৰৰ থেকেৰাগুৰিত চোৰাং কাঠভৰ্তি বাহন জব্দ কৰা ঘটনাক লৈ সৃষ্টি হোৱা পৰিস্থিতিৰ সন্দৰ্ভত এতিয়াও তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। জব্দকৃত বাহনৰ গৰাকী আৰু চোৰাং কাঠৰ বেপাৰীক আজিও গ্ৰেপ্তাৰ নকৰাক লৈ স্থানীয় ৰাইজ আৰু সচেতন মহ'লৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ উদ্যোগ তথা স্থানীয় যুৱক আৰু ৰাইজৰ সহযোগত প্ৰকৃতি ধ্বংসৰ বিৰুদ্ধে লখিমপুৰত তীব্ৰ অভিযান আৰম্ভ হৈছে। ইয়াৰ অংশস্বৰূপে শুক্ৰবাৰে পুৱা ৪ বজাত লখিমপুৰৰ থেকেৰাগুৰিত শিমলু কাঠৰ তক্তা ভৰ্তি এখন বলে'ৰ পিক-আপ ভেন (নম্বৰ: AR01U4977) জব্দ কৰি স্থানীয় ৰাইজে বন বিভাগক চমজাই দিছিল। প্ৰাপ্ত তথ্য অনুসৰি, বাহনখন উদ্ধাৰৰ পিছতে পৰিস্থিতি উত্তপ্ত হৈ পৰে। লখিমপুৰৰ বিতৰ্কিত কাঠ বেপাৰী ভৰিত শইকীয়াই উক্ত দিনা পুৱা প্ৰায় ৫ বজাত পত্নীসহ ফৰ্চুনাৰ গাড়ী (নম্বৰ: AS01FZ6114) লৈ ঘটনাস্থলীত উপস্থিত হৈছিল। তেওঁ কাঠৰ গাড়ীখন কিয় ৰখা হৈছে বুলি প্ৰশ্ন তুলি স্থানীয় লোকসকলক অশালীন ভাষাৰে গালি-গালাজ কৰে আৰু ভাবুকি প্ৰদান কৰি বলপূৰ্বকভাৱে বাহনখন মুকলি কৰি লৈ যোৱাৰ চেষ্টাও চলাইছিল। পৰিস্থিতি নিয়ন্ত্ৰণহীন হৈ পৰাত স্থানীয় যুৱকসকলে চাউলধোৱা আৰক্ষীক খবৰ দিয়ে। আৰক্ষীৰ দলটোৱে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। বৰ্তমান প্ৰকৃত দোষীক কঠোৰ শাস্তি আৰু গ্ৰেপ্তাৰৰ দাবীত ৰাইজ সৰ্বত্ৰে সোচ্চাৰ হৈ পৰিছে। আজি লখিমপুৰ জিলাৰ জেষ্ঠ সাংবাদিকে এই সন্দৰ্ভত জিলা বন বিষয়াক ফোন কৰাত তেওঁৰ সমগ্ৰ ঘটনাটো গুৰুত্বসহকাৰে লৈ উপযুক্ত তদন্ত অব্যাহত আছে বুলি জানিবলৈ দিয়ে।

# ৪৬ তম নৰোত্তম বৰ্মন ফুটবল প্ৰতিযোগিতাত চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ অগ্ৰগতি

**অসম বাৰ্তা, চামতা, ১৮ আগষ্ট** ঃ চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত সংঘৰ নৱনিৰ্মিত ষ্টেডিয়ামত আজিৰ পৰা পৰা আৰম্ভ হোৱা ৪৬ তম 'নৰোত্তম বৰ্মন সোঁৱৰণী' ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী মেচত চামতা আঞ্চলিক ক্ৰীড়া সংঘই ট্ৰাইবেকাৰৰ সহায়ত চামতা কোচিং চেণ্টাৰক পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হ'য়। মেচখনৰ নিৰ্ধাৰিত সময় গ'ল শূন্যভাৱে সমাপ্ত হোৱাৰ পাছত ৰেফাৰীয়ে ট্ৰাইবেকাৰৰ সহায় ল'য়। ট্ৰাইবেকাৰত চামতা আঞ্চলিক ক্ৰীড়া সংঘই চামতা কোচিং চেণ্টাৰকট্ৰাইবেকাৰত ৫-৪ গ'লৰ ব্যৱধানত পৰাজিত কৰে। চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ দ্বাৰা পৰিচালিত আৰু সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত ৪৬ সংখ্যক নৰোত্তম বৰ্মন সোঁৱৰণী বিজয়ী ট্ৰফী, ৰনীধৰ বৰ্মন সোঁৱৰণী বিজিত ট্ৰফী আৰু প্ৰমোদ পাটোৱাৰী সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখন উদ্বোধন কৰে অভীৰুচিৰ স্ৰষ্টা খ্যাত ক্ৰীড়া সংগঠক বলেন্দ্ৰ মোহন চক্ৰৱৰ্তীয়ে। সংঘৰ সম্পাদক বিকাশ ভট্টাচাৰ্যই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে অসম অলিম্পিক সন্থাৰ যুটীয়া সম্পাদক হীৰেণ গগৈ, নলবাৰী লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা জীৱন জ্যোতি শৰ্মা, সহকাৰী অভিযন্তা প্ৰদীপ বৰ্মন, বিশিষ্ট সমাজকৰ্মী তথা যুৱ ব্যৱসায়ী মইনুল আলী, সাহিত্যিক-নাট্যকাৰ নৱৰত্ন পাটোৱাৰী, সংঘৰ সভাপতি যতীন শৰ্মাকে ধৰি কেবাগৰাকীও বিশিষ্ট ক্ৰীড়া সংগঠক। অইল ইণ্ডিয়া, নয়দা, উত্তৰ প্ৰদেশ, এন. আৰ. এল. গুৱাহাটী আৰু গুৱাহাটী ৰিফাইনাৰীৰ আৰ্থিক সাহায্যৰে চলি অহা প্ৰতিযোগিতাৰ প্ৰথমখন খেল পৰিচালনা কৰে নৱজিৎ কলিতা, জয়ন্ত দত্ত, মইদুল ইছলাম আৰু মনিপ্ৰিন্স হাজৰিকাই। কাইলৈ বৰমা ইউনাইটেড স্পোৰ্টচ ক্লাবৰ বিৰুদ্ধে বাৰাদি ফুটবল ক্লাৱ বৰপেটাই প্ৰতিদণ্ডিতা আগবঢ়াব।

১৩ বছৰীয়া মৰিয়মৰ জীৱন ৰক্ষাৰ বাবে সহায়ৰ আকুতি

# গোসাঁইগাঁৱৰ ১৩ বছৰীয়া কিশোৰী মৰিয়ম খাতুনৰ জীৱন সংকটাপন্ন

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৮ আগষ্ট** ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱৰ ১৩ বছৰীয়া কিশোৰী মৰিয়ম খাতুনৰ জীৱন আজি সংকটাপন্ন। উন্নত চিকিৎসাৰ অভাৱত বাওঁ হাতত হোৱা আঘাতৰ পৰা সৃষ্টি হোৱা সংক্ৰমণে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। চিকিৎসকৰ মতে, সংক্ৰমণ অধিক বিয়পি পৰিলে মৰিয়মৰ জীৱন বিপদাপন্ন হ'ব পাৰে। মৰিয়ম ছেৰফাংগুৰি এম. ই. স্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী। বিদ্যালয়ত খেলি থকাৰ সময়তে দুৰ্ঘটনাবশতঃ বাওঁ হাতত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল কিশোৰীগৰাকী। সময়মতে উন্নত চিকিৎসা লাভ নকৰাৰ ফলত আঘাতপ্ৰাপ্ত হাতখনত ক্ৰমাৎ সংক্ৰমণ বিয়পি পৰে। চিকিৎসকৰ পৰামৰ্শ অনুসৰি, সংক্ৰমণ অধিক বৃদ্ধি পালে জীৱন ৰক্ষাৰ স্বাৰ্থত শেষ পৰ্যায়ত অস্ত্ৰোপচাৰৰ জৰিয়তে হাতখন কাটি পেলাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে বুলিও আশংকা প্ৰকাশ কৰা হৈছে। মৰিয়মৰ পিতৃ ময়নুদ্দিন শেখ ১ নং পলাশগুৰী গাঁৱৰ বাসিন্দা। তেওঁ ই-ৰিস্কা চলাই কোনোমতে পৰিয়াল পোহপাল দি আহিছে। দৈনিক উপাৰ্জনেৰে সংসাৰ চলোৱা পিতৃৰ বাবে জীয়েকৰ ব্যয়বহুল চিকিৎসাৰ খৰচ বহন কৰাটো এতিয়া অত্যন্ত কঠিন হৈ পৰিছে। ইফালে, মৰিয়মৰ মাতৃয়ে জীয়েকৰ চিকিৎসাৰ বাবে সমাজৰ সহৃদয় ব্যক্তি, বিভিন্ন সংগঠন আৰু সামৰ্থ্যৱান লোকসকলৰ ওচৰত আৰ্থিক সহায়ৰ বাবে কাতৰ আবেদন জনাইছে। পৰিয়ালটোৰ একমাত্ৰ আবেদন— "আমাৰ ছোৱালীজনীক বচাই দিয়ক।" এগৰাকী অসহায় পৰিয়ালৰ ১৩ বছৰীয়া কিশোৰীৰ জীৱন ৰক্ষাৰ বাবে আপোনাৰ সামান্য সহায়ো অতি মূল্যৱান হ'ব পাৰে। ইচ্ছুক লোকসকলে ফোনপে: 9365568558(Jahiruddin Sk) নম্বৰত আৰ্থিক সহায় আগবঢ়াবলৈ দুখীয়া পৰিয়ালটোৱে আহ্বান জনাইছে।

# পথালিপাহাৰত জিলাভিত্তিত আধুনিক নৃত্য প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, বান্দৰদেৱা, ১৮ আগষ্ট** ঃ লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰস্থিত ৰয়েল ডান্স একাডেমীৰ উদ্যোগত বীৰ লাচিত সেনা খেৰাজখাত আঞ্চলিক সমিতি আৰু স্থানীয় পথালিপাহাৰবাসী ৰাইজৰ সহযোগত পথালিপাহাৰ সন্মিলিত নাট্য সমাজৰ প্ৰেক্ষাগৃহত লখিমপুৰ জিলা ভিত্তিত এখনি আধুনিক নৃত্য প্ৰতিযোগিতা অহা ২৮ আগষ্ট তাৰিখে সন্ধিয়ালৈ আয়োজন কৰিছে। উক্ত প্ৰতিযোগিতা খনি উচ্চ আৰু নিম্ন দুটা শাখাত অনুষ্ঠিত হ'ব। উচ্চ শাখাৰ বয়সৰ সীমা ১৩ বছৰ ওপৰত আৰু নিম্ন শাখাৰ বয়স ১২ বছৰৰ ভিতৰত হ'ব লাগিব। দুয়োটা শাখাৰ পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীক নগদ ধন, ট্ৰফী আৰু মান পত্ৰ প্ৰদান কৰা হ'ব। উক্ত তাৰিখৰ সন্ধিয়া ৫-৩০ বজাত প্ৰতিযোগিতা আৰম্ভ হোৱাৰ পূৰ্বে ইচ্ছুক প্ৰতিযোগী সকলে নামভৰ্ত্তি কৰিব পাৰিব বুলি উদ্যোক্তা সকলে সংবাদ মাধ্যমৰ যোগেদি জানিবলৈ দিয়ে।

# পূব মাজুলী মহাবিদ্যালয়ৰ সন্মুখৰ পথ শীঘ্ৰে নিৰ্মাণৰ দাবী আছুৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ আগষ্ট** ঃ পূব মাজুলী অঞ্চলৰ উচ্চ শিক্ষানুষ্ঠান পূব মাজুলী মহাবিদ্যালয় আৰু মেৰাগড় নাৰায়ণ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় সংযোগী ভগ্ন পথে দীৰ্ঘদিন ধৰি ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ ৰাইজক যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভোগাই আহিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, পথটো মেৰামতিৰ বাবে বহু বাৰ বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰা হৈছে যদিও আজিলৈকে কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। এই সন্দৰ্ভত পূব মাজুলী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি কৃষ্ণন শইকীয়া আৰু সাধাৰণ সম্পাদক বুবুল শইকীয়াই এক প্ৰেছ বিবৃতিযোগে পথটো শীঘ্ৰে মেৰামতি কৰাৰ দাবী জনায়। ছাত্ৰ নেতাদ্বয়ে কয় যে, আগন্তুক এক সপ্তাহৰ ভিতৰত বিভাগীয় কৰ্তৃপক্ষই পথটো মেৰামতিৰ ব্যৱস্থা গ্ৰহণ নকৰিলে ছাত্ৰ সন্থাই দুয়োখন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ ৰাইজক লগত লৈ পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব। আছুৱে বিষয়টোক গুৰুত্বসহকাৰে লৈ শীঘ্ৰে পথটো নিৰ্মাণ তথা মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগৰ ওচৰত দাবী জনাইছে।

# ৰূপহীহাটত বানাক্ৰান্ত অঞ্চলত শিঙিমাৰী ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসা দলৰ স্বাস্থ্য পৰীক্ষা

**অসম বাৰ্তা, ৰূপহীহাট, ১৮ আগষ্ট** ঃ ৰূপহীহাটত বানপানীৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বানাক্ৰান্ত ৰাইজক চিকিৎসা সেৱা প্ৰদানৰ উদ্দেশ্যে আজি শিঙিমাৰী ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত বিশেষ স্বাস্থ্য কাৰ্যসূচী গ্ৰহণ কৰা হয়। আজি শিঙিমাৰী ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ এটা চিকিৎসা দলে চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত তেলিয়াচাপৰি এএএমৰ বানাক্ৰান্ত অঞ্চলত ক্ষেত্ৰ পৰিদৰ্শন কৰে। চিকিৎসা দলটোৱে অঞ্চলটোৰ বান পৰিস্থিতি, বানাক্ৰান্ত লোকসকলৰ স্বাস্থ্যৰ অৱস্থা আৰু সম্ভাব্য স্বাস্থ্যজনিত সমস্যাৰ বুজ লয়। ইয়াৰ সমান্তৰালভাৱে লাটানিচাপৰি এএএমৰ অন্তৰ্গত বানাক্ৰান্ত অঞ্চলতো আন এক স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হয়। শিবিৰত বানপীড়িত লোকসকলক প্ৰয়োজনীয় চিকিৎসা পৰামৰ্শ আৰু স্বাস্থ্য সেৱা প্ৰদান কৰা হয়। বানপানীৰ সময়ত পানীজনিত ৰোগ, জ্বৰ, চৰ্মৰোগ আদি বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ সম্ভাৱনা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগৰ এনে পদক্ষেপে বানাক্ৰান্ত ৰাইজক যথেষ্ট সহায় কৰিব বুলি আশা কৰা হৈছে।

# বিশ্বনাথত জ্যেষ্ঠ নাগৰিক সকলৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কাৰ্য্যসূচী

**অসম বাৰ্তা, জিনজিয়া, ১৮ আগষ্ট** ঃ আজি দিনযোৰা কাৰ্যসূচীৰে বিশ্বনাথৰ জ্যেষ্ঠ নাগৰিক সকলৰ উদ্যোগত ৰূপালী জয়ন্তী বৰ্ষ পালন কৰা হয়। উক্ত ৰূপালী জয়ন্তী বৰ্ষ উৎযাপন কাৰ্য্যসূচীত উপস্থিত থাকে মুখ্য অতিথি হিচাপে ৰাজ্যিক জ্যেষ্ঠ নাগৰিক সমিতিৰ সভাপতি বাণেশ্বৰ খাউণ্ড, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে প্ৰসন্ন বৰঠাকুৰ ডাঙৰীয়া ৰূপালী জয়ন্তী বৰ্ষৰ কাৰ্য্যসূচী ভাগ উদ্বোধন কৰে বিশ্বনাথৰ বিধায়ক পল্লৱ লোচন দাসে। দিনযোৰাকৈ পালন কৰা কাৰ্য্যসূচীত প্ৰথম কাৰ্য্যসূচী অনুসৰি পুৱা ৮.৩০ মিনিটত ২৬খন পতকা উত্তোলন কৰা হয়। দ্বিতীয় কাৰ্য্যসূচী অনুসৰি স্মৰণিকা উন্মোচন কৰাৰ লগতে জেষ্ঠ নাগৰিক সকলৰ মাজত খেলা ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তৃতীয় কাৰ্য্যসূচী অনুসৰি অহাৰ গ্ৰহণ আৰু দিনৰ এক বজাৰ পৰা মুকলি সভা আৰু সন্ধিয়া পাঁচ বজাৰ লগে লগে অন্ত পৰে এই ৰূপালী জয়ন্তী বৰ্ষৰ কাৰ্য্যসূচীৰ।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন